NOT FOR ISSUE

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

SECOND SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. II

## NO. 2

**The 9th September 1991**

Price—Rs. 27·80

REFERENCE
NOT FOR ISSUE
...INSIDE LIBRARY

# CONTENTS

## BUDGET SESSION

No. 2

**Dated, the 9th September**


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—32 |
| 2. | No Confidence Motion | 32—33 |
| 3. | Adjournment Motion | 33—55 |
| 4. | Discussion During Zero Hour | 55—64 |
| 5. | Announcement from the Chair | 64—67 |
| 6. | Calling Attention Notice | 67—69 |
| 7. | Matter Under Rule 301 | 69—72 |
| 8. | Presentation of the Budget Estimate, 1991-92 | 72—101 |
| 9. | Statement by Chief Minister | 101—107 |
| 10. | Adjournment | 107 |
| 11. | Annexure I, II, III, IV, V, VI, VII | 108—149 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, September 9, 1991

The House met at Nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

বিষয় : শপত গ্ৰহন অনুষ্ঠানত ব্যয়।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

*২৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৩০/৬/৯১ তাৰিখে অসম মন্ত্ৰী সভাই শপত গ্ৰহণ কৰোতে সৰ্বমুঠ ব্যয় কিমান হল ?

(খ) শপত গ্ৰহণ অনুষ্ঠান সম্পৰ্কত চৰকাৰে কোন শিতানৰ পৰা উক্ত টকা ব্যয় কৰিছিল ?

(গ) ৰভা, মণ্ডপ, মঞ্চ আদিৰ নক্সা কোন অভিযন্তাই প্ৰস্তুত কৰিছিল আৰু এই নক্সা আদি প্ৰস্তুতিৰ বাবে তেওঁ কিমান দিন লগাইছিল ?

(ঘ) ৰভা, মণ্ডপ আৰু মঞ্চ নিৰ্মানৰ বাবে কাক দায়িত্ব দিয়া হৈছিল ?

(ঙ) কাৰ্পেট, চন্দ্ৰতাপ আৰু কাপোৰ, চকী, ফুলৰ টাব আদি কাৰ পৰা অনা হৈছিল আৰু মণ্ডপখনৰ ৰূপ সজাৰ বাবে কিমান টকা পৰিশোধ কৰা হৈছিল ?

(চ) চাহ-জলপান কোনে উক্ত অনুষ্ঠানত যোগান ধৰিছিল আৰু এই শিতানত সৰ্বমুঠ খৰছ কিমান হৈছিল।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৬,২২,৬৫০.০০ টকা ( টকা পৰিশোধ হোৱা নাই )।

(খ) (১) 4217-Capital outlay,

(২) 2052-Hospitality Charges ৰ পৰা দিয়া হব।

(গ) গড়কাপ্তানী বিভাগৰ অস্থায়ী ৰাজধানী নিৰ্মান সংমণ্ডলৰ অভিযন্তাই গড়কাপ্তানীৰ সচিবৰ ২৪/৬/৯১ তাৰিখে নিৰ্দেশ পাই ২৫/৬/৯১ তাৰিখত নক্সা তৈয়াৰ কৰিছিল।

(ঘ) অস্থায়ী ৰাজধানী নিৰ্মান সংমণ্ডলৰ অধীনত থকা ২নং উপ-সংমণ্ডলৰ শাখা বিষয়া আৰু সহকাৰী কাৰ্য্যবাহী অভিযন্তাৰ তত্বাবধনাত দিয়া হৈছিল।

(ঙ) স্থানীয় আসাম টেণ্ট হাউচক দায়িত্ব দিয়া হৈছিল আৰু উক্ত কামৰ বাবে দিয়া বিলৰ ৯০,০০০.০০ টকা এতিয়ালৈ পৰিশোধ কৰা হোৱা নাই।

(চ) স্থানীয় হোটেল বেলিভিউক যোগান ধৰিবলৈ দিয়া হৈছিল। এতিয়ালৈ বিলৰ টকা মুঠ ৪৯,৫০০.০০ টকা দিয়া হোৱা নাই।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে (ক) আৰু (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে শপত গ্ৰহণ অনুষ্ঠানত মণ্ডপ সজাৰ কাৰণে খৰছ হৈছিল ৬২২,৬৫০.০০ টকা আৰু এই টকাটো ৪২১৭ কেপিটেল আউট-লেৰ পৰা দিয়া হব বুলি কৈছে, মোৰ প্ৰশ্ন হৈছে এনে ধৰণৰ শপত গ্ৰহণ অনুষ্ঠানৰ কাৰণে এই টকাটো এই শিতানৰ পৰা খৰছ কৰাৰ অধিকাৰ আছে নে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : নিশ্চয় আছে।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এই শিতানৰ পৰা এনেধৰণেৰে কি কি শিতানত খৰছ কৰিব পাৰি মন্ত্ৰী মহোদয়ে জনাবনে ? আমি জনাত এই শিতানৰ পৰা এনেধৰণেৰে খৰছ কৰিব নোৱাৰি।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : তেনে তথ্য মোৰ হাতত নাই।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্ন হৈছে— টেণ্ট হাউচৰ কাৰণে ৯০,০০০ টকা দিয়া হৈছে, ইয়াৰ বাবে টেণ্ডাৰ বিচৰা হৈছিল নেকি ? মই জনাত এটা বিশেষ টেণ্ট হাউচৰ লগত জি, এ, ডিয়ে বিশেষভাবে যোগা-যোগ কৰি বিশেষ সেই টেণ্ট হাউচটোক দিছিল আৰু ইয়াৰ যোগান ধৰিবলৈ

বেলিভিউ হোটেলক দিয়া হৈছিল যাৰ বাবে এতিয়ালৈ বিলৰ টকা প্ৰায় ৪৯ হেজাৰ টকা দিয়াৰ কাৰণে এই বিশেষ হোটেলখনক নিৰ্বাচিত কৰা হল।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, অভিজ্ঞতাৰ ভিত্তিত এই বিশেষ হোটেলখনক দিয়া হৈছিল।

শ্ৰীজয়নাথ শৰ্মা : টেণ্ডাৰ কল নকৰাকৈ তৎক্ষনাত এই হোটেলখনক দিয়া হল, এই মণ্ডপৰ কাৰণে ৬ লাখ টকা খৰচ হোৱা নাছিল, ২ মে ১ লাখ টকা খৰছ হৈছিল। বিশেষ কেইজনমান অফিচাৰ জড়িত হৈ নিজাববীয়াকৈ দিয়া হৈছিল। বাহৰ দাম ধৰা হৈছিল ২৫ টকা আৰু এক কিলো ৰচিৰ দাম ধৰা হৈছিল ১৫ টকা। গতিকে ইয়াৰ তদন্ত হব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, (ক) প্ৰশ্নৰ উত্তৰত প্ৰকৃত খৰছৰ কথা মই কৈছোৱেই। বাকী যিবিলাক খৰছৰ কথা কৈছে সেই বিষয়ে মই বিভাগত খবৰ কৰিম।

শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে জনাবনেকি, যে আগৰ মন্ত্ৰীসকলৰ শপত গ্ৰহণ অনুষ্ঠানত কিমান টকা খৰছ কৰা হৈছিল?

(উত্তৰ নাই)

(Starred Question No. 22 was deferred)

Mr. Speaker : Starred Question No. 23.

Shri Nazmul Haque : On a point of order why the Question No. 22 has been deferred?

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, আজিৰ প্ৰশ্নত ৪/৫ টা মান প্ৰশ্ন ডিফাৰ আৰু পষ্টপণ্ড কৰা হৈছে। চৰ্ট নোটিচ কুৱেশ্যন প্ৰথম দিনাও অহা নাই আৰু যোৱা অধিৱেশনতো প্ৰশ্ন থকা স্বত্বেও উত্তৰ দিয়া নাই। এই দৰে মন্ত্ৰীসকলে প্ৰশ্নৰ উত্তৰ নিদি এৰাই চলিবলৈ চেষ্টা কৰাৰ বাবে আপোনালোকে আমাক সদনৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ চেষ্টা কৰিছে নেকি? আমি যিবিলাক প্ৰশ্নৰ উত্তৰ বিচাৰিছো সেইবিলাকৰ উত্তৰ দেখ্ দেখ্কৈ দিয়া নাই। কিয় দিয়া নাই? দ্বিতীয় কথা হৈছে আমি যোৱা অধিবেশনত যিবিলাকক চৰ্ট নোটিচ কুৱেশ্যন দিয়া হৈছিল সেই বিলাকৰো উত্তৰ দিয়া নাই। চৰ্ট নোটিচ কুৱেশ্যন দিয়াৰ সদনত প্ৰভিজন আছে। আমি কিবা কথা নাজানিলে প্ৰশ্নৰ জৰিয়তে মন্ত্ৰীসকলক সুধি জানি ল'ব পাৰো। চৰ্ট নোটিচ কুৱেশ্যনৰ বাবে নিৰ্দ্ধাৰিত দিন

থকা স্বত্বেও avoid কৰি এতিয়া তেখেতে এই প্ৰশ্নৰ ক্ষেত্ৰতো এৰাই চলিব বিচাৰিছে। আজিৰ প্ৰশ্নৰ ২২ নং, ৩১ নং, ৩৪ নং আৰু ৪০ নং প্ৰশ্নৰ উত্তৰ নিদিয়াৰ ব্যৱস্থা কৰিছে।

Under Rule 32 this is compulsion on a part of a Minister to give answer and to give any sort of information to the House.

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আজি তেখেত সকলে যিটো প্ৰশ্ন উত্থাপন কৰিছে সেই প্ৰশ্নটো মইও আগৰ বিধান সভাত উৎথাপন কৰিছিলো। এতিয়া কথা হৈছে প্ৰশ্নবোৰ দিয়াৰ লগে লগে আমি প্ৰেছলৈ প্ৰিন্ট কৰিবৰ কাৰণে পঠাই দিওঁ। এই ক্ষেত্ৰত প্ৰশ্নবোৰৰ তাৰিখ নিৰ্দ্ধাৰিত কৰি আমালৈ যি জাননী আহে সেইবোৰ আমি কেতিয়াবা আগদিনাহে পাওঁ আৰু সেই কাৰণে আমি প্ৰশ্নৰ উত্তৰ দিয়াৰ কাৰণে পৰৱৰ্ত্তী ব্যৱস্থা ল'বলৈ সময় নাপাওঁ। প্ৰশ্নবোৰ প্ৰিন্ট হৈ আহোঁতে পলম হোৱাৰ কাৰণেহে আমি কিছুমান প্ৰশ্নৰ উত্তৰ দিব নোৱাৰো। আমি ইচ্ছা কৰি এভইড কৰিব খোজা নাই। আপোনালোকে যদি বিচাৰে তেনেহ'লে প্ৰিন্ট নকৰাকৈয়ে প্ৰশ্ন দিলে আমি উত্তৰ দিব পাৰিম।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, তেখেতে উত্তৰৰ ভুল ব্যাখ্যা দিছে। ৰুল ৩২ মতে আমি দিনে ২০ টা প্ৰশ্ন সদনত আলোচনা কৰিব পাৰো। এইদৰে ৪/৫ টা প্ৰশ্ন ডিফাৰ হৈ থাকিলে ১৫ টা মানহে প্ৰশ্ন আলোচনাৰ বাবে থাকে। আমি যিবোৰ ৰিটেন কুৱেশ্যন দিছো সেইবিলাক আনষ্টাৰ্ড কুৱেশ্যনলৈ কনভাৰ্ত কৰিব নেকি ? এই সুবিধাবোৰ তেখেত সকলে এনে ধৰণে ল'ব নোৱাৰিব। সদনত ২০ টা প্ৰশ্ন আলোচনা কৰিব লাগিব।

Mr. Speaker : So far as this question is concerned Law Minister, মই যিমান দূৰ জানো সেই প্ৰশ্ন কেইটা আমাৰ আইন মন্ত্ৰীয়ে উত্তৰ দিব লগা প্ৰশ্ন আছিল আৰু আজি তেখেতে ভ্ৰমনৰত কেন্দ্ৰীয় মন্ত্ৰীৰ লগত থাকিব লগা হোৱাৰ বাবে এই প্ৰশ্ন কেইটা ডিফাৰ কৰা হৈছে। অন্য কথাৰ কাৰণে কৰা হোৱা নাই।

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, আজি সদনত উত্তৰ দিব লগা প্ৰশ্নৰ ২২, ৩১, ৩৪, আৰু ৪০ নং প্ৰশ্ন কেইটা ডিফাৰ কিম্বা পষ্টপণ্ড কৰা

হৈছে। এই কেইটা বাদ দিলে আলোচনা কৰিবলৈ ইম্পৰটেন্ট কুৱেশ্চন নাই। এই ক্ষেত্ৰত আপুনি কিবা ব্যৱস্থা ল'বনে ?

★Shri Holiram Terang : Mr. Speaker, Sir, it is true that this kind of practice was there in the last Assembly. But it does not naturally mean that it should be practised now. Secondly, Sir, the Minister for Parliamentary Affairs stated that he had received the question only one day before the question comes. Sir, I do not think that it is an excuse. Sir, under rule it is ten clear days are there. Therefore, Sir, we have to submit the question before ten clear days. That means they receive it every seven days and when they get it seven days ahead then why they should not come up with the reply. Department must be ready within this time to give answers of any sort of question. Sir, when the question goes for printing, it means that you have allowed it. So, there is no other authority Now, who can disallow this question. So, I do not understand why many questions have been disallowed. Now Sir, the Starred Question No. 22 has been deferred. Minister in charg is not there and even if he is not there the Council of Ministers are there and the Chief Minister is there and it can be entrusted to any one of them. So, Sir, there should be a ruling on this. There should be a clear cut ruling on this point. So, Sir, all the Honourable Members of this House would like to hear form you a clear cut ruling on this. It is fact that even if the Government wants 30 days time, they may not be able to give the answers to all the supplementaries sought in the House.

---

* Speech not corrected.

Then, Sir, they say that it is the tradition of the House and accordingly they will give the reply later on. But our point is that whatever information they get, it should be given. This should be the point. So, Sir, our point is that no question should be deferred or postponed. This is my submission.

শ্ৰীপ্ৰমোদ গগৈ : অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ আজি যথেষ্ট আলোচনা কৰা হৈছে। যেতিয়া প্ৰশ্ন বিলাকৰ অনুমতি দিয়া হয় তাৰ পিচত ৪/৫ টা প্ৰশ্ন দিফাৰ বা পষ্টপণ্ড কৰিলে 'ইট লুক্‌চ অড'। আমাৰ সদনত 'আগতেও প্ৰিচিডেণ্ট আছে এবাৰ যদি প্ৰশ্ন আহে তেনেহ'লে তাক এনেকৈ দিফাৰ বা পষ্টপণ্ড নকৰে। যদি কোনোবা মন্ত্ৰী অনুপস্থিত থাকে তেনেহ'লে মুখ্যমন্ত্ৰী বা অন্য মন্ত্ৰীয়ে উত্তৰ দিয়ে। সেই কাৰণে বিষয়টো আপুনি বিবেচনা কৰি চাওঁক। আগৰ যিটো প্ৰক্ৰিয়া আছিল সেইমতে কৰক। তাৰ কাৰণে আপোনাক অনুৰোধ কৰিছো। আমি আগতে সদনত এনেদৰে অসুবিধা ভোগ কৰা নাছিলো। প্ৰশ্ন এবাৰ প্ৰিণ্ট হৈ যোৱাৰ পিছত ডিচএলাউড কৰা হৈছে। এইটো ভাল নেদেখি। গতিকে বিষয়টো আপুনি ভালদৰে চাওঁক।

মাননীয় অধ্যক্ষ : মই মাননীয় সদস্য সকলৰ বক্তব্য শুনিলো আৰু পাৰ্লিয়ামেণ্টৰী মন্ত্ৰীৰো বক্তব্য শুনিছো। মাননীয় সদস্য সকলে যিখিনি কথা কৈছে সেই খিনি মই ভালকৈ উপলব্ধি কৰিছো। গতিকে বিষয়টো মই গুৰুত্ব সহকাৰে বিবেচনা কৰি চাম। Now Question No. 23.

### বিষয় : শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ স্থাপন।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

* ২৩। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ গুৱাহাটীত পাতিবৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লোৱাটো সঁচানে ?

(খ) যদি সঁচা কলাক্ষেত্ৰ নিৰ্ম্মাণৰ অগ্ৰগতি কিমান হৈছে ?

(গ) চলিত বিত্তীয় বছৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ নিৰ্ম্মানৰ বাবে কিমান টকা আবণ্টন দিয়া হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ নিৰ্মাণৰ কাৰণে ৰাজহ বিভাগে ৮১ বিঘা মাটি আবণ্টন দিছে আৰু এই মাটিত গড়কাপ্তানী বিভাগৰ জৰীয়তে বাউণ্ডাৰী ওৱাল দিয়া হৈছে।

(গ) চলিত বিত্তীয় বছৰত এতিয়ালৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ নিৰ্মানৰ বাবে ধন আবণ্টন দিয়া হোৱা নাই।

শ্ৰীগহীন চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে গুৱাহাটীত শংকৰদেৱ কলাক্ষেত্ৰটো চৰকাৰে বনাব নে নবনাই ? যদি বনাই কেতিয়া বনাব। লগতে ইয়াৰ কাৰণে যি মাটি আবণ্টন দিয়া হৈছে সেই মাটি কোনোবাই বেদখল কৰিছে নেকি ? আৰু চলিত বিত্তীয় বছৰত তাৰ বাবে টকা কিয় আবণ্টন দিয়া হোৱা নাই জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বিত্তীয় বছৰত শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰলৈ এতিয়ালৈকে কোনো ধৰণৰ আবণ্টন কৰা হোৱা নাই যদিও গড়কাপ্তানী বিভাগৰ গৃহ নিৰ্মান শাখাৰ বাজেটত ৫৫ লাখ টকা ধৰা হৈছে। প্ৰয়োজন অনুসৰি এই ধন কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে ব্যয় কৰিব পৰা যাব। ইয়াৰ বাবে চাইট প্লেন, স্কীম আদি অনুমোদন কৰা বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ ওপৰত। কেন্দ্ৰীয় চৰকাৰে গোটেইবোৰ দিশ সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ পিচতেই আৰু ধন আবণ্টন কৰিলেই কলাক্ষেত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হব। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক ১০ কোটি দিয়াৰ পৰামৰ্শ দিয়া হৈছে।

শ্ৰীগহীন চন্দ্ৰ দাস : অধ্যক্ষ মহোদয়, ইয়াৰ মাটি বেদখল কৰা হৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, বেদখলৰ ৰিপোৰ্ট মোৰ হাতত নাই।

## বিষয় : আৰক্ষী সঞ্চালক প্ৰধানৰ নিযুক্তি।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

★২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আৰক্ষী সঞ্চালক প্ৰধান পদত কাকো স্থায়ীভাৱে এতিয়াও নিয়োগ নকৰা কথাটো সঁচানে ?

(খ) যদি সঁচা হয়, নিয়োগ নকৰাৰ কাৰণবোৰ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা ।

(খ) আৰক্ষী সঞ্চালক প্ৰধান পদত স্থায়ীভাৱে কাকো নিয়োগ কৰাৰ প্ৰশ্ন নুঠে । আৰক্ষী সঞ্চালক প্ৰধানৰ সমপৰ্য্যায়ৰ পদত অধিষ্ঠিত থকা বিষয়া সকলৰ কৰ্মদক্ষতাৰ পৰ্য্যালোচনা কৰি এই পদত নিয়োগ কৰাৰ ব্যৱস্থা লোৱা হয় ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিয়া প্ৰশ্নৰ উত্তৰ মই ভালকৈ উপলব্ধি কৰিব পৰা নাই । মোৰ প্ৰশ্নটো হৈছে যে, এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচত আগতে যিজন ডাইৰেক্টৰ জেনেৰেল অৱ পুলিচ আছিল তেওঁ ইয়াৰ পৰা গুছি গৈছে । তাৰ পিচত মই জনাত ডাইৰেক্টৰ জেনেৰেল অৱ পুলিচক নিযুক্তি দিয়া হোৱা নাই । বৰ্ত্তমান যিজন আছে তেওঁকো টেম্পৰেৰিলি দায়িত্ব দিয়া বুলি চৰকাৰে কৈছে । তেখেত আন এটা বিভাগৰো দায়িত্বত আছে । গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, তেখেতক স্থায়ী ভাবে দায়িত্ব দিয়া হৈছেনে অস্থায়ীভাৱে দিয়া হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এতিয়া সেই পদত বেলেগ বিষয়া নিয়োগ কৰা হৈছে । আমাৰ ডি, জি, পি ৰেংকত চাৰিজন বিষয়া আছে ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, আমাৰ গৃহ আয়ুক্তৰ পদটো খালি হৈ আছে নেকি মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : খালি হৈ আছে ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : সেই পদটো কিয় খালি আছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয় ( মুখ্যমন্ত্ৰী ) : সেইটো পিছত জনোৱা হব ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো বৰ পাতল ধৰণৰ হৈছে । বৰ্ত্তমান ৰাজ্যখনৰ জটিল পৰিস্থিতিলৈ চাই আৰু যোৱা কালি ইন্টাৰনেশ্যনেল এমেনেষ্টি অসম শাখাৰ আহ্বায়কক দিন দুপৰতে হত্যা কৰাৰ পিচত আৰু আলফাই পণ-বন্দী হিচাপে ৮ জনক বন্দী কৰাৰ পিচত চৰকাৰে গৃহ আয়ুক্ত নিযুক্তি দিয়াৰ কথাটো বিবেচনা নকাৰৰ ফলত আইন শৃংখলাৰ পৰিস্থিতি সম্পৰ্কত সহজে অনুমান কৰিব পাৰি ।

এই চৰকাৰে আইন শৃংখলাৰ পৰিস্থিতি কেনেকৈ লৈছে সেইটো চিন্তাৰ বিষয় হৈ পৰিছে। এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ ৩ মাহৰো বেছি হ'ল আৰু চৰকাৰ নতুনকৈ হোৱাৰ পিচতেই অসমত শান্তি প্ৰতিস্থা কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা গৈছে আজিলৈকে গৃহ আয়ুক্তক নিয়োগ কৰিব পৰা নাই। মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে, গৃহ আয়ুক্ত নিযুক্তি দিয়াৰ ক্ষেত্ৰত কিবা ৰহস্য আছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয় ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, একো ৰহস্য নাই। চিফ্ চেক্ৰেটাৰী আৰু এডিশ্যনেল চিফ্ চেক্ৰেটাৰীয়ে এইটো চাই আছে।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, গৃহ আয়ুক্তৰ নামত আলফা আৰু উগ্ৰপন্থীয়ে খবৰ দিয়াৰ বাবে এখন জাননী দিয়াৰ কথাটো মুখ্যমন্ত্ৰী মহোদয়ে জানে নে ? আৰু যদি সেই জাননী ইনভেলিদ কৰা হৈছে তেনেহলে ৰাইজক নজনোৱাৰ কি উদ্দেশ্য আছে ? গৃহ অয়ুক্তৰ ৰিলেটেদ কথা জনোৱাৰ বাবে যি টেলিফোন আছে সেইটো ভেলিদ হৈ আছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয় ( মুখ্যমন্ত্ৰী ) : টেলিফোন নম্বৰ আছে।

শ্ৰীহিৰণ্য বৰা : অধ্যক্ষ মহোদয়, বিগত ৫ বছৰত গৃহ আয়ুক্তৰ পদটো কিমান দিন খালি আছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, পিচত জনাম।

## বিষয় : হত্যা কৰা মানুহৰ সংখ্যা।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

*২৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ নিৰ্বাচনৰ পিছত ৰাজ্যখনত উগ্ৰপন্থীৰ দ্বাৰা হত্যা কৰা মানুহৰ সংখ্যা কিমান ?

(খ) উগ্ৰপন্থীৰ নামত পুলিচৰ দ্বাৰা মৃত্যু সংঘটিত হোৱা লোকৰ সংখ্যা কিমান ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) উগ্ৰপন্থীৰ দ্বাৰা হত্যা কৰা মানুহৰ সংখ্যা ৫০ জন।

(খ) উগ্ৰপন্থীৰ নামত আৰক্ষীয়ে কোনো লোকক হত্যা কৰা নাই।

শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে তাত নিধনৰ সংখ্যা কিমান জনাবনে? (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে, উগ্ৰপন্থীৰ নামত আৰক্ষীয়ে কোনো লোকক হত্যা কৰা নাই। দিপিলাত নিৰিহ মানুহক হত্যা কৰা হৈছেনে? এই ক্ষেত্ৰত উগ্ৰপন্থীয়ে কিমানক হত্যা কৰিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৯ জন লোক মিলিটেৰীৰ হাতত হত্যা হৈছে। আৰক্ষী বিভাগৰ হাতত হত্যা হোৱা নাই। এতিয়ালৈকে কিমান হত্যা কৰা হৈছে সেইটো পিছত সদনত দাখিল কৰিম।

শ্ৰীজীউৰাম বড়ো : অধ্যক্ষ মহোদয়, ডিমাকুছি এৰিয়াত এতিয়ালৈকে কিমান জনক হত্যা কৰা হ'ল জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সেইটো বেলেগ প্ৰশ্ন।

Sri Parameswar Brahma : Mr. Speaker, Sir, during the Bodoland agitation in the name of extremists, Assam Police Personnel have killed many Bodos. Will the Chief Minister kindly inform the House how many Bodos had been killed during the movement in the name of extremists ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সেইটো চেপাৰেট কোৱেশ্যন।

শ্ৰীআল্লাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, উগ্ৰপন্থীৰ নামত ব্যক্তিগতভাৱে, সাংগাঠনিক ভাবে কি কি আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : উগ্ৰপন্থীৰ ভিতৰত আলফা, বড়ো চিকিউৰিটি ফোৰ্চ আৰু ঠায়ে ঠায়ে আৰু আছে।

বিষয় : অৰ্থ সাহায্য।

ডাঃ কমলা কলিতাই সুধিছে :

★ ২৬ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

১৯৯১ চনৰ ১ জুলাই তাৰিখৰ পৰা বৰ্ত্তমানলৈকে ৰাজ্যখনৰ কিমান ব্যক্তি, অনুষ্ঠান, প্ৰতিস্থান আদিক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অৰ্থ সাহায্য দিয়া হৈছে, তেওঁলোকৰ নাম ঠিকনা আৰু সাহায্যৰ পৰিমাণ জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৯৯১ চনৰ ১ জুলাই তাৰিখৰ পৰা বৰ্ত্তমানলৈ যথাক্ৰমে ৩৯৬ জন ব্যক্তিক মুঠ ১৯.০৭,০০০/= ( উনৈশ লাখ সাত হাজাৰ ) টকা আৰু ৫১ খন অনুষ্ঠান-প্ৰতিষ্ঠানক মুঠ ৯.৪২,০০০/= ( ন লাখ বিয়াল্লিচ হাজাৰ ) টকা অৰ্থাৎ সৰ্ব-মুঠ ২৮.৪৯,০০০/= ( আঠাইশ লাখ উনপঞ্চাশ হাজাৰ ) টকা আৰ্থিক সাহায্য দিয়া হৈছে ।

উক্ত ব্যক্তি, অনুষ্ঠান, প্ৰতিষ্ঠানৰ নাম ঠিকনা আৰু সাহায্যৰ পৰিমাণ উল্লেখ থকা তালিকা প্ৰশ্নোত্তৰ কাকতৰ লগত সংলগ্ন কৰা হৈছে ।

( See the list at Annexure I )

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে যে যিসকল লোকক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা গ্ৰাণ্ট দিছে সেই সকলৰ ভিতৰত কৰ্কট ৰোগী কিমানজন আছে ?

শ্ৰীহিতেশ্বৰ শইকীয় ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই যিখন তালিকা গাঠি দিছো তাতেই কৰ্কট ৰোগী সকলৰ নামো আছে । সাহায্য পোৱা শতকৰা ৮০ জন লোকেই হৈছে প্ৰধানকৈ কৰ্কট, টিবি আৰু হাৰ্ট পেচেণ্ট ।

ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যদি কৰ্কট ৰোগীকেই অধিক সাহাৰ্য্য দিয়া হৈছে, তেন্তে মই এটা কথা মুখ্যমন্ত্ৰীৰ পৰা জানিব খুজিছো সেইটো হৈছে যোৱা কিছুদিনৰ আগতে মই সিং, ৰাভা, শেখ ইত্যাদি উপাধীৰ কেইজনমান কৰ্কট ৰোগীৰ কেইখনমান আবেদন মই ব্যক্তিগতভাবে মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সচিবৰ হাতত দিছিলো কিন্তু সেইকেইজন লোকৰ এজনেও মুখ্যমন্ত্ৰীৰ পৰা সাহায্য পোৱা নাই । ইতিমধ্যে ইয়াৰে এজনৰ মৃত্যুও হৈছে । সাহায্য বিতৰণৰ ক্ষেত্ৰত এনে বৈষম্যমূলক আচৰণ কিয় লোৱা হৈছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত থকা পৰা কোনো আবেদনেই সাহায্য নোপোকৈ থকা নাই, বিশেষকৈ এনে ৰোগীৰ ক্ষেত্ৰত । মই কোনো আবেদনেই ৰিজেক্ট কৰা নাই ।

Mr. Speaker : Please here me. As per rule only 5 Supplimentaries are allowed. Out of these 3 by the questioner and 2 by others.

ডাঃ কমলা কলিতা : I am the questioner. মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে যি উত্তৰ দিছে সেইটো বৰ পুতৌলগা উত্তৰ হৈছে । মুখ্যমন্ত্ৰীৰ হাতত

পাব। মূখ্যমন্ত্ৰীৰ যিসকল বিষয়া আৰু ব্যক্তিগত আবেদন দিলেহে সাহায্য সচিব আছে তেখেতসকলৰ হাতত এনে আবেদন দাখিল কৰিলে সেই বিষয়া সকলে উপযুক্ত সময়ত সেই আবেদন সমূহ মূখ্যমন্ত্ৰীৰ ওচৰত পেচ নকৰে নেকি ? এনে বিষয়া সকলৰ ওপৰত মুখ্যমন্ত্ৰীয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই যিকোনো ব্যক্তিৰ আবেদনৰ ওপৰত চেংশ্যন দি আছো। তেখেতে পি, পি, এচৰ হাতত দিয়াৰ কথা কৈছে সেইটো মই চাব লাগিব।

ডাঃ কমলা কলিতা : মই পি, পি. এচক নহয়, ব্যক্তিগত সচিবৰ হাতত দিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ এইটো মই চাম বাৰু।

শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীৰ সাহায্য পুজিৰ পৰা কি নীতিৰ ভিত্তিত কেন্সাৰ, টি, বি, হাৰ্ট পেচেন্ট আদিক ধন আবণ্টন কৰা হয় জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে চিকিৎসকৰ প্ৰমাণপত্ৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই এনে ধন আবণ্টন দিয়া হয়। কিছুমান বিশেষ ক্ষেত্ৰত যিসকল ৰোগী ভেলোৰ বা বোম্বাইলৈ যাবলগীয়া হয় এনে ৰোগীৰ ক্ষেত্ৰত ১০ হেজাৰকৈ টকা দিয়া হয়। অন্য সকলৰ ক্ষেত্ৰত ৪ হেজাৰকৈ দিয়া হয়।

শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে যে মূখ্যমন্ত্ৰী সাহায্য পূজিৰ পৰা সাহায্য পাবৰ কাৰণে এতিয়া কিমানখন আবেদন আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আবেদন যেতিয়া পাও লগে লগেই সাহাৰ্য্য দিয়া হয়। মোৰ হাতত বৰ্তমান এখনো আবেদন নাই।

Mr. Speaker : Now, Question No. 27. Honourable Chief Minister to reply.

## বিষয় : তথ্য আৰু জন-সংযোগ কাৰ্য্যালয় ।

শ্ৰীবিনোদ গোৱালাই সুধিছে :

*২৭। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সৰুপথাৰ সমষ্টিৰ ধনশিৰী মহকুমাৰ তথ্য আৰু জনসংযোগ কাৰ্য্যালয় মঞ্জুৰ হৈ থকা চৰকাৰৰ অৱগত নে

(খ) যদি অৱগত, আজি পৰ্য্যন্ত কাৰ্য্যালয়টো মুকলি নকৰাৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) ব্যৱস্থা লোৱা হৈছে ।

শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, এতিয়া জানিব পাৰিছো যে ধনশিৰী মহকুমাৰ তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যালয় মঞ্জুৰ হৈছে আৰু জানিব পাৰিছো যে এজন বিষয়াকো নিযুক্তি দিয়া হৈছিল । মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে সেই কাৰ্য্যালয়টো কেতিয়াকৈ মুকলি কৰা হব আৰু বিষয়াজনে কেতিয়াকৈ তাত গৈ কামত যোগদান কৰিব ? কিয়নো উক্ত কাৰ্য্যালয়টো এতিয়াও মুকলি কৰা হোৱা নাই ।

শ্ৰীহিতেশ্বৰ শইকীয়া, ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত থকা থকা তথ্য মতে ধনশিৰী মহাকুমাৰ সৰুপথাৰত ১৯৯০ চনৰ ফেব্ৰুৱাৰী মাহত এজন বিষয়াক নিযুক্তি দিয়া হৈছিল । কিন্তু পিচত চৰকাৰে তেওঁক ইয়াতে থাকিবলৈ নিৰ্দেশ দিয়ে । এতিয়া সেই বিষয়া জনক যোৱা ৩১ আগষ্ট তাৰিখে ৰিলিজ্ কৰি দিয়া হৈছে আৰু তেখেতে এতিয়া সৰুপথাৰত গৈ যোগদান কৰিব ।

দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে অসমত যি কেইখন নতুন জিলা আৰু মহকুমা গঠন কৰা হ'ল সেই সকলো বোৰতে তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া আছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, সকলোতে এই বিষয়া সকলক এই পৰ্য্যন্ত দিব পৰা হোৱা নাই যদিও দিয়াৰ কাৰণে বৱস্থা লোৱা হৈছে ।

দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰা মহকুমাত এই বিষয়া নিযুক্তি দিয়া হৈছেনে নাই মুখ্যমন্ত্ৰীয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই তথ্য বৰ্তমান মোৰ হাতত নাই ।

Mr. Speaker : Now, Question No. 28. Honourable Chief Minister to reply.

বিষয় : তীৰ খেলা ।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

★২৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী চহৰৰ পৰা এখন অবৈধ তীৰ খেলা চলি থকাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই অবৈধ খেল প্ৰতিৰোধৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) বাইহাটা চাৰিআলিতো এখন তীৰ খেল চলি থকাটো সচা নেকি ?

(ঘ) যদি সঁচা, ইয়াৰ বন্ধ কৰাৰ বাবে প্ৰশাসনে কেনে ব্যৱস্থা হাতত লৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গুৱাহাটী চহৰত কোনো অবৈধ তীৰ খেল চলি থকা নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) সঁচা নহয় ।

(ঘ) প্ৰশ্ন নুঠে ।

শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সদনত তীৰখেল সম্পৰ্কত যি উত্তৰ দিছে তাত মই সন্তুষ্ট নহয় । মই জানো যে বাইহাটা চাৰিআলিত এই অবৈধ তীৰখেলা চলি আছে, অথচ মুখ্যমন্ত্ৰীয়ে চলা নাই বুলি কৈছে । এই তীৰখেলত পুলিচৰ ওপৰ মহলাৰ পৰা তলৰ মহলালৈকে টকাৰ হিচাব চলি থাকে । এই তীৰখেলে আজি এচাম লোকৰ জীৱন ধ্বংস কৰিছে । মই এই মাননীয় সদনত আজি আন্তৰিকতাৰে

আহ্বান জনাইছো যে তীৰখেলৰ বিষয়ে এই সদনত এক বিস্তাৰিত আলোচনা কৰা হওঁক।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কথাটোৰ সত্যতা নাই। গুৱাহাটী চহৰৰ ওচৰত থকা বাইহাটা চাৰিআলিত তীৰখেলৰ যি আড্ডা আছে সেই আড্ডা ধৰা পৰিছে। বাইহাটাৰ আৰক্ষী বিভাগে ১৯৯০ চনৰ জুন মাহৰ ৫ তাৰিখে সেই সকলক জব্দ কৰি গ্ৰেপ্তাৰ কৰে আৰু তেতিয়াৰ পৰা তাত তীৰখেলা হোৱা নাই।

শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, আমাৰ এটা সদন কমিটি গঠন কৰিব লাগে আৰু এই সদন কমিটিয়ে গৈ ক'ত তীৰখেল চলি আছে আৰু পুলিচে তাৰ কিমান টকাৰ ভাগ পাইছে তাৰ অনুসন্ধান কৰিলেই সকলো জানিব পাৰিব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সদন কমিটিৰ প্ৰয়োজন নাই, এই বিষয়ে মই নিজে অনুসন্ধান কৰাম।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে অসমত তীৰখেল নাই বুলি কৈছে। কিন্তু এই তীৰখেলৰ টিকটৰ ব্যৱসায় গুৱাহাটীৰ পল্টন বজাৰৰ 'চেভেন ষ্টাৰ' নামৰ এটা অৰ্গেনাইজেচনে চলাই আছে। ৰাজ্যৰ গৃহ বিভাগৰ হাতত এই বিষয়ৰ তথ্যপাতি নথকাটো আচৰিত কথা।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই তীৰখেল নাই বুলি অস্বীকাৰ নকৰো। তীৰৰ টিকট বিক্ৰী কৰাৰ কাৰণে ১৯৯১ চনৰ জানুৱাৰী মাহৰ পৰা মুঠ ৭ টা কেচ ধৰা হৈছে আৰু ইয়াৰ ওপৰত ব্যৱস্থা লোৱা হ'ব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, অসমতো মেঘালয়ে এই তীৰখেলা চলাই আছে। মেঘালয়ৰ সীমাৰ পৰা ৭/৮ কিলোমিটাৰ অসমৰ ভিতৰত যি তীৰখেলা চলি আছে সেই খেলা বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এলেকাৰ ভিতৰত চলি থকা কেইটামান কেচ আমাৰ পুলিচে ধৰিছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, এই তীৰখেলক জুৱা

বোলেনে নাই? তীৰখেলা বুলিলে জুৱা খেলা হয়নে নহয়? এই তীৰখেল গুৱাহাটী চহৰত চলি আছেনে নাই?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই তথ্য মোৰ হাতত নাই।

## বিষয় : যন্ত্ৰবিহীন যান-বাহনৰ চলাচল বন্ধ।

শ্ৰীনগেন শৰ্মাই সুধিছে :

*২৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী চহৰত বৰ্দ্ধিত জনসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি চহৰৰ মূল পথ সমূহত যন্ত্ৰ বিহীন যান-বাহন চলাচল বন্ধ কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰা হৈছে, কোন কোন পথত যন্ত্ৰ বিহীন যান-বাহন চলাচল বন্ধ কৰা হৈছে?

(গ) যদি কৰা নাই, যন্ত্ৰ চালিত যান-বাহন চলাচলৰ সুবিধাৰ বাবে বন্ধ কৰা হ'ব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গুৱাহাটী চহৰৰ মূল পথ সমূহত ৰিক্সাৰ বাহিৰে অন্যান্য যন্ত্ৰবিহীন যান-বাহন চলাচলৰ ওপৰত কিছু পৰিমাণে বাধা নিষেধ আৰোপ কৰা হৈছে।

(খ) মূল পথ সমূহত এই ব্যৱস্থা লোৱা হৈছে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ গুৱাহাটীয়েই হৈছে প্ৰধান নগৰ। এই গুৱাহাটীত যিমান পৰিমানৰ যান-বাহন বৃদ্ধি হৈছে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি যন্ত্ৰবিহীন যান-বাহন সমূহৰ মূল পথ সমূহত নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিলে জনসাধাৰণ যথেষ্ট শলঠেকত পৰিব। মুখ্যমন্ত্ৰী মহোদয়ে অচিৰে এ, টি, ৰোড, জি, এন, বৰদলৈ ৰোড আৰু পল্টন বজাৰ, দিশপুৰ এই পথ সমূহত যন্ত্ৰবিহীন যান-বাহন চলাচল বন্ধ ৰখাৰ ব্যৱস্থা কৰিব নোৱাৰেনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কিছু নিয়ন্ত্ৰণৰ

ব্যৱস্থা আছে। ৰিক্সাৰ বাহিৰে অন্যান্য যন্ত্ৰবিহীন যান-বাহনৰ চলাচল ৰাতিপুৱা ৮ বজাৰ পৰা ১২-৩০ বজালৈ বন্ধ কৰাৰ ব্যৱস্থা আছে। অৱশ্যে ৰিক্সাৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য নহয়।

শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে এই সময় চোৰাত সঁচাকে বন্ধ ৰখা হয়নে নহয়?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো অনুসন্ধান কৰি চাম।

## Re : Bodo Detenus in Jails

Shri Karendra Basumatary asked :

*30 Will the Chief Minister be pleased to state :

(a) So far, how many Bodo detenus have been kept in Jails in connection with the Bodo Land agitation ?

(b) If so, why the detenus under TADA etc. have not been released ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

(a) 106 Persons.

(b) They have not yet been released as cases with charges of heinous crimes are pending against them in the designated Courts.

Shri Karendra Basumatary : Mr. Speaker Sir, I want to know if in the name of general amnesty the ULFA activitis can be released why not the Bodos ? As far as my knowledge goes there are many Bodo detenus in the Mangaldai Jail. How many Bodo detenus under TADA have been released from Mangaldoi Jail ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই কিছু দিনৰ আগতে তেখেতৰ লগত এই বিষয়ে আলোচনা কৰিছিলো আৰু সেইমতেই ৩৪ জনক এৰি দিয়া হৈছে।

Shri Parameswar Brahma : Mr. Speaker, Sir, there are many Bodo detenus under TADA. Police arrested them

purposefully with concocted charges. In the name of general amnesty ULFA activists have been released although it is a cessationist organisation. But we the Bodos are demanding Bodoland under the provisions 2, 3, and 4 of the Constitution raising our voice against the discrimination and deprivation done against the Bodo people. But in the name of general amnesty the cessationist and anti national elements of ULFA have been released, and not the Bodos. Why this discrimination ?

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, there is no discrimination. Certain specific cases were against them and they were arrested. As I have told them earlier in our discussion that final charge report is not completed. But they can go on bail. General amnesty for ULFA activists is a separate matter. We have appealed to them to release the hostages. That has been done under certain position.

Shri Holiram Terang : Mr. Speaker Sir, the Chief Minister has stated that some 60 persons have been released already and other detenus cannot be released, as there are charges of heinous crimes against them. But the same State Government and the same Chief Minister has stated that even if there are charges of heinous crimes against the ULFA activists they shall be released on the condition that they are to release the hostages. Under this condition laid down by the Government if the ULFA detenues even with the charge of henious crimes against them they will be released. What is the criterion by which the Bodo and other detenus will be judged ? So why the Bodo

detenus with the charges of heinous crimes cannot be released under the same condition ? Does Government have different policy for ULFA and different policy for Bodos ?

Shri Hiteswar Saikia (Chief Minister). As I said we made the appeal to them to release all the ULFA detenus if they release the 8 hostages and come for talks.

Shri Holiram Terang : Mr. Speaker Sir, if the Bodos kidnap Goverment officials, will the Bodo detenus be released ?

Shri Hiteswar Saikia (Chief Minister) : Let us see.

(Starred Question No. 31 was deferred)

বিষয়ঃ গুৱাহাটী লোকসভা সমষ্টিৰ ভোটাৰ।

শ্ৰীযতীন মালীয়ে সুধিছে :

*৩২. মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিগত (১৯৯১) সাধাৰণ নিৰ্বাচনত গুৱাহাটী লোকসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা কিমান আছিল ?

(খ) যোৱা সাধাৰণ নিৰ্বাচনত সমষ্টিটোৰ মুঠ ভোটাৰৰ কিমানজনে ভোটদান কৰিছিল ?

(গ) সমষ্টিটোৰ ভেলিড ভোট আৰু নাকচ হোৱা ভোটৰ সংখ্যা কিমান আছিল ?

(ঘ) প্ৰতিগৰাকী প্ৰাৰ্থীয়ে উক্ত সমষ্টিৰ অন্তৰ্গত প্ৰতি বিধান সভা সমষ্টি ভিত্তিত কিমানটাকৈ ভোট লাভ কৰিছিল (বিধান সভা সমষ্টিৰ নাম আৰু ভোটৰ সংখ্যা দিব)?

ঙ) জয়ী হোৱা প্ৰাৰ্থী গৰাকীয়ে মুঠ ভোট কিমান পাইছিল ? (বিধান সভা সমষ্টি ভিত্তিত ভোটৰ সংখ্যা দেখুৱাব)।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গুৱাহাটী লোকসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা : ১০,৬৭,৪৯০।

(খ) মুঠ ভোটদান কৰা ভোটাৰৰ সংখ্যা : ৭,৪৬,০২৯ + ৬৭ ( Postal ballot ) = ৭,৪৬,০৯৬।

(গ) সমষ্টিটোৰ বৈধ (Valid) ভোটৰ সংখ্যা
৭,১১,৫১০ + ৬০ (Postal ballot) = ৭,১১,৫৭০।
নাকচ হোৱা ভোটৰ সংখ্যা : ৩৪৫১৯ + ৭ (Postal ballot)
= ৩৪,৫২৬।

(ঘ) বিধান সভাৰ মজিয়াত বিৱৰণী ৰখা হ'ল। (See at Annexure II)

(ঙ) জয়ী হোৱা প্ৰাৰ্থী গৰাকীয়ে লাভ কৰা মুঠ ভোটৰ সংখ্যা :—
১,৬৯,৬২৮। ৰিধান সভা সমষ্টি ভিত্তিত ভোটৰ সংখ্যা :—

| | |
|---|---|
| ৩৬—দুধনৈ (অঃ জঃ জাঃ) | ১৭,৬১১ |
| ৪৮—বকো (অঃ জাঃ) | ২৯,৯১৫ |
| ৪৯—ছয়গাওঁ | ১৫,৩২২ |
| ৫০—পলাশবাৰী | ৪,৩৫১ |
| ৫১—জালুকবাৰী | ১৩,১৯৫ |
| ৫২—দিশপুৰ | ১৫,৬৫৩ |
| ৫৩—গুৱাহাটী পূব | ১৮,৩৮৫ |
| ৫৪—গুৱাহাটী পশ্চিম | ১৩,৩৭৬ |
| ৫৫—হাজো | ১২,৪০৬ |
| ৬০—বৰক্ষেত্ৰী | ২৯,৩৯৭ |
| পোষ্টেল বেলট— | ১৭ |
| | ১,৬৯,৬২৮ |

শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে সমষ্টিৰ অন্তৰ্গত কিমান জনে ভোট দিছে আৰু প্ৰত্যেক গৰাকী প্ৰাৰ্থীয়ে কিমানকৈ ভোট পালে এই সংখ্যা দুটা সঠিক ভাবে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ধৰক তেখেতে যিখিনি ভোট পাইছে বাকী কেইজনে বেলেগ ধৰণে অৰ্থাৎ কম পৰিমানে পাবই।

শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, সমষ্টিৰ অন্তৰ্গত যি প্ৰাৰ্থীয়ে ভোট পালে অৰ্থাৎ ভেলিড ইনভেলিডৰ কিবা তাৰতম্য হৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ভেলিড ভোট বিলাক কাউণ্ট কৰা হৈছে আৰু বাকী ইনভেলিড বিলাক কাউণ্ট কৰা হোৱা নাই।

শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাৰতম্য সংখ্যা পিছত দিলে ভাল হয়।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, দিয়া হ'ব।

শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে অসমৰ ১৯৯১ চনৰ সাধাৰণ নিৰ্বাচনৰ যি মিক্স চিচ্‌টেম কৰা হ'ল সেইটো সিদ্ধান্ত নিৰ্বাচনী আয়োগৰ পৰামৰ্শ মতে লোৱা হৈছিল নে অন্য কোনোবা ৰাজনৈতিক নেতাৰ পৰামৰ্শ নে বিষয়াৰ সিদ্ধান্ত অনুসৰি লোৱা হৈছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মুখ্য নিৰ্বাচনী আয়োগৰ পৰামৰ্শ মতেই এইটো কৰা হৈছিল।

### বিষয় ঃ অসম সচিবালয়ৰ বিষয়া।

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে :

★৩৩ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম সচিবালয়ত কিমানজন বিষয়া কৰ্মচাৰী আছে।
( IAS আৰু ACS বিষয়া বাদ দি )

(খ) সচিবালয়ত থকা বিষয়া কৰ্মচাৰীসকলৰ কিমানজন বিষয়া কৰ্মচাৰী অবিভক্ত গোৱালপাৰা জিলাৰ ?
( বঙাইগাওঁ জিলা, গোৱালপাৰা জিলা, কোকৰাঝাৰ জিলা আৰু ধুবুৰী জিলাৰ।
জিলা ভিত্তিত বিষয়া কৰ্মচাৰীসকলৰ সংখ্যা উল্লেখ কৰিব। )

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

( ক ) ২৯৮২ জন।

| | | |
|---|---|---|
| (খ) ধুবুৰী জিলাৰ | — | ২৬ জন। |
| গোৱালপাৰা জিলাৰ | — | ৩০ জন। |
| কোকৰাঝাৰ জিলাৰ | — | ১১ জন। |
| বঙাইগাওঁ জিলাৰ | — | ৯ জন। |

শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, অসম সচিবালয়ত মুঠ ২৯৮২ জন তাৰে গোৱালপাৰা জিলাত শতকৰা হিচাপত উলিয়ালে ২.৪ পাৰ্চেণ্ট হয়। গোৱালপাৰাৰপৰা দিয়া হয় মুঠ ৩%। বঙাইগাওঁ জিলাৰ সচিবালয়ত চাকৰী বাকৰীৰ কাৰণে অবিভক্ত গোৱালপাৰা জিলাৰ অৱহেলা কৰা হৈছে নেকি? যদি হৈছে কি কাৰণত অৱহেলা কৰা হৈছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অৱহেলা কৰা নাই। পৰীক্ষা ভিত্তিত কৰা হৈছে।

শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে অৱহেলা কৰা নাই। যদি কৰা নাই ভৱিষ্যতে সচিবালয়ত বা অসমৰ বিভিন্ন ঠাইত চাকৰীৰ বাকৰীৰ কাৰণে গোৱালপাৰা জিলাৰ পৰা যিসকল প্ৰাৰ্থী থাকিব সেইসকলৰ ভিতৰত বিশেষ কিবা ব্যৱস্থা থাকিব নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মহকুমা ভিত্তিত হলে দিয়া হব।

শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মই মহকুমা ভিত্তিত কোৱা নাই। ৰাজ্যপালৰ ভাষণত এবাৰ কথা আছিল যে বৰাক উপত্যকাৰ থলুৱা ৰাইজক চাকৰী বাকৰীত অগ্ৰাধিকাৰ দিয়া হব। কিন্তু গোৱালপাৰা জিলাতে কম আছে। বঙাইগাওঁত, অবিভক্ত গোৱালপাৰা জিলাত চাকৰী বাকৰী ক্ষেত্ৰত বিশেষ সুবিধা দিব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ অভিযোগ হৈছে যে বৰাকত চাকৰীৰ প্ৰাৰ্থী কম। আমি জিলা বা মহকুমা ভিত্তিতহে পৰীক্ষালৈ নিযুক্তি দিয়া হৈছে।

দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ভাবে নেকি যে বিধান সভা সচিবালয়ত যিবোৰ প্ৰাৰ্থী আছে ৰাজ্যখনৰ জন সংখ্যা অনুসৰি থলুৱা প্ৰাৰ্থী খুউব কম। অবিভক্ত গোৱালপাৰা জিলাত ৯৮৩ জনৰ

ভিতৰত মাথোন এই জিলাৰ পৰা ৪২৭ জনেহে পায়। তেখেতে ভাবে নেকি যে এই জিলাখনত জনসংখ্যা বা মানুহ মুঠেই নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পৰীক্ষা বিলাক গুৱাহাটীত হয়। দূৰৰ পৰা খুউব কম সংখ্যক প্ৰাৰ্থীহে পৰীক্ষালৈ আহে। নৰ্থ কাচাৰ আৰু কাচাৰৰ পৰা খুউব কমেই আহে।

দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, পপুলেশ্বন ভিত্তিত প্ৰাৰ্থী বৃদ্ধি কৰা হ'ব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো কৰা হব।

শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এতিয়ালৈকে কিমানক চাকৰী দিয়া হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : সেই তথ্য মোৰ হাতত নাই। অধ্যক্ষ মহোদয়, সেই বিষয়ে পিচত জনাম।

( Starred question No. 34 was deferred )

**Re : Bodo Land Issue.**

Shri Parameswar Brahma asked :

* 5 Will the Chief Minister be pleased to state :

(a) What is the policy of the State Government to solve Bodo Land Issue ?

(b) Whether the State Government propose to cooperate with the Centre in evolving a permanent solution of the Bodo Land Issue ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) State Government will decide its policy on receipt of the report of the Three Members Expert Committee.

(b) Yes.

Shri Parameswar Brahma : Sir. what the Honourable Chief Minister has stated. I am not satisfied with his

reply. Because, what has been done till now and what has been told till now by the Government of India so far the Bodo Land Issue is concerned, the Chief Minister is contradicting in this way. What recommendations the Three Members Expert Committee will put forward to the Government, the Chief Minister stated sometimes back that the Government of Assam is not binding to accept the recommendations. Sir, if it is true, it will be very much embarrasing for the Bodo people, and in that case, the agitation which has been so vigorously launched by the Bodo people, kept under suspension they have to take immediate steps to skort more vigorous movement. I want to request the Chief Minister to clarify that it will follow the recommendations of the Three Members Expert Committee to solve the Bodo Land Issue

Shri Hiteswar Saikia (Chief Minister) : Sir, at the time of the formation of this Expert Committee, all these points were stated and clarified. I donot want to repeat it further. Only, we will have to wait till the recommendation of the Expert Committee are out.

Shri Promode Chandra Gogoi : Sir, whether the State Government has submitted any Memorandum before the Three Members Expert Committee is formed ? Whether this Memorandum is submitted to the Government of India, if it is so, what are the recommendations ?

Shri Hiteswar Saikia (Chief Minister) : Sir, we have not submitted any Memorandum, nor we have decided to do so.

Shri Giasuddin Ahmed : Sir, the question is, what the State Govrenment has to say to solve the Bodo Land Issue. To create a separate State out of present Assam,

there is a demand, what the Government has to say about it ?

Shri Hiteswar Saikia, ( Chief Minister ) : Sir, I have already stated about this in earlier statements. I have not any much to say. It was placed in the House also.

**Re : S.C. and S. T. quota in Assam Police.**

Shri Milan Boro, asked :

*36. Will the Chief Minister be pleased to state :

(a) Whether the quota for S. T./S. C. has been filled up in the Assam Police ?

(b) If not, what is the back-log ?

(c) What special measure would be taken up to fill up this backlog ?

Shri Hiteswar Saikia, ( Chief Minister ) replied :

(a) The S.T./S.C. quota has been filled up except a small back-log in respect of S. T. ( Hills ).

(b) 2.31./' in respect of S. T. ( H ).

(c) Government is considering a special drive for recruitment of S. T. (H) candidates.

শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০ চনৰ ৰাজ্য চৰকাৰে ৫০০ জন নিবনুৱা জনজাতীয় যুৱকক নিযুক্তি দিয়া হব বুলি ঘোষণা কৰিছিল। সেই ৫০০ জন যুৱকক নিযুক্তি দিয়া হৈছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো কেতিয়া ঘোষণা কৰা হৈছিল।

শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০ চনত।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো মই চাব লাগিব।

Shri Parameswar Brahma : Sir, will the Honourable Chief Minister follow the laid down rules for recruitment of SC

and ST candidates and its required quotas in appointing police personnels ?

Shri Hiteswar Saikia, (Chief Minister) : Yes Sir, so far new recruitments are concerned, due adherence to this backlog in reservation for ST and SC will be made.

Mr. Speaker : Now, the Question Hour is over.

## UNDISPOSED STARRED QUESTION

(Starred question Nos. 37, 38, 39, were not called for want of time. However written replies deemed to have been laid on The Table as follows)

### বিষয় ঃ অৰ্থ সাহায্য

শ্ৰীগ্ৰছাহাক আলীয়ে সুধিছে :

*৩৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে সন্ত্ৰাসবাদীসকলৰ হাতত নিহত লোকসকলৰ পৰিয়াল বৰ্গলৈ ১ লাখ টকা অৰ্থ সাহায্য দিয়াৰ সিদ্ধান্ত লোৱাটো স'চানে ?

(খ) যদি স'চা কিমান সংখ্যক লোক সন্ত্ৰাসবাদীসকলৰ হাতত নিহত হৈছিল ?

(গ) ১৯৮৩ চনৰ সাধাৰণ নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ বাবে সন্ত্ৰাসবাদীসকলৰ দ্বাৰা যধে মধে আক্ৰান্ত হৈ নিহত হোৱা নিৰীহ লোকসকলৰ পৰিয়াল বৰ্গক উক্ত সিদ্ধান্তৰ ভিত্তত অনা হবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, স'চা।

(খ) ৮২১ জন।

(খ) বিবেচনা কৰা নাই।

### বিষয় ঃ গোলাঘাটক পূৰ্ণ পৰ্য্যায়ৰ জিলা প্ৰদান

শ্ৰীহেমপ্ৰকাশ নাৰায়ণে সুধিছে :

*৩৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) প্ৰশাসনক বাইজৰ কাষলৈ লৈ যোৱাৰ চৰকাৰৰ ঘোষিত নীতিৰ আধাৰত গোলাঘাট জিলাক পূৰ্ণ পৰ্য্যায়ৰ এখন জিলাৰ আৱশ্যকীয়

সকলো প্ৰশাসনীয় বিভাগত পৰিপূৰ্ণভাৱে পূৰ্ণ মৰ্য্যাদা প্ৰদান কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) এই জিলাৰ দুখন উল্লেখযোগ্য নগৰ দেৰগাওঁ আৰু বোকাখাট দুয়োখনকে মহকুমা ঘোষিত কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) এই সম্পৰ্কে চৰকাৰে ইতিমধ্যেই ব্যৱস্থা গ্ৰহণ কৰিছে আৰু যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে।

(খ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় : উগ্ৰপন্থীৰ আত্মসমৰ্পণ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

*৩৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সদ্য সমাপ্ত ৰাষ্ট্ৰপতি শাসন কালত আৰু বৰ্তমান চৰকাৰৰ দিনত কিমান জন উগ্ৰপন্থীয়ে আত্মসমৰ্পণ কৰিছে।

(খ) এনে আত্মসমৰ্পণ কেনেকৈ কোন কোন আৰু ক'ত কৰিছে ?

(গ) আত্মসমৰ্পণ কৰা উৎসৱত সৰ্বমুঠ কিমানজন উগ্ৰপন্থীয়ে কি কি অস্ত্ৰ জমা দিছে ?

(ঘ) আলফাই আত্মসমৰ্পণ কৰা উৎসৱত উত্তৰ লক্ষীমপুৰ জিলাত অনুষ্ঠিত কৰোতে তাত কোন কোন বিষয়া উপস্থিত আছিল আৰু সৰ্বমুঠ খৰচ (ভ্ৰমণ যানচ, চাহ জলপান, হেলিকপ্তাৰৰ খৰচ আদিত) কিমান ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৬৫ জন উগ্ৰপন্থীয়ে আত্মসমৰ্পণ কৰিছিল।

(খ) (নামৰ তালিকা অনুবদ্ধ সূচী "ক"ত ৰখা হৈছে) (See the list at Annexure III) ১৬২ জন সৈন্যবাহিনীয়ে ৩১।৩।৯১ ইং তাৰিখে দোলাঘাট চাহবাগিছাত পতা আত্মসমৰ্পণ অনুষ্ঠানত আত্মসমৰ্পণ কৰে। শ্ৰীদিপাংকৰ শৰ্মা আৰু মৃদুল বৰুৱাই ৩১।৫।৯১ ইং তাৰিখে পলাশবাৰী আৰক্ষী চকীত আত্মসমৰ্পণ কৰে। শ্ৰীবিন্দু পাটৰ ওৰফে বিনোদ বৰদলৈয়ে ২১।৬।৯১ ইং তাৰিখে অৰুনাচল প্ৰদেশৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে।

(গ) নিম্ন উল্লিখিত অস্ত্র আৰু বিস্ফোৰক পদাৰ্থ আত্মসমৰ্পণ অনুস্থানত পোৱা হয়।

| | | |
|---|---|---|
| (১) | এচ বি বি এল বন্দুক | —১৬ টা |
| (২) | এচ বি এম্ এল বন্দুক | — ১ টা |
| (৩) | হাতে তৈয়াৰ কৰা বন্দুক | — ৪ টা |
| (৪) | ২২ বোৰ পিষ্টল | — ১ টা |
| (৫) | ৩৮ বোৰ পিষ্টল | — ১ টা |
| (৬) | দিটোনেটৰ | —৫০ টা |
| (৭) | বিস্ফোৰক পদাৰ্থ | — ৪৫ কে:জি: (প্ৰায়) |
| (৮) | চেফটি ফিউজ | —২০ টা |
| (৯) | হাত বোমা | — ১ টা |

(ঘ) উত্তৰ লক্ষীমপুৰ জিলাত আলফাৰ আত্মসমৰ্পণ উৎসৱ অনুস্থিত কৰোতে অসমৰ ৰাজ্যপাল, তেখেতৰ গা-ৰক্ষী, ৰাজ্যপালৰ উপদেষ্টাদ্বয় সৰ্বশ্ৰী কে, এন প্ৰসাদ আৰু পি, পি, শ্ৰীবাস্তৱ, গৃহ আয়ুক্ত আৰু আৰক্ষী সঞ্চালক প্ৰধান তালৈ গৈছিল। ইয়াৰোপৰি সৈন্যবাহিনীৰ কেইজনমান বিষয়াও তাত উপস্থিত আছিল। ৰাজ্য চৰকাৰৰ বিষয়া বৰ্গই নিয়মানুযায়ী দৈনিক ভাট্টা পাইছিল। উক্ত অনুস্থানত চাহ-জলপানৰ কোনো খৰচ হোৱা নাছিল আৰু ৰাজ্য চৰকাৰৰ ফালৰপৰা হেলিকপ্তাৰো অধিগ্ৰহণ কৰা হোৱা নাছিল।

(Starred question No. 40 was deferred)

## UNSTARRED

## QUESTION AND ANSWERS

### বিষয় : অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

১২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ১৯৮৬ চনৰপৰা ১৯৯১ চনৰ পহিলা আগষ্টলৈ ৰাজ্যখনত সন্দেহযুক্ত উগ্ৰপন্থী আলফা, আৰ্মকা আৰু আবচুৰপৰা কিমান অস্ত্ৰ-শস্ত্ৰ পুলিচে, বা সৈন্য বাহিনীয়ে বা অৰ্দ্ধ সামৰিক বাহিনীৰ লোকে উদ্ধাৰ কৰিলে ?

(খ) উদ্ধাৰ হোৱা অস্ত্ৰ শস্ত্ৰ কাৰ পৰা কোন তাৰিখে কি কি উদ্ধাৰ কৰিছিল, তালিকা এখন সদনত দাখিল কৰিব।

(গ) উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰ বৰ্তমান ক'ত আছে ?

(ঘ) উক্ত সময়ছোৱাৰ ভিতৰত উগ্ৰপন্থীয়ে কিমান আৰু কি কি অস্ত্ৰ-শস্ত্ৰ কাঢ়ি নিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) উগ্ৰপন্থীৰ পৰা উদ্ধাৰ কৰা মুঠ অস্ত্ৰ-শস্ত্ৰ অনুবন্ধ "খ"ত দিয়া হৈছে। (See at Annexure IV)

(খ) আৰু (গ) ৰাজহুৱা স্বাৰ্থ আৰু গোপনীয়তাৰ খাটিৰত জনাব পৰা নেযায়।

(ঘ) উগ্ৰপন্থীয়ে কাঢ়ি নিয়া মুঠ অস্ত্ৰ-শস্ত্ৰ অনুবন্ধ "গ"ত সন্নিবিষ্ট কৰা হৈছে। (See at Annexure V)

**Re : Recruitment of Tribal or Bodo Youths**

Shri Karendra Basumatary asked :

13. Will the Chief Minister be pleased to state :

(a) Whether un-employed Tribal or Bodo youths will be absorbed during the year 1991-92 in Police and Battalion services as per declared policy of the present Government ?

(b) If so, how many tribal youths will get service ?

(c) Whether separate quota for tribal youths will be created for the above appointment ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) It would depend on vacancy position.

(c) A seperate quota is already maintained for appointment of ST(P) and ST(H) as per statutory Act.

(unstarred questicn Nos. 14 & 15 were deferred)

## বিষয় : সাংস্কৃতিক কেন্দ্র কাৰ্য্যালয়

শ্ৰীবিনোদ গোৱালাই সুধিছে :

১৬ মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সৰুপথাৰ সমষ্টিৰ সৰুপথাৰ সাংস্কৃতিক কেন্দ্ৰ কাৰ্য্যালয় মঞ্জুৰ হৈ থকা চৰকাৰৰ অবগত নে ?

(খ) যদি অবগত কিয় কেন্দ্ৰটো মুকলি কৰা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) অতি সোনকালে কেন্দ্ৰটো মুকলি কৰাৰ ব্যৱস্থা লোৱা হৈছে।

### Re : Schemes for Sports & Cultural Affairs

Shri Karendra Basumatary asked :

17. Will the Minister, Sports & Cultural Affairs be pleased to state :

(a) Any new Schemes taken by the Government during the financial Year 1991-92 for sports & Cultural Affairs ?

(b) Whether the Government has taken up any Schemes for development of Sports & Cultural ?

(c) If So, the schemes ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) In the Sports & Youth Welfare Department no new Scheme has been taken up during the year 1991-92.

In the Cultural Affairs Department 1 (one) new scheme has been taken up namely "Choreography workshop on dance & Music" for development of Art and Culture of the state.

(b) Yes.

(c) There are 8 (eight) no of schemes under Sports & Youth Walfare Department and 27 (twenty seven) no of Schemes under Cultural Affairs Department.

( See at Annexure VI & VII )

( unstarred question Nos. 18 & 19 were deferred )

### বিষয় : মহকুমা স্থাপন

শ্ৰীএছাহাক আলীয়ে সুধিছে :

২০ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে অসমৰ কোন ঠাইত নতুনকৈ মহকুমা স্থাপন কৰাৰ সিদ্ধান্ত লৈছে ?

(খ) পশ্চিম বৰপেটাৰ বৃহৎ চৰ অঞ্চলক সামৰি লৈ কলগাছিক কেন্দ্ৰ কৰি মহকুমা স্থাপন কৰাৰ বিষয়ে চৰকাৰে কি সিদ্ধান্ত লৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নতুন মহকুমা স্থাপনৰ কোনো সিদ্ধান্ত এতিয়া গ্ৰহণ কৰা নাই।

(খ) এনে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(unstarred question No 21 was deferred & unstarred question No. 22 was disallowed)

### Re : Bodo Land Issue

Shri Karendra Basumatary asked :

23. Will the Chief Minister be pleased to state :

(a) Whether Government consider that the Bodo Land Issue cou'd be solved within the framework of the Iadian Constitution ?

(b) If so, the policy taken by the Government in this regard ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) State Government will decide its policy on receipt of the report from the three member expert committee.

(unstarred question No. 24 was deferred)

**Re : House set on fire** ✓

Sri Tajendra Narzary asked :

25. Will the Chief Minister be pleased to state :

a) The Names of persons whose house-hold properties were set on fire during the course of Bodo agitation ?

b) The extent of damage in terms of money ?

c) Whether Government propose to rehabilitate them ?

d) If so, when ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Funds as per requisition of D.C's were placed with them for distribution as per norms.

b) Detail information on the above question have not yet been received from D.C's concerned.

c) These have already been called for.

d) Reply will be furnished on receipt of information.

## NO CONFIDENCE MOTION

Mr. Speaker : I have received a motion of no confidence under Rule 133(I) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly from Hon'ble Member Shri Zoii Nath Sarmah expressing want of confidences in the Ministry headed by the Hon'ble Chief Minister, Shri Hiteswar Saikia.

I find the motion in order. I now call upon Hon'-ble Member Shri Sarmah to move.

Shri Zoii Nath Sarmah : Sir, I beg leave of the House to raise a no confidence motion as given in my notice today:

Mr. Speaker : I read the motion "That the House do now express its no-confidence in the present Council of

Ministers as the Ministers led by Mr. Hiteswar Saikia has failed in respect of :

(a) Solving the burning issues of the State.

(b) Checking the price rise of the essential commodities.

(c) Gearing up the Administrative machinery for all round development of the State.

d) Checking the rampant corruption in every walk of life.

(e) Maintaining the "Law and order in the State."

I now request those Honourable Members who are in favour of the leave being granted to rise in their places.

(18 Honourable Members belonging to AGP were on their legs) Leave is granted. A date will be fixed in due course in consultation with the Business Advisory Committee.

I have also received a notice for Adjournment Motion moved by Honourable Members, Sarvashri Promode Gogoi, Bhrigu Kumar Phukan, Chandra Mohan Patowary, Sasakamal Handique, Jainal Abedin and Holiram Terang. I now request Honourable member, Shri Promode Gogoi to mvoe.

**Adjournment Motion**

Shri Promode Gogoi : Mr. Speaker, Sir, An adjournment motion under Rule 56 relates to an occurance of the State which took place yesterday. we are facing a grave situation, Sir. Yesterday as you know Mr. T. S. Raju, one of the hostages was killed and his body was found near the railway crossing in Simaluguri and secondly, Sir, yesterday in the early morning at 7.30 A.M. youngman, Bipul Mahanta was shot dead in his own house and till today the administration, both civil and Polices they have failed to arrest any person who killed Mr. Mahanta. This is not only the instance of a recent occurance it is also an issue of great

public importance. Sir, you have seen in the newspaper today that the families of those who are now hostages have approached the President of India to intervene in the situation. We know the agony of the family members ot those hostages and we also know the agony of the family members of late Mr. Raju who was never involved in any political affairs of the State. He was an Asstt Engineer (Production), ONGC. As a result cf the killing of Mr. Raju, Sir, I have got the information that ONGC employees including the officers, they have decied to go for an indefinite strike from today in the whole country and the result of the striks will be disastrous. This is not only the problem of Assam rather it is the problem of our whole country. If there is complete halt in the drilling operation and refining of Oil what will happen in the country, this we can easily understand. Therefore, it is a matter of great importance and secondly as you know, Sir, there is repercussion in Delhi also as reported in a section of press. The news that has come in the Sentinal today, it says – "A delegation comprising Hindi-speaking people from Assam today submited a memorandum to the President and the Home Minister, seeking safety of their lives and properties in the troubled state. Led by former Members of Parliament R. S. Khirhar and K. P. Pandey, the delegation later met Congress-I general Secy. and Parliamentary affairs Minister Ghulam Nabi Azad and demanded the removal of state Chief Minister, Hiteswar Saikia, who it alleged, had failed to check the activities of ULFA militants...." Therefore, Sir, you can understand the gravity

of the situation which has not only effected the normal life and activities of the people of this State but also of the whole country. A demand has also been made for removal of the Chief Minister or the removal of the Government. This is of course to be decided by their party High command. We are not pressing the demand at this stage. But we are aware of the gravity of the situation and therefore, we feel, the House be adjourned to discuss this situation arising out of the killing of Shri Raju and Shri Mahanta. Till today there are 7 more hostages in ULFA's custody., and nobody knows what will be their fate tomorrow. Therefore, Sir, this is a definite matter and of urgent public importance. Sir, it fulfils all the conditions required under Rule 57. Rule 57 (i) says—"not more than one such motion shall be made at the same sitting". Sir, this is the only motion that is being moved today. There are no other motion realating to this issue. Rule 57(ii) says—"not more than one matter can be discussed on the same motion, and the motion must be restricted to a specific matter of recent occurrence." Sir, our motion relates to the situation that took place only yesterday and we have not added any other matter in our motion of adjournment. Thirdly, Rule 57 (iii) says—"the motion must not revice discussion on a matter which has been discussed in the same session." Sir, we did not discuss the hostages issue or the killing of these two innocent persons on any day after the session had begun during this period. Fourthly, Rule 57 (iv) says—"the motion must not anticipate a matter which has been previously appointed for consideration or with reference to which a

notice of motion has been previously given, regard being had to the probability of the matter anticipated being brought before the House within a reasonable time. "and (v) says— "the motion must not deal with a matter on which a resolution could not be moved." —There was no scope to move a resolution on such a situation. Therefore, it is a fit case to be moved in an adjournment motion. Rule 57 (vi) says— "the motion shall not deal with any matter which is under adjudication by a Court of law having jurisdiction in any part of India." This question is also not under the jurisdiction of any court of law in the country. Rule 57(vii) says— "the motion shall not raise a question of previlege...." We have not raised any question of privilege. Rule 57 (viii) says— "that it must not relate to a matter which is not primarily the concern of the Government of the State. Sir ; our matter primarily concerns the State Government. Therefore, our motion fulfils all the conditions required under rule 57 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly.

Mr. Speaker, Sir, lastly I want to appeal to you and through you to all the Honourable members both in the opposition and the Treasury banches to consider the matter that has arisen today due to killing of citizens. Irrespective of our party differences and other reasons, we should try to find out a solution so that the crisis can be overcome. Therefore Sir, in the last session, we appealed to you to call a Secret session so that all the members belonging to the opposition and treasury benchan express their view

freely and frankly and arrive at a consensus as to how to over come this crisis. But Mr. Speaker Sir, you did not agree to this suggestion. Even to-day we feel there is a big gap between the approach of the Government and the approach of the different political parties. I feel that in the situation that has been prevailing we should try to find out a common approch and I am confident if there is a common approach we can find a solution to the hostage problem and the problem of TADA detenues and they can be released on good terms. Sir, we represent the people of Assam and also different constituencies and we want to see that the State of Assam be happy and its people live in happiness in future. Mr. Speaker Sir, if we do not rise to the occasion and if army is deployed what will happen ? I do not like to ellaborate on this issue now. if a discussion is allowed I shall ellaborate on these points Sir, you are aware that certain quarter made an effort to find out a solution, but that was sabotaged at different levels. Previous Governor of Assam Shri D. D. Thakur had made a sincere effort to find out a solution and he contacted the emmisary of the ULFA and they responded and a letter was written by the ULFA to the Governor of Assam agreeing to the proposal without any precondition to start a dialogue with Government of India but that was stopped. The former Governor was shocked to know that. Secondly Sir, I do not know whether it is true or not. A news has come out in the Indian Express on 8th September, 1991. I shall only read out that— "Saikia foils Pilot's bid to talk to ULFA" by Devsagar Singh dated New Delhi

September, 1991· "The Minister of State for Communications, Mr. Rajesh Pilot's attempts to secretly mediate between ULFA militants and the Assam Government were foiled by the Chief Minister, Mr. Hiteswar Saikia, and other Assam leaders''. I do not know whether this information is correct or not, but it was published from Delhi and it has got widest publicity in the country. Mr. Speaker Sir, through you to all members particularly treasury bench I appeal that let us try jointly to overcome this crisis. I am sure if we make an effort we can find out the solution and save Assam from agony and disaster. Therefore Sir, this is a fit case for adjourment motion where all the members of the different political parties can participate and express their views freely towards finding out a solution and overcome this crisis and save the people and the state from agony and disaster. Thank you sir.

*শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, আমি কেইবাটাও দল মিলি এটা সভা স্থগীত প্ৰস্তাৱ আনিছো, এইটো কাৰণে আনিছো যে যোৱা কালি আৰু পৰহি আলফা আৰু অসম চৰকাৰৰ মাজত মধ্যস্থতা কৰা এজন ডেকা যুৱক বিপুল মহন্তক হত্যা কৰা হৈছিল। তেওঁক ঘৰতে আৰু আলফাৰ লগত পনবন্দী হৈ থকা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ সহকাৰী অভিযন্তা টি, এছ, ৰাজুক হত্যা কৰা হৈছে। চাৰ, আজি অসমৰ আটাইতকৈ জলন্ত সমস্যা আলফা সমস্যা, পনবন্দী সমস্যা। আলফা আৰু অসম চৰকাৰ টনা আজোৰা এই ঘটনাত এজন মধ্যাস্থতাকাৰীক হত্যা কৰা হৈছে, পনবন্দীক হত্যা কৰা হৈছে তেনে অৱস্থাত আলোচনা কিয় হ'ব নোৱাৰে। চৰকাৰৰ এটা নীতি আছে যে এনেকুৱা পৰিস্থিতিত আমি শান্তি প্ৰতিষ্ঠা কৰিম। বৰ্তমান যিমান অত্যাচাৰ হৈছে অসমত আগতে কোনো দিনে হোৱা নাই। আমি অসমৰ ৰাইজৰ প্ৰতি-

* Speech not corrected.

নিধি ইয়াত অসমৰ ৰাইজৰ ভাগ্য নিৰ্ণয় কৰা হয়, শান্তি প্ৰতিস্থা কৰা হয়। আজি আমি এই হত্যাকাণ্ডৰ বিষয়ে কিয় আলোচনা কৰিব নোৱাৰো? এনে ধৰণৰ হত্যাকাণ্ড বাঢ়িবলৈ দিব নোৱাৰি। সেই কাৰণে আমি বিচাৰো আজি সদনৰ যি অন্যান্য কাৰ্য্যসূচী আছে তাক স্থগীত ৰাখি বিষয়টো আলোচনা হওঁক। এই বিষয়ে আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই কৈছেই —আমি ইয়াৰ ওপৰত গোপন বৈঠক বিচাৰিছো কিন্তু দিয়া হোৱা নাই। যিহেতু দিয়া হোৱা নাই আজি আমি সভা স্থগীত প্ৰস্তাব কিয় আলোচনা হব নোৱাৰো। মই মাত্ৰ এটা কথা কব বিচাৰিছো, ইয়াৰ উত্তৰত চৰকাৰৰ ফালৰপৰা কোৱা হব এইটো সাধাৰণ কথা এনে ধৰণৰ ঘটনা চলি আছে, এইবোৰ চলি থকা ঘটনা বুলি এটা যুক্তি দিব পাৰে। কিন্তু কালিলৈ আকৌ এজন মাৰি পেলাব, গতিকে বিষয়টো সদনত আমি আলোচনা কৰিব লাগে। এনেকুৱা সমস্যাৰ কি সমাধান দিব পৰা যায় এইটো আলোচনা নকৰিলে বা দায়িত্ব এৰাই যোৱাটো অনুচিত। গতিকে মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰো যে বিষয়টো আলোচনা কৰিবলৈ দিব লাগে।

Dewan Joinal Abedin : Mr. Speaker Sir, we have moved an adjournment motion on the dastardly incident of the murder of Shri T. S. Raju, an Engineer of ONGC and Shri Bipul Mahanta that took place only yesterday. Now Sir, the Rule 56 of the Rules of procedure and conduct of Business in Assam Legislative Assembly allows the demand for adjournment motion. The issue is a definite matter of public importance. Various political parties have moved for adjournment motion as it is very important so far as the State is concerned. It is also important for the country as a whole. It is a definite matter of recent occurrence of yesterday only. Our Chief Minister had also rightly said that the hostage issue is the most important issue before the Government today. Now, Sir, the people of Assam and for that matter the people of the country as a whole are looking towards the amicable settlement of this issue. The

Government is facing this issue for the last two month. The issue has arisen on the very day taking over of the Government. Different political parties had been asked to give their suggestions on this critical issue confronting the State. We have extended all co-operation to the Government for amicable settlement of this burning issue. We have felt the sentiment of the people of the State. Sir, unfortunately, we are shocked to know about the incident that occurred yesterday. We were expecting an amicable solution of the problem. It has now belived our expectation. Honourable Member, Shri Gogoi has said that one of the hostages has been killed. Due to this shocking incident, you can easily imagine the condition of the relatives of other hostages. They have moved to the Centre, to the Prime Minister and even to the president of the Country. Apart from that, different sections of the people of the State have similarly approached the Central Government seeking the safety of their life and property. So, Sir, this is a very serious matter of public importance. It is so important that the Government itself is solely occupied with the problem. It is also a problem of all political parties of the State. As a result of this problem, we should seriously ponder over this problem and find out solution at the earliest possible time. With the passage of time, the problem is taking a more and more serious turn. Therefore, we should not sit idle over this issue. We should postpone the day's business and discuss the issue threadbare to find out the ways and means. I would, therefore, submit that this matter is not only of public importance,

it is of recent occurrence also. This move meets all the conditions necessary for adjournment motion. It has been rightly said that it fulfills all the conditions laid down under Rule 56 and 57. It is a specific matter and not more than one such motion has been moved. It has not revived discussion in the same session. We are not going for any anticipation. This is not a matter on which Resolution could not be moved. It is a very important matter and a Resolution could be moved on it. It is not under adjudication of the Court of Law. It has not raised a question of privilege. It is very much the concern of the State Government. Therefore, Sir, I would like to submit that the adjournment motion may kindly be admitted and allowed to discuss the matter.

*শ্ৰীভৃগুকুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য-পৰিচালনা বিধিৰ ৫৭ নং নিয়ম অনুসৰি অসম বিধান সভাৰ আজি এটা সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিছে। যিটো ঘটনাৰ ওপৰত এই সভা স্থগিত প্ৰস্তাৱটো উত্থাপন কৰা হৈছে আৰু তাৰ পৰিপ্ৰেক্ষিতত যিখিনি যুক্তি দাঙি ধৰা হৈছে সেই ফালৰ পৰা এই সভা স্থগিত প্ৰস্তাবটো গৃহিত হব লাগে। সভাস্থগিত প্ৰস্তাৱত উল্লেখ কৰা বিষয়টো এটা অতি সুনিৰ্দিষ্ট বিষয় আৰু অতিশয় গুৰুত্বপূৰ্ণ। পনবন্দীক হত্যা কৰাটো কেতিয়াও দৈনন্দিন ঘটি থকা ঘটনা হব নোৱাৰে। এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয় আৰু এই বিষয়টোৱে যোৱা তুমাহ ধৰি ৰাজ্যখনত অতিশয় অনিশ্চয়তাৰ সৃষ্টি কৰি আহিছে। এই বিষয়টো আমি আগৰ অধিৱেশনটো আলোচনা কৰিবলৈ চেষ্টা কৰিছিলো। আমাক যদি তেতিয়াই এই বিষয়টো আলোচনা কৰিবলৈ দিলেহেঁতেন তেনেহলে হয়টো এতিয়া যিটো দুৰ্ভাগ্যজনক ঘটনা ঘটিল এইটো ঘটিবলৈ নাপালেহেঁতেন।

যি কি নহওঁক আজি এই বিষয়টো আলোচনাৰ বাবে আমি আপোনাৰ অনুমতি বিচাৰিছো। পনবন্দীসকলক কেন্দ্ৰ কৰি যোৱা কালি যি হত্যাকাণ্ড সংঘটিত হল সেই হত্যাকাণ্ডত অকল ৰাজ্যখনেই নহয় সমগ্ৰ দেশখনত প্ৰতি-

* Speech not corrected.

ক্ৰিয়াৰ সৃষ্টি হৈছে। এই অচল অৱস্থাৰ ওৰ পৰিব লাগে। এই ক্ষেত্ৰত বিষয়টো দলীয় স্বাৰ্থতকৈ উৰ্দ্ধত ৰাখি সমস্যা সমাধানৰ ক্ষেত্ৰত আগবাঢ়ি যাব লাগে। মই অনুভৱ কৰিছো আৰু নিশ্চিত হৈ পৰিছো যে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ শোচনীয় ভাৱে অৱনতি ঘটিছে। জনসাধাৰণক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত চৰকাৰ শোচনীয় ভাৱে ব্যৰ্থ হৈছে। এই কথা চৰকাৰে বহুবাৰ প্ৰকাশ কৰি আহিছে। এনে এটা অৱস্থাৰ অৱসান ঘটাবৰ কাৰণে আজি এই সভা-স্থগীত প্ৰস্তাৱৰ সদনত আলোচনাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে বুলি মই অনু-ভৱ কৰিছো। ৰাজ্যখনৰ আইন শৃংখলাৰ পৰিস্থিতিৰ বিষয়ে কব বিচাৰিছো যে বৰ্তমান পৰিস্থিতিত যি সমস্যাৰ সৃষ্টি হৈছে ই এক ৰাজনৈতিক সমস্যা আৰু ইয়াক ৰাজনৈতিক ভাৱে সমাধান কৰিব লাগিব। ৰাজ্যখনত বিকল্প ৰাষ্ট্ৰপতিৰ শাসনৰ কথা চিন্তা কৰিবলৈ গলে মই ভাবো পৰিস্থিতি আৰু জটিল কৰি তুলিব। ইয়াৰ বাবে শাসনাধিস্থ দল জগৰীয়া হব। এনে সিদ্ধান্তৰ পৰা বিৰত থাকিব লাগে বুলি অনুভৱ কৰিছো। গতিকে অধ্যক্ষ মহোদয়ে বিষয়টো আলোচনা কৰিবলৈ দিব বুলি অনুৰোধ জনালো।

*শ্ৰীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, সভাস্থগিত প্ৰস্তাৱটো দাখিল কৰা হৈছে নিৰ্দিষ্ট নিয়ম নীতিৰ মাজেদি। তাৰোপৰি কল ৫৮ ধাৰাত পদ্ধতিৰ নিৰ্দেশনা আছে। সেই পদ্ধতি মতে এই নটিচ বা জাননী দাখিল কৰা হৈছে। সভাস্থগিত প্ৰস্তাৱ সাধাৰণতে আইন শৃংখলাৰ ৰক্ষা প্ৰশ্নৰ লগত নিৰ্দিষ্ট ঘটনাক কেন্দ্ৰ কৰি টি, এচ, ৰাজু আৰু বিপুল মহন্তক হত্যা কৰাৰ লগতে বাকী ৭ জন পনবন্দীৰ জীৱনৰ নিৰাপত্তাৰ প্ৰশ্ন জড়িত হৈ আছে। ৰাজ্যখনৰ জনসাধাৰণ আতংক, উদ্বেগ আৰু উত্তেজনাৰ মাজত সময় অতিবাহিত কৰিব লাগিছে। সেই কাৰণে সভা স্থগিত প্ৰস্তাৱৰ অৱতাৰণা কৰিছো। মই ভাৱো সদনৰ অন্যান্য কাৰ্য্যসূচী স্থগিত ৰাখি এই গুৰুত্বপূৰ্ণ বিষয়টো আলোচনা কৰিব লাগে। কাৰণ আমি খবৰ কাগজত দেখা পাইছো টি. এচ. ৰাজুৰ মৃত্যুৰ লগে লগে অ, এন, জি, চিৰ কৰ্মচাৰীসকলে ধৰ্মঘট কৰিবলৈ লৈছে। কাম বন্ধ কৰাৰ হুমকি দিছে। ই এটা আইন শৃংখলাৰ লগতে অৰ্থনৈতিক সমস্যাৰ সৃষ্টি কৰিব। দেশৰ অগ্ৰগতিত সমস্যাৰ সৃষ্টি কৰিব। গতিকে আজি এই প্ৰশ্নটো আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু জলন্ত। অধ্যক্ষ মহোদয়, আপুনি লক্ষ্য কৰিছে এই সমস্যা

---

*Speech not corrected

অকল ইয়াতে সীমাবদ্ধ হৈ থকা নাই। অসমৰ বিভিন্ন ভাষাভাষী ৰাইজ, হিন্দী ভাষী ৰাইজ গৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰিছে যে শইকীয়া মন্ত্ৰীসভাৰ খাৰিজ কৰিব লাগে। এই কথা আমি বাতৰি কাগজত দেখা পাইছো। অৱশ্যে এইটো কংগ্ৰেছ দলৰ আভ্যন্তৰীণ বিষয়। ইয়াৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে অসম চৰকাৰৰ ওপৰত সকলো শ্ৰেণীৰ ৰাইজে আস্থা হেৰুৱাই পেলাইছে। গতিকে মই ভাবো ই এটা অতি গুৰুত্বপূৰ্ণ বিষয়। এই প্ৰশ্নৰ লগত মানুহৰ জীৱনৰ নিৰাপত্তাৰ প্ৰশ্ন জড়িত হৈ আছে। এই গুৰুত্বপূৰ্ণ বিষয়টো ৰাজনৈতিক স্বাৰ্থৰ উৰ্দ্ধত ৰাখি ৰাজনৈতিক মোকাবিলা কৰাৰ কাৰণে আলোচনা কৰিব লাগিব। যোৱা অধিবেশনত সভা স্থগিত প্ৰস্তাৱটো দাখিল কৰিছিলো। সেই সময়ত বিশ্ব-বিদ্যালয় চৌহদত যি ছাত্ৰক হত্যা কৰা হৈছিল, সেই বিষয়ত আমি আশা ৰাখিছিলো চৰকাৰে বিৰোধী দলক আস্থাত ৰাখিব, সংকীৰ্ণ ৰাজনৈতিক চিন্তাধাৰা বাদ দিব। মুকলি ভাৱে আলোচনা কৰি সদনৰ মজিয়াত সমস্যা সমাধান কৰাৰ পথ ওলাব। এই সভাস্থগিত প্ৰস্তাৱ গ্ৰহণ নহ'ল আৰু আলোচনা কৰিবলৈ নাপালো। আজি গুৱাহাটীৰ বুকুত পুৱা ৭-৩০ বজাত বিপুল মহন্তক হত্যা কৰা হ'ল। টি, এচ, ৰাজু ৰাজনৈতিক ব্যক্তি নহয় আৰু অসমৰ ৰাজনীতিৰ লগত জড়িত নহয়। অন্যান্য প্ৰদেশৰ পনবন্দী হৈ থকা পৰিয়াল বৰ্গ ই আশং-কাত আছে। অ, এন, জি. চিৰ মহিলা কৰ্মচাৰীয়ে আবেদন জনাইছে, এই কথা বাতৰি কাগজত গম পাইছো। যি কেইজন পনবন্দী জীৱিত আছে বুলি গম পাইছো সেই সকলৰ ভৱিষ্যত কি হব? মৃত্যুদণ্ড নিদিবৰ বাবে, জীয়াই ৰাখিবৰ বাবে আবেদন জনাইছে। মই ভাৱো ৰাজনৈতিক সমস্যা ৰাজনৈতিক ভাৱে আলো-চনা কৰিবৰ কাৰণে সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰিব লাগে। সংকীৰ্ণ ৰাজ-নৈতিক স্বাৰ্থৰ উৰ্দ্ধত থাকি এই সভা স্থগিত প্ৰস্তাৱটো আলোচনাৰ বাবে গ্ৰহণ কৰিব লাগে। মই ভাৱো চৰকাৰে এই প্ৰস্তাৱটো গ্ৰহণ কৰিবৰ বাবে ইচ্ছুক হব। মই আশা ৰাখিলো চৰকাৰে এই সভা স্থগিত প্ৰস্তাৱটো আলোচনা কৰি-বলৈ দিব।

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আজি সদনত অসমৰ ভয়ানক পৰিস্থিতিৰ ওপৰত যি সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰা হৈছে মই আশা ৰাখিছো অসমৰ ৰাইজৰ স্বাৰ্থত সভাস্থগিত প্ৰস্তাৱৰ প্ৰতি সহাৰি জনাই এই গোটেই

*Speech not Corrected

বিষয়টো খৰচি মাৰি আলোচনা কৰি এটা সমাধান সূত্ৰত উপনীত হোৱাত সহায় কৰিব বুলি আশা ৰাখিছো। এই ক্ষেত্ৰত আপোনাক নিবেদন জনাওঁ যে আজি সদনত পনবন্দী এচ, এচ, ডি, চি আৰু বড়ো সমস্যা আলোচনা কৰিবৰ কাৰণে বিৰোধী পক্ষৰ পৰা বাৰম্বাৰ কোৱা হৈছিল যে দৰকাৰ হলে গোপন বৈঠক কৰক। এইবিলাক কথাত সহাৰি জনোৱা হোৱা নাই। সভাস্থগিত প্ৰস্তাৱৰ যুক্তিযুক্ততাত এটা কথা কব বিচাৰিছো যে যিদিনা মুখ্যমন্ত্ৰী মহোদয়ে বিৰোধী পক্ষৰ সকলক লৈ এখন সভা আহ্বান কৰিছিল আৰু সেই সভাত সৰ্বসম্মতি-ক্ৰমে সিদ্ধান্ত হৈছিল যে সকলো টাডা বন্দীক মুক্তি দিয়া হলে তাৰ বিনিময়ত পনবন্দীক মুক্তি দিয়ক। সৰ্বদলীয় সভাৰ সিদ্ধান্তৰ প্ৰতি চৰকাৰে আওকান কৰাৰ ফলত এই পৰিস্থিতিৰ অৱনতি হল। এই কথাটো মোৰ মনত ভাৱ হৈছে যে পনবন্দী কেইজনক মুক্ত কৰাৰ বাবে চৰকাৰ আগ্ৰহী নহয়। কাৰণ প্ৰথম দিনৰ অধিবেশনত মুখ্যমন্ত্ৰীয়ে প্ৰশ্নোত্তৰত এই কথাটো কৈছে যে আলোচনাত, অসমৰ সমস্যা সমাধান কৰাৰ বাবে তেখেতক সম্পূৰ্ণ কৰ্তৃত্ব দিছে আৰু দিল্লীৰ লগত আলোচনা কৰি আছে। এতিয়া মোৰ মনত ভাৱ হৈছে যে এই সমস্যা চৰ-কাৰে নিজে জটিল কৰি তুলিছে।

The Speaker Mavalankar said, "The crucial test always is as to whether the question proposed to be raised has arisen suddenly and created an emergent situation of such a character that there is prima facie case of urgency and the House must therefore leave aside all other business and take up the consideration of the urgent matter at the appointed hour. The urgency must be of such a character that the matter really brookes no delay and should be discussed on the same day the notice has been given' এদমিচিবিলিটী সম্পৰ্কত দুটা কথা দাঙি ধৰিব বিচাৰিছো— The Speaker Mavalankar said— "(a) relate to a single specific matter (b) not to be couched in general terms nor cover a great number of cases and (c) have a factual basis"

এইটো স্পষ্টভাৱে স্পীকাৰ মৌলাংকাই ৪৪৪ আৰু ৪৪৫ পৃষ্ঠাত কৈ গৈছে।

এই বিষয়টো আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। আজি অসমত আন সমস্যাও আছে। অৰ্থনৈতিক সমস্যা, মূল্য বৃদ্ধি সমস্যা এই সকলো আছে। কিন্তু নিৰাপত্তা হীনতাৰ অভাৱে এই সকলো বিলাকক তল পেলাইছে বুলি আমি সকলোৱে ভাবো। আৰু এইখিনিতে এডমিচিবিলিটিৰ যিটো কথা উঠিছে, এই এডজৰ্ণমেণ্ট মোচনৰ ক্ষেত্ৰত এটা ডেফিনিট মেটাৰ লাগে। ইয়াতকৈ বেচি কি ডেফিনিট মেটাৰ হব পাৰে। এই ডেফিনিট মেটাৰৰ ক্ষেত্ৰত সুন্দৰকৈ ইয়াত দিয়া আছে।

The Speaker Mavalankar said. "A matter is urgent only if it is of very recent occurrence and must be raised at the first available opportunity. Matters arising during the period when the House in not in session should be raised on the first day the House meet"... (at page 451 of Practice and Procedure of Parliament by Shri M. N. Kaul and Shri A. S. L Shakdher)

ফেকচুৱেল বেচিচৰ কথা আমি কব নালাগে। সেই বাবে মই কওঁ যে যিহেতুকে ইয়াত এটা ডেফিনিট মেটাৰ আছে সেয়ে সভা স্থগিত প্ৰস্তাৱটো অনুমোদন জনাব লাগে অসমৰ ৰাইজৰ স্বাৰ্থৰ বাবে। আৰু এটা কথা কব খুজিছো—the matter is recent and yesterday it happened. এই মেটাৰটো ও ৰিচেণ্টই হৈছে। এইটো যোৱা কালিৰ ঘটনা। আমি অহা কালিলৈও যোৱা নাই। গতিকে ইয়াতকৈ আৰু বেচি ৰিচেণ্ট কি হব পাৰে। এইখিনিতে মই এটা কথা কব বিচাৰিছো যে, এডমিচিবিলিটি অব মেটাৰৰ ক্ষেত্ৰত ইয়াত স্পষ্টকৈ লিখা আছে যে—the matter must be of Public importance. মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে আপোনাৰ জৰিয়তে অনুৰোধ কৰিব খোজো যে অসমৰ বৃহত স্বাৰ্থৰ খাটিৰত এই এডজৰ্ণমেণ্ট মোচনটো অনুমোদন দিব লাগে। অসমৰ বিভিন্ন সমষ্টিৰ পৰা ৰাইজৰ প্ৰতিনিধি হৈ আমি আহিছো। ৰাইজৰ দুখ দুৰ্গতিৰ সময়ত আমি যদি আলোচনা নকৰো তেন্তে আমি কেৱল মিউনিচিপালটিৰ বিল পাচ কৰিলে ৰাইজৰ দুখ দুৰ্গতি দূৰ কৰা নহব। ৰাইজৰ বাবেও আমি ভাৱিব লাগিব। অধ্যক্ষ মহোদয় আপুনিও কথাটো বিবেচনা কৰি চাওক। আমি দেখুৱাই দিছো। আজিৰ কাৰ্য্যবিৱৰণীত মাত্ৰ মুখ্যমন্ত্ৰীৰ ফাইনেন্সিয়েল ষ্টেটমেণ্টটোৰ বাহিৰে বিশেষ একো গুৰুত্ব দিবলগীয়া আইটেম নাই। তাৰোপৰি তেখেতে কি ষ্টেটমেণ্ট দিব। পকেটত পইচা

নাথাকিলে কি ফাইনেন্সিয়েল ষ্টেটমেণ্ট দিব আমি সেইটো সকলোৱে জানো। গতিকে ইয়াৰ ওপৰত ষ্টেটমেণ্ট দিয়াতকৈ দেশৰ বিত্তীয় পৰিস্থিতি কি হ'ব, সেইটোহে আচল কথা। এটা কথাৰে আমি পৰিস্থিতিটো বুজাই দিব পাৰো যে, কাৰোবাৰ কলিজাত কেন্সাৰ হৈছে তাক আকৌ খৰৰ চিকিৎসা কৰিছে। এইখিনিতে মই এটা কথা কব খুজিছো যে ডেভিয়েট কৰি আছে। অৰ্থাৎ ফালৰি কাটি গৈ আছে। মুখ্যমন্ত্ৰীয়ে কৈছে এমনেষ্টি ইনটাৰনেচনেলৰ কোনো বিষয়াক তেওঁ চিনি নাপায়। কিন্তু মই জনাত এমনেষ্টি ইনটাৰনেচনেলৰ শ্ৰীঅজিত বেজ নামৰ এজন বিষয়া, যিজন ১৯৮৩ চনত মুখ্যমন্ত্ৰীৰ শাসন কালত আৰ্টফেডৰ মেনেজিং ডাইৰেক্টৰ আছিল। এতিয়া সুবিধা বুজি তেখেতে নিচিনা হৈ পৰিছে। এইখিনিতে মই এটা কথা পঢ়ি দিছো— যিখন মুখ্যমন্ত্ৰীৰে চিঠি ৮ জুলাই তাৰিখে ৰেডিও টি. ভিৰ জৰিয়তে প্ৰচাৰ কৰা হৈছিল। এই চিঠিখনৰ পৰাই গম পোৱা যায় কি দৰে ইচ্ছাকৃত ভাৱে ফালৰি কাটি যোৱাৰ চেষ্টা কৰা হৈছে। তেখেতে নিজেই কৈছে যে— এই আমন্ত্ৰণ প্ৰসংগতে গুৰুতৰ ধৰণৰ অভিযোগ নথকা আলফা কৰ্মী আৰু সমৰ্থকক মুকলি কৰি তেওঁলোকৰ পিতৃ মাতৃৰ কাষলৈ ঘূৰাই পঠিওৱাৰ কথা কৈছিলো। সেই মতেই তেওঁলোকক মুকলি কৰি দিবলৈ আজি নিৰ্দেশ দিয়া হৈছে। ইয়াৰ পাচত তেখেতে কৈছে— "কিন্তু আমি এইখিনিতে ৰৈ যাব খোজা নাই।" এইখিনিতে আচল কথা। "বাৰ্তৰি কাকতৰ জৰিয়তে সংগঠনটোৱে ৬ জন কৰ্মীৰ মুক্তি বিচাৰিছে কিন্তু শান্তিৰ স্বাৰ্থত আৰু আলোচনাৰ পৰিবেশ গঢ়ি তুলিবলৈ বুলি আমি আটাইকে মুকলি কৰি দিবলৈ ঠিৰাং কৰিছো।" এইদৰে ডিৰেক্টৰ অৱ ইনফৰমেচন আৰু পাবলিক ৰিলেচন কাৰ্য্যালয়ৰ জৰিয়তে ৰাইজক জনোৱাৰ পাচত বাৰগেইনিং কৰি কিছু লোকৰ প্ৰাণনাশ কৰাৰ কথাটো আমি বুজিব পৰা নাই। আমাৰ মাননীয় সদস্য শ্ৰীহলিৰাম টেৰং মহোদয়ে চিন্তিত হৈ প্ৰশ্ন কালত সুধিছে যে অপহৰণ কৰি নিয়া ব্যক্তিসকলক এৰি দিলে যিদৰে আলফা কৰ্মীসকলক এৰি দিব বুলি কোৱা হৈছে, সেইদৰে আমাৰ বড়ো সকলেও অপহৰণ কৰিলে দোষী সকলক এৰি দিব নেকি? মুখ্য মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কৈছে 'চেষ্টা কৰিম'। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে তেখেতে সমস্যা সমাধান কৰিব বিচৰা নাই। সমস্যাৰ জটিলতাহে আনিব বিচাৰিছে। গতিকে আমি সভা স্থগিত প্ৰস্তাৱটোৰ প্ৰতি যিখিনি যুক্তি যুক্ততা দাঙি ধৰিব লাগে সেইখিনি দাঙি ধৰিছো।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যিখিনি বিষয় আলোচনা কৰাৰ কাৰণে আহিছে তাৰ ভিতৰত যিটো বিষয়ে ষ্টেটমেণ্ট দাখিল কৰাৰ বিষয়টো আহিছে সেইটোৰ বাহিৰে আলোচনা কৰাৰ কাৰণে কোনো গুৰুত্বপূৰ্ণ কথা ইয়াত আলোচনা কৰাৰ কাৰণে বিষয় নাই। বিত্তীয় ব্যৱস্থা কি হ'ব সেইটো জনা আছে কিয়নো এপইচাও নাই। বিত্তীয় বিষয়ৰ আলোচনাটো পিচতো আনিব পাৰিব। গতিকে এইবিলাক কথা এৰিয়া বাদ দি সভা স্থগিত প্ৰস্তাৱটো আনিব লাগে কিয়নো সভা স্থগিত প্ৰস্তাৱটোৰ বিষয়টো প্ৰতিজন লোকৰ লগত ঘটি আছে আৰু অসমৰ মানুহৰ লগত সম্পৰ্ক আছে সেয়ে সভা-স্থগিত প্ৰস্তাৱটো সদনত আলোচনা কৰাৰ কাৰণে মোৰ বক্তব্য ডাঙি ধৰি সামৰণি মাৰিলো।

Mr. Speakar: Now Honourable Parliamentary Affairs Minister will speak.

শ্ৰীগোলোক ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় সভা স্থগিত প্ৰস্তাৱটো সদনত অনাৰ সন্দৰ্ভত মাননীয় সদস্যসকলে নিজ নিজ বক্তব্য উত্থাপন কৰি নিজৰ নিজৰ অনুভূতি প্ৰকাশ কৰিছে আৰু বৰ্তমান পৰিস্থিতিৰ সাপেক্ষে যিখিনি কথা ডাঙি ধৰিছে তাৰ ওপৰত আমাৰ ফালৰ পৰা বক্তব্য ডাঙি ধৰিব বিচাৰিছো। প্ৰস্তাৱটো হৈছে—

"The House do now adjourn to discuss the grave situation arising out of killing of hostages and other citizens on 8th September, 1991 and failure of the Government to protect lives and properties of the citizens".

গতিকে ইয়াত দুটা কথা আছে। এটা হৈছে গ্ৰেভ চিটুৱেশ্যেন আনটো হৈছে ফেইলাৰ অৱ দি গভৰ্ণমেণ্ট। মাননীয় অধ্যক্ষ মহোদয়, যি দুজন ব্যক্তিক হত্যা কৰিলে সেই সম্পৰ্কত আমাৰ ফালৰ পৰা আমি বিৰোধিতা কৰাই নহয় এনে ঘটনা যাতে ভৱিষ্যতে সংঘটিত হব নোৱাৰে ইতিমধ্যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কাগজে-পত্ৰে নিজা মত প্ৰকাশ কৰিছে সেই কাৰণে আমি হত্যাকাণ্ডটো সমৰ্থন কৰা নাই। কিন্তু কথাটো হৈছে হত্যাকাণ্ডৰ ওপৰত উদ্ভৱ হোৱা পৰিস্থিতি আমি আলোচনা কৰিব বিচৰা হৈছে নেকি আৰু সেই কথাটো সদনত আনিবৰ কাৰণে সভা স্থগিত প্ৰস্তাৱ আহিছে। কিন্তু সভা স্থগিত প্ৰস্তাৱ সদনত আনিবৰ কাৰণে আমাৰ সদনৰ কিছুমান নিয়মাৱলী আছে। কেনে ধৰণৰ বিষয়-

বস্তুৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ আনিব লাগে বা আনিব পাৰে তাৰ কাৰণে আমাৰ সদনৰ নিয়মাৱলীত স্পষ্টভাবে নিৰ্দেশনা দিয়া আছে আৰু সেই নিৰ্দেশনা মতে যদি এই প্ৰস্তাৱটো অহা নাই ভেনে ক্ষেত্ৰত এই প্ৰস্তাৱটোৰ ওপৰত যিমানেই সহানুভুতিশীল নহওক লাগে এই প্ৰস্তাৱটো উত্থাপন কৰিব পৰা নহব। কি পটভূমিত প্ৰস্তাৱটো আনিব বিচৰা হৈছে সেইটো বিচাৰ কৰি চাব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, সভা স্থগিত প্ৰস্তাৱ অনাৰ ক্ষেত্ৰত আমাৰ ৰুলচ অব্‌ প্ৰচিডিয়ৰচ কণ্ডাক্ট অব বিজিনেচৰ ৰুল-৫৭ত কেইটামান কথা দিছে, মই আটাই-কেইটা পঢ়ি দিব বিচৰা নাই। যদি ৰুলচত কেইটামান কথা যদি ফুলফিল কৰে আৰু কেইটামান নকৰে তেতিয়াহলে I quote from Rule 57, Sub-section 3.

"The motion must not revive discussion of a matter which has been discussed in the same session."

প্ৰস্তাৱটো উত্থাপন কৰি মাননীয় সদস্য শ্ৰীভৃগু কুমাৰ ফুকন দেৱে কৈছে যে আইন শৃংখলাৰ অৱনতি ঘটিছে এই বিষয়টো বিধান সভাত আলোচনা কৰিব লাগে। কিন্তু এই বিষয়ে প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে আগতেই কেইবাবাৰো আলোচনাত অংশ গ্ৰহণ কৰি বক্তব্য ডাঙি ধৰিছে। এতিয়া এনেকুৱা এটা অৱস্থা হৈছে যে প্ৰতি দিনেই আমাৰ মুখত অসমৰ কথা ওলাই আছে আৰু কোনো দিনে অসমৰ আলোচনা নকৰাকৈ সদনত বাদ পৰা নাই। অকল সেইটোয়েই নহয়—

"Matters which are coming before the House from day to day by way of questions, Half-an-hour discussion etc. can not be raised through an adjournment motion"

মই উল্লেখ কৰিছো আনকি আমাৰ যি জিৰো আৱাৰচৰ আলোচনা আৰু স্পেচিয়েল মোচনত যি আলোচনা প্ৰায়বিলাকৰ ক্ষেত্ৰতেই আলফাৰ বিষয়ে আলোচনা কৰি থকা হৈছে। গতিকে সভা স্থগিত প্ৰস্তাৱ আমি নতুনকৈ আলোচনা কৰা ভাৰোপৰি অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই কৈছে যে এইটো আজিৰ ঘটনা নহয়, তুমাহতকৈ বেচি দিন হ'ল এই ঘটনাৰ। এই বিষয়লৈ আলোচনা কৰোতে এই ক্ষেত্ৰত তেখেতসকলে আৰু এটা যুক্তি ডাঙি ধৰিছে। যোৱা কালি হত্যাকাণ্ড হোৱাৰ পাচত আমাৰ অ', এন, জি, চিত ধৰ্ম-ঘট হব আৰু তাৰ প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী হ'ব। কিন্তু ৰোলত যিটো আছে সেই মতে অ, এন, জি, চিৰ কৰ্মীসকলৰ ৰক্ষনা-বেক্ষন দিয়াৰ দায়িত্ব অসম চৰকাৰৰ কিন্তু

ভাত যদি কিবা ধৰণৰ ষ্ট্ৰাইক, ধৰ্মঘট হৈ আইন শৃংখলাৰ উশৃংখল সৃষ্টি হয় তেতিয়াহলে সেই দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। সেই কাৰণে মই চাব-ৰোল-এ ত যিটো দিয়া আছে সেই মতে—

Sub Rule 8 ... "It must not relate to a matter which is not primarily concerned of the State Government'.

গতিকে ল এণ্ড অৰ্ডাৰৰ ওপৰত তেখেতসকলে আলোচনা কৰিবলৈ যিটো মোচন আনিব বিচাৰিছে সেইটো—

Regardng law and order they can raise issues. In this connection, I would like to quote from kaul and Sakder.

"If it relates to question taken by authorities under due administration of law".

গতিকে এইটো চিতুয়েচন আমি ক্ৰিয়েট কৰিলে নহব। সকলোৱে কৈছে যে বিষয়টো পাব্লিক্ ইমপৰটেন্স আছে, হয় আছে। পাব্লিক ইম্পৰটেন্স থকা বিষয়ত সভা স্থগিত প্ৰস্তাৱ আনিব পাৰে কিন্তু পাব্লিক ইম্পৰটেন্স বুলি কলে বহুত ধৰণৰ কথা আছে। গতিকে এইবিলাক কথা সদায়ে হৈ আছে। গতিকেই পাব্লিক ইম্পৰটেন্স থকা বস্তু নহয়। বিষয়টোত পাব্লিক ইম্পৰটেন্স নাই বুলি কোৱা নাই কিন্তু সভা স্থগিত প্ৰস্তাৱ আনিব পৰা পটভূমিত তাৰ পাব্লিক ইম্পৰটেন্স নাই। কাউল আৰু চাকধেৰৰ মতে। গতিকে বিষয়টো ৰিচেণ্ট ও কাৰেণ্ট নহয়। মোক ক্ষমা কৰিব যিসকলে সদায় আলফাৰ কথা কয় সেইসকলৰ ফালেই চাই কৈছো। গতিকে এনে ধৰণৰ পাব্লিক ইম্পৰটেন্সৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ আহিব নোৱাৰে। গতিকে যিটো পটভূমিত হত্যাৰ কথা কৈছে সেই পটভূমিত আলফাৰ কথা ৰাজনীতিৰ কথা আলোচনা কৰিবই লাগিব। আজি তুমাহে তেওঁলোকক পনবন্দী কৰি ৰখা হৈছে তাৰ পিচত হত্যা কৰাটো অতি করুণ যাৰ কাৰণে আমি সকলোৱে এই হত্যা কাণ্ডক গৰিহনা দিছো। এই হত্যাৰ পাছত নিশ্চয় ৰি-একচনো হব। গতিকে মই ভাবো বিষয়টো সভা স্থগিত প্ৰস্তাৱত নপৰে।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে যি যুক্তি দিলে এই যুক্তিত আমি সচাকৈ দুখ পাইছো। তেখেত মোৰ পৰম বন্ধু আৰু সদনৰ এজন অতি জেষ্ঠ সদস্য তেখেতে কিছুমান তুলুণ্ডা যুক্তিৰে এনেকুৱা গুৰুত্বপূৰ্ণ বিষয়টোৰ পৰা আতৰি যোৱাটো আৰু উপলুণ্ডা কথা কোৱাটো উচিত নহয়।

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী ) : I strongly object to the words upolonga. অধ্যক্ষ মহোদয়, এই উপলুঙা শব্দটোত আপত্তি জনাইছো, মই কোনো উপলুঙা কথা কোৱা নাই।

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সংসদীয় মন্ত্ৰীৰ উত্তৰৰ প্ৰত্যুত্তৰত কব বিচাৰিছো প্ৰথমে তেখেতে কৈছে যে বিষয়টো এটা বিষয়ৰ ওপৰত অনা হৈছে। হয় মোচনটো এটা দিশৰ ওপৰত অনা হৈছে। গতিকে বিষয়টোৰ ওপৰত চৰকাৰ আইন শৃংখলাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা বাবে কাৰণ যোৱা কালি এই মহা নগৰীৰ চান্দমাৰী পুলিচ থানাৰ ওচৰত ৰাতিপুৱা ৭'৩০ বজাত শ্ৰীবিপুল মহন্তক ঘৰৰ ভিতৰতে হত্যা কৰিলে। ইয়াতকৈ কি ৰিচেণ্ট ওকাৰেঞ্চ হব পাৰে। গতিকে বিষয়টো সদনত আলোচনা কৰাত কি আপত্তি কৰিবলগীয়া আছে। কাৰণ ঘটনাটো ঘটিছে ৮ তাৰিখে যোৱা কালি। ইয়াত এটা প্ৰশ্ন উঠিব পাৰে যে সিদিনাও মহন্তই হস্তেজৰ কথাটো উলিয়াইছিল কিন্তু সেই হস্তেজৰে এজনৰ মৃত্যু হৈছে গতিকে হস্তেজৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ আনিব নোৱাৰে বুলি কেনেকৈ কব পাৰে। এতিয়াও তেওঁলোকৰ হাতত ৮ জন পনবন্দী আছে আৰু সেই ৮ জনৰ যোৱা কালি এজনক মৃত অৱস্থাত পোৱা হৈছে আৰু পোৱা হৈছে স্বয়ং মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিৰ ঘৰৰ ওচৰত মাত্ৰ ২ কিঃ মিঃ আতৰত। আনহাতে গুৱাহাটী মহানগৰীৰ ভিতৰতে চান্দমাৰী পুলিচ থানাৰ ওচৰতে এটা গুৰুত্বপূৰ্ণ ঘটনা ঘটিছে। সংসদী পৰিক্ৰমা মন্ত্ৰী ও, এন, জি, চিৰ যিটো ধৰ্মঘট সেইটো ৰাজ্য চৰকাৰৰ বিষয় বস্তু নহয় বুলি কৈছে। কিন্তু আমি গম পোৱা মতে ও, এন, জি, চিৰ এই ঘটনাটোক লৈ অকল অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে তাৰ প্ৰতিক্ৰিয়া হৈছে। কাৰণ তেওঁলোকে অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে অনিৰ্দিষ্টকাললৈ ধৰ্মঘট কৰিব বুলি জানিব পাৰিছো। এতিয়াও ও, এন, জি, চিৰ ৪ জন বিষয়া তেওঁলোকৰ পনবন্দী হিচাপে আছে। তেওঁলোকক জীৱন্ত অৱস্থাত পাব বিচাৰিছে। তেওঁলোকক জীৱন্ত অৱস্থাত আনিব নোৱাৰিলে গোটেই ভাৰতবৰ্ষতে এটা ডাঙৰ প্ৰতিক্ৰিয়া হব। এই চাৰিজন পনবন্দী হৈছে শ্ৰীএচ. এচ. গুপ্তা. কৃষ্ণ পাল, শ্ৰীকেচি মাহান্তি আৰু শ্ৰীবাস্তৱ। গতিকে এওঁলোক বিভিন্ন প্ৰদেশৰ লোক, গতিকে বিভিন্ন ঠাইত নিশ্চয় প্ৰতিক্ৰিয়া হব। ইতিমধ্যে আমি খবৰৰ কাগজত দেখিছো যে শ্ৰীমাহান্তিৰ পৰিবাৰে যোৱা কালি ৰাষ্ট্ৰপতিক দেখা কৰিছে আৰু তেওঁৰ হাতত স্মাৰক পত্ৰ দি ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ বিচাৰিছে গতিকে যিসকল পনবন্দী আছে তেওঁলোকৰ পৰিয়ালৰ মানসিকতা কি আমি অনুভৱ কৰিব পৰা

নাই ? তেওঁলোকৰ প্ৰতি কি আমাৰ সহানুভূতি নাই ? মন্ত্ৰী মহোদয়ে বিষয়টো আলোচনা কৰিব নুখুজিব পাৰে কিন্তু যিবিলাক কথাৰ অৱতাৰণা কৰিছে ই সচাকৈ তেখেতৰ দৰে এজন জেষ্ঠ মন্ত্ৰীৰ পৰা আশা কৰা নাছিলো। আইন শৃংখলাৰ কথা কওতে ও, এন, জি, চিৰ ধৰ্মঘট ইয়াৰ ভিতৰত নপৰে বুলি কৈছে। ও, এন, জি, চি কম্পলেক্সটোৰ ভিতৰত আমাৰ কৰণীয় নাথাকিব পাৰে কিন্তু তেওঁলোকৰ বিষয়াক মৃত অৱস্থাত বাহিৰত পালে তাৰ কাৰণে কি চৰকাৰৰ দায়িত্ব নাই নেকি ? আমাৰ যিবিলাক নীতি নিয়ম আছে সেই নীতি নিয়মবিলাকক কেতিয়াবা কেতিয়াবা আমাৰ অন্তৰায় হয় নেকি ? মোৰ বোধেৰে এই নীতি নিয়মবিলাকে সভা স্থগিত প্ৰস্তাৱৰ বাধাৰ সৃষ্টি কৰা নাই।

অধ্যক্ষ ডাঙৰীয়া, আপোনাক মই নিবেদন কৰিব বিচাৰিছোঁ। আমি সদনৰ প্ৰতিনিধি, আপুনি আমাৰ অধ্যক্ষ। আজি সমগ্ৰ অসমৰ মানুহে সদনৰ ফালে চাই আছে, আমি জীৱন্ত মানুহৰ প্ৰতিনিধি কৰিব বিচাৰিছো, আমি মৃত দেহাৰ প্ৰতিনিধিত্ব কৰিব বিচৰা নাই। অধ্যক্ষ ডাঙৰীয়া আমাৰ বিশ্বাস আপুনিও নিবিচাৰে এই সদনৰ অধ্যক্ষ হিচাবে। সেই কাৰণে আমি যোৱাবাৰ সদনৰ এটা গোপন অধিবেশন বিচাৰিছিলোঁ যাতে চৰকাৰে নিজৰ কথা কব পাৰে আৰু আমিও আমাৰ কথা কব পাৰো। বৰ্তমান সময়ত চৰকাৰৰ যি চিন্তা ধাৰা তাৰ লগত বিভিন্ন বিৰোধী দলৰ যি চিন্তাধাৰা তাৰ প্ৰাৰ্থক আছে : মাননীয় পাটোৱাৰী ডাঙৰীয়াৰ বক্তব্যৰ ওপৰত মাননীয় মন্ত্ৰী ৰাজবংশী ডাঙৰীয়াই যি নিয়মৰ কথা পাঠ কৰি দেখুৱাইছে তাৰ লগত তাৰ পিচৰ কাৰ্য্য কলাপৰ সামাঞ্জস্য নাই। এই গোটেই কথাবিলাক এতিয়া মই আলোচনা কৰিব নিবিচাৰোঁ। আমাৰ কথা হৈছে চৰকাৰে পনবন্দীসকলক জীৱন্ত অবস্থাত উদ্ধাৰ কৰক, আৰু আমাৰ দৃঢ় বিশ্বাস আমি সকলোৱে প্ৰচেষ্টা কৰিলে এই সমস্যাৰ সমাধান কৰাটো অসম্ভৱ নহব, তাৰ কাৰণে লাগিব মাথো উমৈহতীয় প্ৰচেষ্টা। আজি যদি আমি এই বিষয়টো আলোচনা কৰিব নিবিচাৰো তেতিয়াহলে ইতিহাসে কেতিয়াও আমাক ক্ষমা নকৰিব, অসমৰ ভৱিষ্যত যুৱকসকলে আমাৰ ওপৰত বিচাৰ কৰাৰ অধিকাৰ আছে আমাৰ ৰায়ে চুৰান্ত ৰায় নহব। আমাৰ সমস্যা এইদৰে চলি থাকিলে সামৰিক বাহিনী প্ৰয়োগ কৰি আমাৰ যুৱকসকলৰ কবৰ তৈয়াৰ হওক, এনে অৱস্থা চৰকাৰে বিচাৰে নে কি ? সামৰিক বাহিনীয়ে এইবাৰ আমাৰ যুৱকসকলক তিনিটা ভাগত ভাগ কৰি কেটেগৰি (এ), (বি), আৰু (চি)। যিসকল (এ) কেটেগৰি, সেইসকলক এনকাউন্টাৰত হত্যা কৰিব। অধ্যক্ষ ডাঙৰীয়া, দিপীলা চকত ৫ জন

যুৱকক বি, এচ, এফে ধৰি আনি হত্যা কৰিলে। সামৰিক বাহিনীয়ে আমাৰ যুৱক সকলক হত্যা কৰক এইটো আমি নিবিচাৰো। (বি) কেটেগৰিত পৰা যুৱকসকলক ধৰি আনি হাত ভৰি বান্ধি পঙ্গু কৰি দিব আৰু (চি) কেটেগৰিত যুৱকসকলক ইলেট্ৰিক চক আদি দি নৃশংস ভাবে হত্যা কৰিব, যিবিলাক সামৰিক বাহিনীয়ে আগতে কৰি আছিছে। এইবিলাক আমি নিবিচাৰো, আমাৰ দৃঢ় বিশ্বাস চৰকাৰেও নিবিচাৰে। সেই কাৰণে মই অনুৰোধ জনাইছোঁ, চৰকাৰে এই বিষয়টো মান সন্মানৰ প্ৰশ্ন হিচাবে লব নালাগে। আমি আলোচনাৰ মাজেৰে ৰাজনৈতিক মতানৈক্য দূৰ কৰি অসমখনক কেনেকৈ এই বিপদৰ পৰা উদ্ধাৰ কৰিব পৰা যায় তাৰ বাবে উমৈহতীয়াভাৱে চিন্তা কৰাৰ দৰকাৰ।

যোৱাবাৰ অধিবেশনত আপুনি গোপন অধিবেশনৰ কথাটো গ্ৰাহ্য নকৰিলে। এই সদনতো আপোনাক বহুবাৰ কোৱা হৈছে। আগতে আমি শ্বিলঙত এইদৰে গোপন অধিবেশন পাতি মাজ নিশালৈকে আলোচনা কৰাৰ পৰম্পৰা আছে। অধ্যক্ষ ডাঙৰীয়া, আপুনি আমাৰ পৰিচালক, ভাৰতবৰ্ষৰ মানুহে অসমৰ অধিবেশনৰফালে চাই আছে, এই অধিবেশনে কি কৰিব? সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া বিনীত ভাবে আপোনাক নিবেদন কৰিছোঁ এই বিষয়টো আলোচনাৰ কাৰণে আপুনি অনুমতি দিয়ক। হয়তো আপুনি কব আজি বাজেট আছে, বাজেটৰ পিচত আলোচনা কৰিলেও হ'ব, সময়ৰ ব্যৱস্থাটো আপোনাৰ ওপৰত। এই সদনৰ সকলো সদস্যই আপোনাক নিবেদন জনাইছোঁ এই বিপদৰ পৰা, আতংকৰ পৰা অসমক বচাব লাগিব। সকলোৱে আন্তৰিক প্ৰচেষ্টাৰে বিষয়টো সমাধান কৰা একান্ত প্ৰয়োজন।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: অধ্যক্ষ মহোদ, আজি আমাৰ গগৈ ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ এই সদনৰ জ্যেষ্ঠ মাননীয় মন্ত্ৰীজনে যিখিনি যুক্তি দেখুৱালে সেই বিষয়ত মই সচাকৈ হতাশ হৈছো। তেখেত যোৱা বাৰ সদনৰ বিৰোধী দলৰ লিডাৰ আছিল। বৰ্তমান অসমৰ যি পৰিস্থিতি কি হব কি নহব এনে অৱস্থাত তেখেত ৰুল ৫৬ আৰু ৫৭ৰ জড়িয়তে যি যুক্তি ডাঙি ধৰিছে সেই গোটেইবিলাক নপঢ়ো। সেই ৰুলৰ দুই এটা মিলিছে। ৰুল ৫৬-৫৭ এইটো প্ৰভিজন দেখুৱাইছে নেকি যে এটা নিমিলিলেই এলাও কৰিব নোৱাৰে, মই এইটো জানিব বিচাৰিছোঁ। According to the Rules of Proceedure of Business in the Assam Legislative Assembly 56, 57 that if

one condition is not fulfilled the motion will not be allowed এই কথাটো তেখেতে স্পষ্ট কৰি দিয়া ভাল।

মাননীয় অধ্যক্ষ : আপুনি আৰু কব নালাগে।

On the Adjournment Motion. I have Heard the Valuable deliberations. Now I reserved my Ruling.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, আপুনি ৰুলিং দিয়াৰ আগতে মই দুষাৰমান কথা কব পাৰোনে?

মাননীয় অধ্যক্ষ : হয় কওক।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, শ্ৰীগগৈ ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে আৰু তেখেতে 'ইনিউয়ান এক্সপ্ৰেছ'ত প্ৰকাশিত এটা নিউজৰ কথা কৈছে। এই কথাটো সত্য নহয়। যোৱা কালি দিল্লীৰ পৰা এই নিউজৰ সম্পৰ্কত ৰাজেশ পাইলটে ফোন কৰিছিল। তেখেত যে আহিব এইটো কোনেও নাজানে। তেখেতে এইটো কলে যে আমি গৃহ মন্ত্ৰীৰ লগত এই বিষয়টো আলোচনা কৰিছো আৰু তেনেকৈ ইয়ালৈ আহি আলফাৰ লগত আলোচনা কৰাৰ কোনো কথা নাই। এই নিউজটো কোনে কেনেকৈ কৰিছে মই নাজানো। তেখেতে কলে যে আমি বিষয়টো আলোচনাহে কৰিছিলো কিন্তু আমি যাম বুলি বা তেওঁলোকৰ লগত কোনো কথা পাতিম বুলি কোৱা নাই। দ্বিতীয়তে তেখেতে কৈছে যে আমি আলোচনা কৰিবৰ বাবে আগ্ৰহী নহয়। আমাৰ আগ্ৰহ আছে। মই আজি পুনৰ কব খোজো যে ব্যক্তি হিচাবে যদি কোনোবাই আলোচনা কৰি এই সমস্যাৰ সমাধান কৰিব পাৰে তেতিয়া তাত আমাৰ কোনো আপত্তি নাই। শ্ৰীমহন্ত ডাঙৰীয়াৰ মৃত্যুত অথৰিটিৰ কথা কোৱা হৈছে। আমাৰ মূল লক্ষ্য হৈছে কেনেকৈ এই ৮ জন পনবন্দীক জীয়াই জীয়াই ওভোটাই আনিব পাৰি সেইটোহে আচল কথা এইটো সকলোৱে উপলব্ধি কৰিব লাগে। তৃতীয়তে আমি কোনো দল হিচাবে নহয় সকলোৱে আলোচনা কৰি সমস্যাটো সমাধান কৰিব লাগে শ্ৰীপাটোৱাৰী ডাঙৰীয়াই আটাইখিনি পনবন্দীকে মুক্তি দিয়াৰ বিষয়ে যিখিনি কথা কৈছে সেই ক্ষেত্ৰত মই যোৱা ৮ জুলাই তাৰিখেও কৈছিলো যে আমি বাকী থকা টাডা বন্দীখিনিকো মুক্তি দিম যদিহে তেওঁলোকে আটাইখিনি পনবন্দীকে এৰি দিয়ে আৰু আলোচনালৈ আহে। শ্ৰীবৰা ডাঙৰীয়াই কৰা এটা প্ৰশ্নৰ উত্তৰত মই কৈছিলো যে তেওঁলোক আলোচনালৈ আহিলে আমি

* Speech not corrected.

বেগুটোও উঠাই দিম। সেই কাৰণে এই ক্ষেত্ৰত আমাৰ আন্তৰিকতা আছে। আমি বিষয়টো সন্মান হিচাবে লোৱা নাই। এই ব্যক্তি কেইজনক যদি কোনোবাই জীয়াই জীয়াই আনিব পাৰে আমি তেওঁলোকৰ লগত আলোচনা কৰিবলৈ মান্তি আছো।

*শ্ৰীকৃষ্ণকান্ত লহকৰ: অধ্যক্ষ মহোদয়, এই সমস্যাটো আজি আমাৰ কাৰণে এটা জটিল সমস্যা। আজি অ, এন, জি, চিৰ এজন ইঞ্জিনিয়াৰ মাৰিছে আৰু হয়তো মাৰিব। কিন্তু মই চৰকাৰক সতৰ্ক কৰি দিব খুজিছো যে তেওঁলোকে যদি আৰু এজনক মাৰে তেনেহলে অহা কেইদিনমানৰ ভিতৰতে আমাৰ ইয়াত প্ৰেছিডেণ্ট ৰুল হব। যদি সেইটোৱেই হয় তেনেহলে আমি আকৌ এটা নতুন সমস্যাৰ সন্মুখীন হব লাগিব। আমি যোৱা ১৯৮০ চনত আমাৰ বহুতো তিৰোতাৰ সতীত্ব ৰাখিব পৰা নাছিলো। সেই সময়ত ডেকা লৰা ঘৰত থাকিব পৰা নাছিল। আজি অসমৰ যিটো পৰিস্থিতি হৈছে সেই পৰিস্থিতিত আজি আলফাই যিসকল বন্দী কৰি থৈছে তেওঁলোকক যদি খালাচ কৰি দিব নোৱাৰো তেনেহলে গোটেই ভাৰতবৰ্ষই আমাক দোষাৰোপ কৰিব। গতিকে আমি আজি ৰাতি হলেও চেক্ৰেট চেচন কৰিব লাগে। আমাৰ কোনোবাই কিজানি আলফাৰ লগত আলোচনা কৰিব পাৰেই। সেই কাৰণে আজি ৰাতিয়েই এখন কন্‌ফিডেনচিয়েল মিটিং পাতিবৰ কাৰণে আপুনি আদেশ দিব লাগে।

Mr. Speaker : Thank you very much. I have heard the deliberations made by Honourable Members, Shri Haliram Terang Shri Patowari, Shri Phukan, Shri Sasakamal Handique and Shri Lahkar. I have also heard the deliberation made by Honourable Minister of Parliamentary affairs and also the deliberations made by Honourable. Chief Minister. On whatever you have deliberated, I have reserved my ruling.

Now, on zero hour businesses, I have received 9 notices Out of these. I have selected three only. One Notice from Honourable Member, Shri Bharat Chandra Narah regarding (ASOM) Requesting the Jatia Mukti Bahini (ASOM) to

*Speech not corrected.

take help financially on which a letter written by the Chief Minister, Shri Hiteswar Saikia to the Deputy Central Labour Minister, Shri Paban Sing Ghatowar is published in almost all the newspapers

Now, I call upon the Honourable Member, Shri Narah to speak on the matter.

## Discussion During Zero Hour

*শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, এই বিষয়টো এতিয়া আৰু নতুন হৈ থকা নাই, যথেষ্ট পুৰণি হৈছে। বিষয়টো ইতিমধ্যে বাতৰি কাকততো প্ৰকাশ পাইছে আৰু সেই বিষয়ত মুখ্য মন্ত্ৰী ডাঙৰীয়াই স্পষ্টীকৰণ দিছে আৰু বাতৰি কাকতলৈ প্ৰতিবাদ টোকাও পঠিয়াইছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় শ্ৰম বিভাগৰ উপ-মন্ত্ৰী শ্ৰীযুত পৱন সিং ঘাটোৱাৰ দেৱেও স্পষ্টীকৰণ দিছে। সেই কাৰণে এতিয়া এই বিষয়টোৰ ওপৰত চৰকাৰৰ পৰা স্পষ্টীকৰণ বিচাৰি উত্থাপন কৰিব বিচৰা নাই। কিন্তু বাতৰি কাকতত এই চিঠিখনৰ এটা নকল কপি প্ৰকাশ হৈছে। সেই বিষয়টোহে মই আজি উত্থাপন কৰি মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই চিঠিখন মুখ্য মন্ত্ৰী ডাঙৰীয়াই দেখা নাই বুলি কৈছে। সেইদৰে পৱন সিং ঘাটোৱাৰ ডাঙৰীয়াও সেইখন দেখা নাই বুলি কৈছে। স্পষ্টীকৰণত এই কথা কোৱা হৈছে যে তেখেতসকলৰ ভাব মূৰ্ত্তী নষ্ট কৰিবৰ কাৰণেহে এই চিঠিখন কোনোবাই জাল কৰিছে। মোৰ প্ৰশ্ন হল এই চিঠিখন কোনে লিখিলে আৰু কোনে লিখিব পাৰে সেই বিষয়ে চৰকাৰে তদন্ত কৰিলেনে নাই। চিঠিখন গুলোৱা আজি এসপ্তাহৰো বেছি হৈছে। এই বিষয়টোত যিহেতু ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ উভয়ে জড়িত হৈ আছে আৰু ৰাজ্য কেন্দ্ৰীয় চৰকাৰ উভয়ৰে তদন্ত বা অনুসন্ধান কৰা যথেষ্ট এজেন্সি আছে সেই কাৰণে বিষয়টো ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে তদন্ত কৰিলে নে নাই। যদি তদন্ত কৰিছে তেনেহলে ইয়াৰ নায়কজনক আবিষ্কাৰ কৰিব পাৰিলে নে নাই। এই জাল চিঠিৰ নায়কজন চৰকাৰৰ ভিতৰৰ মানুহ নে চৰকাৰী কৰ্মচাৰী নে বাহিৰৰ মানুহ সেই কথাটো মুখ্য মন্ত্ৰী মহোদয়ে আমাক সদনত জনাব লাগে। কিয়নো আমি জানো যে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। আজি ৰাজ্যখনত বহুতো নিৰ্দোষী লোকক

*Speech not corrected

হত্যা কৰা হৈ আছে আৰু তেনেকুৱা এটা সময়তে এই ঘটনাটোও সংঘটিত হৈছে। আজি দুদিনমান আগতে নগাওঁৰ এজন প্ৰফেচাৰক আলফাই হত্যা কৰা নাই বুলি স্পষ্টিকৰণ দিছে। তেওঁলোকে আৰু উল্লেখ কৰিছে যে এই ঘটনা জাতীয় মুক্তি বাহিনীৰ বাহিৰে আন কাৰো নহয়। এই অভিযোগ আৰু প্ৰতি অভিযোগৰ ক্ষেত্ৰত এই চিঠিখনৰ যথেষ্ট গুৰুত্ব আছে। সেই কাৰণে চৰকাৰে এই চিঠিখনৰ বিষয়ে তদন্ত কৰিছে নে নাই আৰু তাৰ নায়কজনক আবিস্কাৰ কৰিব পাৰিছে নে নাই আৰু যদি কৰিছে তেনেহলে বিষয়টো সদনক অবগত কৰিব লাগে বুলি ভাবিয়েই মই বিষয়টো 'জিৰ আৱাৰ'ত মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, মই আৰু শ্ৰীপৱন সিং ঘাটোৱাৰে এই চিঠিখনৰ সত্যাসত্য অস্বীকাৰ কৰিছো। ইয়াৰ যিটো ৰাইটিং পেড সেইটোও গণ্ডগোলীয়া। আমাৰ সচিবালয়ৰ যিটো ডি. অ. ৰাইটিং পেড সেইটোত জি, ইউ, ডব্লিউ,ৰ পিচত ক্ৰমিক নং দিয়া থাকে। কিন্তু সেইটোত খেলি মেলি আছে। গতিকে এই কথাখিৰ সত্যতা নাই। এই চিঠিখনত কিছুমান অবাস্তৱ কথা দি আমাৰ ভাব মূৰ্ত্তি নষ্ট কৰিবলৈ চেষ্টা কৰিছে। আপোনালোকে জানে যে যোৱা নিৰ্বাচনৰ সময়তো কাকতত এখন চিঠি প্ৰকাশ পাইছিল যে চাবুৱা আৰু নগাওঁত কংগ্ৰেছ দলে ন-অগপ দলৰ লগত কিবা সম্পৰ্ক কৰিছে। কিন্তু কথাটো একেবাৰে মিছা। গতিকে বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছে।

*শ্ৰীভৰত চন্দ্ৰ নৰহ: অধ্যক্ষ মহোদয়, অসমৰ ৰাইজে এই কথাটো জনা উচিত। তেখেতে কৈছে যে মই লিখা নাই। মুখ্যমন্ত্ৰীৰ ভাব মূৰ্ত্তি আৰু শ্ৰীঘাটোৱাৰ ডাঙৰীয়াৰ ভাব মূৰ্ত্তি নষ্ট কৰাৰ কাৰণে কোনে এইখন লিখিছে আমি আবিস্কাৰ কৰিব লাগে। তেখেতে এটা নিৰ্দিষ্ট সময় সীমা দিব পাৰিব নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): শীঘ্ৰেই দিম। সময় সীমা দিয়া মস্কীল।

*শ্ৰীহিতেশ্বৰ ডেকা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ভৰত নৰহ দেৱৰ প্ৰশ্নৰ উত্তৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে তাত এটা গুৰুত্ব-পূৰ্ণ প্ৰসংগ আনিছে। সেইটো হৈছে নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ আই দলৰ লগত ন-অগপৰ সম্পৰ্ক স্থাপনৰ কথা কোন চক্ৰই ওলিয়াইছে? এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে তদন্ত কৰা হব বুলি কৈছে। এই সম্পৰ্কত তদন্ত কৰিবৰ বাবে দিয়া হৈছেনেকি?

---

*Speech not corrected

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সেইটো ইনটেলিজেন্স ব্ৰাঞ্চক তদন্ত কৰিবলৈ দিয়া হৈছে।

Mr. Speaker : I have received another Zero Hour notice from the Honourable Member, Shri Sashakamal Handique on 6. 9. 91 on the newsitem published in 'Ajir Asom' dated 6. 9. 91 under the caption

"আই-অ-চিৰ, মাণ্ডলিক কাৰ্য্যালয় স্থানান্তৰ"

Now, I call upon the Honourable Member, Shri Handique to speak on the matter.

*শ্ৰীশশ কমল হান্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে, অসমৰ ৰাইজৰ সাধাৰণ চেন্টিমেণ্ট আছে। আজি অসমৰ পৰা চাহ বাহিৰলৈ ৰপ্তানী কৰা হয় কিন্তু সকলোবিলাক অনুস্থান প্ৰতিষ্ঠান আজি বাহিৰলৈ নিয়া হৈছে। তাৰ বাবে আজি ডিব্ৰুগড়, তিনিচুকীয়া আদি ঠাইৰ মানুহৰ মনত এটা প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিয়নো এই মাণ্ডলিক কাৰ্য্যালয়সমূত নিয়োগৰ ক্ষেত্ৰত অসমৰ ল'ৰা বঞ্চিত হৈছে। এই মান্দলিক কাৰ্য্যালয়বিলাক যদি অসমৰ পৰা অন্যান্য ঠাইলৈ যায় তেনেহলে অসমৰ আইন শৃংখলা নাইকীয়া হব। এই মান্দলিক কাৰ্য্যালয় বিলাক অসমৰ ভিতৰতে গোলাঘাট বা নগাওঁ আদি জিলাত পাতিব পাৰিলে হয়। অসমৰ ৰাষ্টাঘাট ভাল নহয়, যাতায়তৰ অৱস্থা ভাল নহয়। কিন্তু নানা অজুহাতত অসমৰ পৰা এই কাৰ্য্যালয় বিলাক বাহিৰলৈ লৈ গৈছে। অসমৰ ৰাইজৰ চেন্টিমেণ্ট আছে। অসমত উৎপাদিত হোৱা সামগ্ৰীসমূহৰ কল কাৰখানা আছে, উদ্যোগ আছে। ডিমাপুৰত পাতিব বিচাৰিছে যদি এটা স্নুকীয়াকৈ কৰক কিন্তু গোলাঘাট, যোৰহাট আদিতো পাতক। মই এই সম্পৰ্কত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি চৰকাৰে এটা সঠিক দৃষ্টিভঙ্গী লব বুলি আশা কৰিলো।

শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত বিতং তথ্যপাতি বিচৰা হৈছে। এই সদনতে মাননীয় সদস্যৰ প্ৰশ্নৰ উত্তৰ অৱগত কৰিম।

Mr. Speaker : I have received another Zero Hour notice from the Honourble Members, Shri Prafulla Kumar Mahanta

*Speech not corrected

on 8. 9. 91 on a newsitem published in 'Sandhya Batory' and 'Mahanagar' dated 7. 9. 91 and in other newspapers published from Gauhati dated 8 9. 91 under the caption—

"ওদালগুৰিত উপপ্ৰতি সমাহৰ্তাক নৃশংগভাৱে হত্যা"

Now, I call upon the Honourble Member, Shri Mahanta to speak on the matter.

★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত: মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬ তাৰিখৰ পৰা অসমত খটা বিশেষ কেইটামান গুৰুত্বপূৰ্ণ ঘটনা সম্পৰ্কত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। এই সম্পৰ্কত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা এট বিবৃতি পাম বুলি আশা কৰিছো। যোৱা ৭ তাৰিখৰ "সন্ধ্যা বাতৰি" কাকতত এনে ধৰণৰ এটা বাতৰি পৰিবেশন কৰা হৈছিল। নলবাৰীত এজন শিক্ষক অপহৰণ আৰু ওদালগুৰিৰ উপপ্ৰতি সমহৰ্তাক নিষ্ঠুৰভাবে হত্যা কৰিলে। বাতৰিত প্ৰকাশ যে, দৰং জিলাৰ ওদালগুৰিৰ উপ প্ৰতি সমাহৰ্তা হলিৰাম বৰাক উগ্ৰপন্থীয়ে নৃশংসভাৱে ঘপিয়াই হত্যা কৰে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে ওদালগুৰিৰ উপপ্ৰতি সমাহৰ্তা বৰাৰ মৃতদেহটো নিজ ওদালগুৰিৰ ( পুৰণা থানা ) এখন শস্য পথাৰৰ পৰা উদ্ধাৰ কৰা হয়। আৰক্ষী সূত্ৰই আজি দুপৰীয়া সান্ধ্য বাতৰিৰ প্ৰতিবেদকৰ ওচৰত প্ৰকাশ কৰা মতে উপপ্ৰতি সমাহৰ্তা হলিৰাম বৰাৰ মৃত দেহটো হাত ভৰি বন্ধা আৰু কাপোৰেৰে চকু মুখ বন্ধা অৱস্থাত উদ্ধাৰ কৰা হয়। উল্লেখযোগ্য যে, ওদালগুৰিৰ উপপ্ৰতি সমাহৰ্তাজনক যোৱা 8 ছেপ্তেম্বৰত উগ্ৰপন্থীয়ে অপহৰণ কৰিছিল। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে উপপ্ৰতি সমাহৰ্তাজনক অপহৰণ কৰি নৃশংসভাৱে হত্যা কৰা ঘটনাত বড়ো ছিকিউৰিটি ফৰ্চ জড়িত থকা বুলি সন্দেহ কৰা হৈছে। আনহাতে নলবাৰী জিলাৰ দলুৱা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক দীনেশ বৈশ্যক সন্দেহযুক্ত আলফাৰ দুজন কৰ্মীয়ে যোৱা ৪ ছেপ্তেম্বৰত অপহৰণ কৰি নিছে। নলবাৰী আৰক্ষী সূত্ৰই আজি প্ৰকাশ কৰামতে এখন মটৰ চাইকেলত অহা দুজন আলফা কৰ্মীয়ে যোৱা 8 ছেপ্তেম্বৰত দীনেশ বৈশ্যক অপহৰণ কৰি নিছে। ইতিমধ্যে নলবাৰী উপ আৰক্ষী অধীক্ষকে কালি ঘটনাৰ বুজ লোৱাৰ লগতে তদন্ত চলাই আছে।

অধ্যক্ষ মহোদয়, ইতিমধ্যে ৮ ছেপ্তেম্বৰ তাৰিখৰ 'ইণ্ডিয়ান এক্সপ্ৰেছ' বাতৰি

কাকতত্তো এই কথা প্ৰকাশ পাইছে। পুলিচৰ সূত্ৰৰ লগত এই সূত্ৰ নিমিলে।

Mr. Haliram Bora who was kidnapped by suspected ULFA extremists last week killed in Udalguri on Saturday Official sources also confirmed it.

এই খবৰটো 'ইণ্ডিয়ান এক্সপ্ৰেছ' বাতৰি কাকতত প্ৰকাশ পাইছে। এই বাতৰিৰ লগত সম্পৰ্ক থকা কেইটামান গুৰুত্বপূৰ্ণ বিষয় মই চৰকাৰৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰাব বিচাৰিছো। যোৱা ২২-৮-৯১ তাৰিখে বৰমা আঞ্চলিক কমিটি আবছু, ভেওঁলোকে এখন চিঠি লিখিছে দেৱনাগৰী ভাষাত। মই এই চিঠিখন অসমীয়ালৈ অনুবাদ কৰি আনিছো। চিঠিখন কৰেন বড়োলৈ লিখিছে। মই দুলাইন-মান পঢ়ি দিছো। 'পোনতে বৰমা আঞ্চলিক কমিটী, আবছুৰ পৰা দিয়া চিঠিখন গ্ৰহন কৰিব বুলি আশা কৰিলো। বৰ্ত্তমান আপোনালোক পি, টি, চিৰ প্ৰকৃত নেতাৰ দৰে হৈ আছে। এই প্ৰকৃত পি, টি, চিৰ নেতা যদি অনতিপলমে ত্যাগ নকৰে তেনেহলে এদিন হলেও আপোনালোকৰ দলবাৰী গাওঁ আবছুৱে আক্ৰমন কৰিব আৰু তাত আপোনালোকক বিচাৰি উলিয়াই গুলীয়াই হত্যা কৰা হব। আৰু তাত কেইবাজনকো গুলীয়াই হত্যা কৰা হব। এইদৰে চিঠিখনত হত্যাৰ ভাবুকি আছে।

আন এখন চিঠিত ৰামেশ্বৰ ব্ৰহ্ম বাঙ্গালীপাৰাই লিখিছে শ্ৰীঅতুল স্বৰ্গীয়াৰী নেহেৰু আঞ্চলিক উচ্চ বিদ্যালয়ৰ শিক্ষকলৈ। এইখন চিঠিও দেৱনাগৰী ভাষাত লিখিছিল। মই অসমীয়ালৈ অনুবাদ কৰি আনিছো। চিঠিখনত প্ৰথমে লিখিছে যে, প্ৰথমে মোৰ বৈপ্লৱিক মনৰ মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলো। মিষ্টাৰ এ, বসুমতাৰী আপোনাৰ হাঁহি উঠিছেনেকি? হাঁহক, মই আপোনাক ইহাৰ নিচিনা দেখিছো। শেষত কৈছে যে, আপুনি এজন শিক্ষক নহয়নে? তেতিয়া হলে আপুনি কিয় ৰাজনৈতিক দলৰ লগত হুলিগলি কৰিছে। আবছুৰ গুলিত চাৰুৰ নিচিনা মৰিব খুজিছেনেকি? আপুনি ভাৰক ১০০১ ঘণ্টা বন্ধত ইয়াৰ কাৰ বুকুৰ তেজেৰে পাৰে আজিৰ পৰা যুদ্ধ দিবলৈ সাজু হওক। চিঠিখনৰ বিশেষ দ্ৰষ্টব্যত লিখিছে যে, আপুনি অনতিপলমে ১৫০০ শ টকা দিবই লাগিব।

এনেকৈয়ে আৰু এখন চিঠি আছে মই পঢ়ি দিছো। আপোনালোকৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থা লোৱাৰ বাবে। বৰমা বৰিমাখাৰ আবছুৰ বিনয় ব্ৰহ্মাই লিখিছে নেহেৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ বড়ো শিক্ষক সন্থালৈ লিখিছে, যে

প্ৰত্যেকৰ পৰা ১০০১ টকা কৰি বৰিমাখা বড়ো ছাত্ৰ সংগঠনে পাবলৈ আশা কৰে। এই চিঠিখন দিছে ২৯/৮/৯১ তাৰিখে আৰু টকা দিবলৈ কৈছে ৫/৯/৯১ তাৰিখে। বৰমা নাইবা জাৰিপাৰাত গৈ টকা দিব লাগিব। গতিকে এতিয়া জন-সাধাৰণ আতংকৰ মাজত বসবাস কৰিবলগীয়া হৈছে। যোৱা কালি ৰাতিপুৱা যিটো ঘটনা ঘটিল সেই সম্পৰ্কত আজি সদনত যথেষ্ট আলোচনা হৈছে। গতিকে এই সমস্যা বিলাক সমাধান কৰাৰ বাবে আমাৰ চৰকাৰে অনতিপলমে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে প্ৰচেষ্টা হাতত লব লাগিব।

অধ্যক্ষ মহোদয়, অসমৰ মুখ্যমন্ত্ৰীয়ে অলপতে নগাও ভ্ৰমণ কৰোতে আলফাৰ শীৰ্ষ স্থানীয় নেতাৰ লগত টেলিফোনত কথা-বতৰা পাতিছে বুলি আমি নিৰ্ভৰ-যোগ্য ভাবে গম পাইছো। পনবন্দীসকলৰ মুক্তি সম্পৰ্কত আলফাৰ লগত মুখ্য-মন্ত্ৰীয়ে টেলিফোনত কি কি কথা বাৰ্তা হৈছিল সেই বিষয়ে আমাক মুখ্যমন্ত্ৰীয়ে জনাব লাগে, সদনক জানিবলৈ দিব লাগে। অসমৰ জনসাধাৰণক এই বিষয় জানিবলৈ দিব লাগে। আজি অসমৰ জনসাধাৰণ এক শংকিত পৰিস্থিতিত জীৱন কটাব লগা হৈছে। অধ্যক্ষ মহোদয়, আজি এটা তৰা বিহীন প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে জনাইছে যে ১৯৯১ চনৰ আগষ্ট মাহলৈকে অসমত উগ্ৰপন্থীয়ে পুলিচ বাহিনীৰ হাতৰপৰা ষ্টেনগান-কাৰবাইন ১৪ টা, ৰাইফল ১১২ টা, পিষ্টল ১১৪ টা, চটগান কাণ্ট্ৰী মেড গান ১৯৫ টা, ডি, বি, আৰ, এল ৩২৫ টা, এচ. বি. আৰ, এল ১০৩ টা, এচ, বি, এম, এল গান ৩ টা, এচ, এল, আৰ ১ টা আৰু টুৱেলভ বৰ' গান ১০ টা কাঢ়ি নিছে বুলি উল্লেখ কৰিছে। আনহাতে এমুনিচন নিছে লিভ কাৰ্টিজ ৪৬৫ টা আৰু মেগাজিন নিছে ৫ টা। এই প্ৰশ্নটো কিয় তৰা চিহ্নিত প্ৰশ্ন হিচাবে দিয়া নহল বুজি নেপালো।

অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে 'আবছু'ৰ লগতো কথা বতৰা পাতিছে বুলি জানো, কেইবাবাৰো আবছুক প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ ওচৰলৈকে কেইবা-বাৰো লৈ গৈ আলাপ আলোচনা কৰা বুলি গম পাওঁ। কিন্তু ইমানবোৰ আলাপ আলোচনা কৰাৰ মুৰকতো আমি শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰীৰ দৰে নেতাক আজি হেৰুৱাব লগ হৈছে। প্ৰাক্তন বিধয়াকজনৰ লগত থকা দুজন চিকিউৰিটি গাৰ্ড ও জীৱন ত্যাগ কৰিবলগীয়া হৈছে। পুৱাৰ বাতৰি কাকত মেলিলেই কেৱল হত্যা আৰু অপহৰণৰ বাতৰিহে দেখিবলৈ পাওঁ। ৰাজ্যখনত আজি যি সমস্যা দেখা দিছে ইয়াক সমাধান কৰিবৰ কাৰণে, জনসাধাৰণৰ মনৰ পৰা বিৰাজ কৰা অনিশ্চয়তা দুৰ কৰিবৰ কাৰণে, জনসাধাৰণৰ জ্ঞাতাৰ্থে সদনত চৰকাৰে এটা

বিবৃতি দিয়া উচিত। আজি যদি অ', এন, জি, চিত ষ্ট্ৰাইক হলে আইন শৃংখলা-জনক পৰিস্থিতি সৃষ্টি হব পাৰে— ইয়াৰ লগত অন্যান্য বিষয়ো আহি পৰিব পাৰে। অ সিদিনা ওডালগুৰিত এজন এচ, ডি, চি উগ্ৰপন্থীৰ হাতত নিহত হৈছে, কিছুদিনৰ আগতে বেলচৰত এজন এচ, ডি, চিক মানুহে মৰিয়াই মাৰি পেলালে। মাহত দুজনকৈ এচ, ডি. চিক মাৰিলে অহা ৫ বছৰত কিমানক হত্যা কৰা হব? আজি অসমৰ পৰিস্থিতি এক গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। এই বিষয়ে এক স্থিৰ সিদ্ধান্তৰ প্ৰয়োজন হৈছে। হোম মিনিষ্টাৰ এক নিৰ্ভৰযোগ্য সূত্ৰৰ আমি জানিব পাৰিছো যে আলফাই কেন্দ্ৰীয় চৰকাৰৰ লগত পোনপটীয়া ভাৱে আলোচনা কৰিব বিচাৰে। কিন্তু ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত বাধা দিয়াৰ দৰে হৈছে। ৰাজ্য চৰকাৰে আলফাই পোনপটীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা হোৱাটো নিবিচাৰে। আগতে ৰাজ্যপাল শ্ৰীদেৱী দাস ঠাকুৰ থাকোতে তেখেতৰ উদ্যোগত আলফা আৰু চৰকাৰৰ মাজত এই আলোচনাৰ বাবে যোগ-সূত্ৰ তৈয়াৰ কৰা হৈছিল। সেই উদ্যোগৰ জৰিয়তেই এতিয়াৰ চৰকাৰে আলোচনা কৰিব বিচাৰিছে নেকি সেই বিষয়েও মাননীয় মুখ্যমন্ত্ৰীয়ে এই সদনৰ জৰিয়তে অসমৰ জনসাধাৰণক জানিবলৈ দিব লাগে। আমি পৰহি আলফাৰ হাতত পণবন্দী হৈ থকা শ্ৰীৰাজুক হেৰুৱালো। এতিয়াও আলফাৰ হাতত ৭ জনকৈ পণবন্দী আছে। চৰকাৰী বিষয়া কৰ্মচাৰী সকলক আজি ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে যথোচিত চিকিউৰিটি দিব পৰা নাই। বাতৰি কাকতত প্ৰকাশ পোৱা ঘটনা সমূহৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে স্পষ্টীকৰণ বা বিবৃতি দি অসমৰ জন-সাধাৰণক জনাব লাগে যে চৰকাৰে এই জলন্ত সমস্যাৰ সমাধানৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে বা হাতত লৈছে। যোৱা এমাহৰ ভিতৰত আমি ২ জনকৈ এচ, ডি, চিক হেৰুৱালো। অহা ৫টা বছৰত আৰু কিমান বিষয়াক হেৰুৱাব লাগিব সেইটো কথাও চাব লাগিব। সদনতে স্বাস্থ্য মন্ত্ৰীয়ে কৈছে যে কোকৰাঝাৰলৈ স্বাস্থ্য বিষয়া যাব নোখোজে জীৱনৰ আশংকাত। স্বাভাৱিকতে চৰকাৰৰ এই ক্ষেত্ৰত গধুৰ দায়িত্ব আছে। আজিৰ ৰাজ্যখনৰ এই আতংকগ্ৰস্ত পৰিস্থিতি দূৰ কৰিব লাগিব। জনসাধাৰণৰ হাতত অভুতপূৰ্ব ক্ষমতা আছে বুলি কেইবাজনো সদস্যই উল্লেখ কৰিছে। আমি এই কথাটো উলাই কৰা উচিত নহব। সদনত এই বিষয়টোৰ ওপৰত ৰাজ্যৰ বৰ্তমান পৰিস্থিতিৰ ওপৰত যথেষ্ট আলোচনা কৰা হৈছে। বাতৰি কাকতত প্ৰকাশ পোৱা এই কথাবোৰৰ ওপৰত মই মাননীয় মুখ্যমন্ত্ৰীৰ স্পষ্ট দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু তেখেতে সদনত

এটা বিবৃতি দি অসমৰ জনসাধাৰণক সকলো কথা স্পষ্টভাৱে জনাব বুলি আশা কৰিছো।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমহন্ত ডাঙৰীয়াই বিষয়া শ্ৰীহলিৰাম বৰা আৰু শিক্ষক শ্ৰীবৈশ্য সম্পৰ্কে যি দুটা বিষয় আলোচনা কৰাৰ কাৰণে উৎথাপন কৰিছে সেই বিষয়ে চৰকাৰ অৱগত। শ্ৰীবৰাৰ মৃত্যু সম্পৰ্কত বাতৰি কাকতত যি কথা ওলাইছে সেয়া সত্য আৰু শ্ৰীবৈশ্যৰ বিষয়ে ওলোৱা কথাও সত্য। দুয়োটা কেছতেই আৰক্ষী বিভাগে তদন্ত চলাই আছে। যোৱা ৫/৯/৯১ তাৰিখে শ্ৰীহলিৰাম বৰাক ওডালগুৰি কৰ্ট কমপ্লেক্সৰ পৰা সন্ধ্যা প্ৰায় ৫ বজাত অপহৰণ কৰি নিয়ে আৰু ৬/৯/৯১ তাৰিখে শ্ৰীহলিৰাম বৰাৰ মৃতদেহ নিজ ওডালগুৰি আৰু পুৰণি থানা গাঁৱৰ মাজৰ ধাননি পথাৰ এখনত পোৱা হৈছে। তেখেতৰ হাত আৰু চকু বন্ধা অৱস্থাত আৰু ডিঙিত 'কাটমাৰ্ক' থকা অৱস্থাত পোৱা গৈছে। দুয়োটা কেচ পুলিচে অনুসন্ধান কৰি আছে। শ্ৰীবৰাৰ পৰিয়ালক চৰকাৰে ১ লাখ টকাৰ মঞ্জুৰী দিয়াৰ কথা ঘোষণা কৰিছে। শ্ৰীমহন্ত ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যিটোৱে ৰাজ্যৰ জনসাধাৰণৰ মাজত সন্দেহৰ সৃষ্টি কৰিব—সেইটো হৈছে আলফাই কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰাত মান্তি হৈছে, সেইটো সত্য নহয়। আগতে 'আছু'ৰ লগত আলোচনা হওতেই শ্ৰীমহন্তই কৈছিল যে শ্ৰীশইকীয়া (শ্ৰীহিতেশ্বৰ শইকীয়া) আলোচনাত থাকিলে তেওঁ আলোচনাত নবহে বুলি। মই ১৯৮৫ চনত বোম্বাইৰ কংগ্ৰেছ অধিবেশনৰ পৰা উভটি আহোতে দিল্লীত প্ৰয়াত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীক কৈছিলো যে অসমৰ স্বাৰ্থৰ হকে, অসমৰ ভালৰ হকে মোক বাদ দি যদি আছুৱে আলোচনা কৰিব খোজে তাত মোৰ আপত্তি নাই বুলি জনাইছিলো আৰু সেই মতেই আলোচনা অনুষ্ঠিত হৈছিল। অসমৰ স্বাৰ্থৰ কাৰণে, অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে মই তেতিয়া অসম বিধান সভা ভংগ কৰাৰ বাবেও মান্তি হৈছিলো।

১৯৮৫ চনত আছুৰ লগত যেতিয়া আলোচনা হৈছিল তেতিয়াও এই কথাটো উঠিছিল আৰু অসম চৰকাৰে মোক বাদ দিও আলোচনা কৰিছিল। অসমৰ শান্তি প্ৰতিস্থাৰ কাৰণে আমি গাদী এৰি দিছিলো। কিন্তু অসমৰ ৰাইজে শান্তি পালেনে ? কিন্তু যোৱা ৫টা বছৰে অসমৰ মানুহে শান্তিৰ মুখ দেখা নাপালে। যদি কোনোবাই কব খোজে যে আমি অসমলৈ শান্তি আনি দিম

* Speech not Corrected.

তেতিয়া আমাৰ ক'বলগীয়া নাই। যদি কোনোবাই ভাবে যে আমাক বাদ দি 'আলফাৰ' লগত আলোচনা কৰি সমস্যা সমাধান কৰি দিম তেতিয়াও আমাৰ ক'বলগীয়া নাই। অসমৰ ৰাইজে আজি আমাক বিধান সভালৈ পঠিয়াইছে কাৰণে আমি চৰকাৰ গঠন কৰিছো। আজি আলফাৰ লগত আলোচনা কৰাটো মান-সন্মানৰ কথা বুলি ধৰি লোৱা নাই।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আবেগিক ভাবে কেইটামান কথা উত্থাপন কৰিছে আৰু সেই কথাটো ৰাজ্যখনৰ স্বাৰ্থৰ লগত পোনপটীয়া ভাবে জড়িত আছে। আজি তেখেতে আলফাৰ লগত আলোচনা কৰাৰ কাৰণে ব্যৰ্থ হৈছে। (সদনত হুলস্থুল) মোক ক'বলৈ দিয়ক। আপুনি যে ব্যৰ্থ হৈছে সেইটো আজি প্ৰমাণ হৈছে। (সদনত হুলস্থুল) আমাৰ পোনপটীয়া প্ৰশ্ন এইটোৱেই যে মুখ্যমন্ত্ৰী মহোদয়ে এইটো কথা ক'ব নেকি যে কেন্দ্ৰীয় চৰকাৰৰ লগত 'আলফা'ই পোনপটীয়াকৈ আলোচনা কৰক। ৰাজ্য চৰকাৰ এই ক্ষেত্ৰত ব্যৰ্থ হৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যিসকলে ভাবিছে যে অসম চৰকাৰক বাদ দি আলোচনা কৰিব খুজিছে তাত আমাৰ ক'বলগীয়া একো নাই।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, যদি আপোনালোকে একো কৰিব নোৱাৰে পোনপটীয়া ভাৱে ৰাইজক কৈ দিয়ক। (সদনত হুলস্থুল)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : আছুৰ ছাত্ৰ সন্থাই ১৯৮৫ চনত চৰ্ত্ত আৰোপ কৰিদিছিল যে অসম চৰকাৰ থাকিলে তেওঁলোক আলোচনাত নবহে। আমি তেতিয়া কৈছিলো যে অসম চৰকাৰক বাদ দি যদি শান্তি আনিব পাৰে আনক। আৰু এতিয়াও আমি সেইটোকে ক'ব খুজিছো যে আমাক বাদ দি যদি পোনপটীয়াকৈ আলোচনা হয় হওঁক।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নগাওঁ জিলাত আলফাৰ বিষয়ববীয়াৰ লগত টেলিফোন যোগে কথা-বাৰ্তা হৈছিল বুলি জানিব পাৰিছো। আছল প্ৰশ্নৰ পৰা মুখ্যমন্ত্ৰী মহোদয়ে এৰি গৈছে যিটো আজি জীৱন-মৰণৰ সমস্যা হৈছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাত 'আলফা'ৰ লগত তেনেধৰণৰ কোনো টেলিফোন যোগে কথা-বাৰ্তা হোৱা নাই।

---

* Speech not corrected.

Mr. Haliram Bora who was kidnapped by suspected ULFA extremists last week killed in Udalguri on Saturday. Official s⁻urces also confirmed it.

Shri Parameswar Brahma : Sir, Mr. Mahanta has in his statement cited the incident of snatching the Sten Gun in Kokrajhar. Which has not been committed by ABSU activities. We have already condemed the snatching of Sten Gun and the murder of Shri Samar Brahma Choudhury. I firmly say ABSU is not involved in it. It is implicated that ABSU has been harassing the offcers. I sav, we have no policy of herassing the officers During the regime of Shri Mahanta, the officers drew salary without attending office. We hope, this Government stop this trend. I contradict the statement of Shri Mahanta and say that we are not in any way involved in this murder of Shri Brahma Choudhuri. AGP is conspiring to create a trouble in the Bodo areas.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আবদ্ধু বিষয়াৰ লগত আমি কথা পাতিছিলো তেতিয়া তেখেতে দিনাই কৰিছিল।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : ইতিমধ্যে আমি অধ্যক্ষ মহোদয়ক অৰ্পণ কৰিছো।

## ANNOUNCEMENT FROM THE CHAIR

Mr. Speaker. Now the other Zero Hour notices which I have received from the Honourable Members :

1. Shri Zew Ram Boro
2. Shri Chandra Mohan Patowari
3. Shri Nizamuddin Khan
4. Shri Hiteswar Deka
5. Shri Zoii Nath Sarmah
6. Shri Nagen Sarmah

In regard to these Notices, they were not selected on some technical defects. Photo Copy of the rules were not given.

In regard to this, I have ruling for information of all the Honourable Members.

This is for the information of the Honourable Members of the House that in the matter of Rule 54, 301 or questions including Short Notice Questions arising out of any news item published in the news papers or any notifiication of the Government, the Honourable Members may kindly enclose a photostat or a true copy of the concerning news item or notification. I, most unwillingly have to reject many questions, notices under Rule 54, 301 etc. for want of copies of such news items or notifications. So, I request, once again to all the Honourable Members to enclose a photostat or a true copy of the news items, notifications, if referred, in future, otherwise the notice or the notice will not be possible for consideration for admissibillity."

So, I request all the Honourable Members to enclose the photostat copy, otherwise, it will not be possible for us to consider the notices:

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, জিৰো আৱাৰত উত্থাপন কৰিবলৈ নোটিচৰ এটা কপি দিছিলো।

*শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এজন বিধায়কে মাননীয় মন্ত্ৰী মহোদয়ৰ বিষয়ে অভিযোগ আনিছে সেই অভিযোগটো সদনত উত্থাপন কৰিব লাগে। মন্ত্ৰীজনক যদি প্ৰমাণ কৰি দিব পাৰে তেন্তে মন্ত্ৰীয়ে পদত্যাগ কৰিব যদি নোৱাৰে তেতিয়া বিধায়কজনে পদত্যাগ কৰিব লাগিব।

* Speech not corrected.

★শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে বেয়া কাম কৰিব আৰু মই বিজাইন দিম। মই মন্ত্ৰীজনৰ নাম কৈ দিছো— নগেন নেওগ মহিলাগৰাকীৰ নাম থচমিন বেগম। মহিলা গৰাকীক ৩ দিন ৰাখিছে। ডি. চি লৈ লিখিছে জইণ্ট চেক্ৰেটাৰীক গাড়ী লাগে। ডি. চি. য়ে গাড়ী দিছে। মহিলা গৰাকীক ডিনাৰ খুৱাইছে। এই বিষয়ে ইনকুৱাৰী হব লাগে।

( সদনত হুলস্থূল হয়, কাৰো মাত শুনা নাযায় )

*ডাঃ অৰ্দ্ধেন্দু দে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, তাৰিখটো কৈ দিব লাগে।

★শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ১৪, ১৫ আৰু ১৬ আগষ্টলৈকে ৰাখিছে। ১৫ আগষ্টত পতকা তুলিছে।

Mr. Speaker : I am on the leg, please take your seat. I will give my rulling.

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, সদন কমিটী এখন পাতি দিব লাগে। কথাটো সঁচা হয় নে নহয় প্ৰমান কৰিব লাগে।

( সদনত হুলস্থূল )

Dr. Ardhendu Dey ( Minister ) : It is a matter of privilege Sir.

মাননীয় অধ্যক্ষ : আপোনালোকক অনুৰোধ কৰি কৈছো যে যেতিয়া আসনত বহিবলৈ কোৱা হয় তেতিয়া বহিব লাগে। আসনখনৰ সন্মান ৰক্ষা কৰিব লাগে। এই বিষয়ে নোটিচ্ পাইছো তাত কি লিখিছে মই চোৱা নাই। মই তলাই অহাৰ আগমুহূৰ্ত্তত দিছে। সেয়ে চাবলৈ সময় নাপালো।

( সদনত হুলস্থূলৰ পৰিবেশ হয় )

*শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ইনকুৱাৰী হব লাগে।

মাননীয় অধ্যক্ষ মহোদয় : আপোনালোকক বহিবলৈ কৈছো বহক।

★শ্ৰীজয়নাথ শৰ্মা : ব্যৱহাৰ কৰা গাড়ীখনৰ নাম্বাৰ কৈছো— এ. এচ. অ. আই. ১০০৩২।

মাননীয় অধ্যক্ষ : এজন মাননীয় সদস্যই এজন মন্ত্ৰীৰ বিৰুদ্ধে যি অভিযোগৰ নোটিচ্ দিছে— সেই নোটিচ্ৰ বিষয়ে মাননীয় সদস্য চন্দন কুমাৰ সৰকাৰে উত্থাপন কৰিছে সেইখন মই পঢ়ি চাম।

* Speech not corrected.

★শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, দুটা জৰুৰী বিষয় আছে— বিধায়ক সকল ৰাইজৰ প্ৰতিনিধি। গতিকে বিধায়ক সকল ভালদৰে চলিব লাগে। ৰাইজৰ হৈ কাম কৰিব লাগে।

মাননীয় অধ্যক্ষ : এই বিষয়টো চাম বুলি কৈছো।

Mr. Speaker : I have requested all the members to take their seats and this is my last request. I will give due consideration. I have received two notices on breach of privilege from Shri Zoii Nath Sarma and Shri Nagen Sarma under Rule 158. These notices are under consideration.

★শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, কাইলৈ আমি মোভ কৰিব পাৰিম।

মাননীয় অধ্যক্ষ : গোচৰটোৰ বিষয়ে মই চাবলৈ সময় পোৱা নাই। I could not go through. I will give due consideration.

★শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ ভিতৰত বাজেট উত্থাপন কৰাৰ আগে আগে আলোচনা কৰিবলৈ দিব লাগে। বাজেটৰ বিষয়ে নতুন দৈনিক কাকত এখনত ওলাইছে। "ৰাজ্যখনৰ চলিত বিত্তীয় বছৰটোৰ সকলো হিচাব মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই বাজেটত উত্থাপন কৰিব। প্ৰায় ২৪১ কোটি টকা ঘাটি বাজেট দেখুওৱা হব বুলি ধাৰণা হৈছে।" আমি সদনত বাজেটৰ কাগজ পোৱাৰ আগতে বেলেগ বাতৰিত কেনেকৈ ওলাল।

Mr. Speaker : I, now go to item No. 2. Shri Zoii Nath Sarma to call the attention of the Minister, Fishery under Rule 54.

Shri Zoii Nath Sarma : Honourable Member, Mr. Nagen Sarma will speak on this matter.

## Calling Attention Notice

★শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয় অসম বিধান সভাৰ কাৰ্য্যপৰিচালনা নিয়মাৱলী ৬ নং অধীনত আলোচনা কৰিব বিচাৰিছো। অসমৰ অনুসূচীত জাতি অনুসূচীত জনজাতিৰ কল্যানৰ বাবে মীন

*Speech not Corrected

বিভাগৰ তৰফৰ পৰা দৰিদ্ৰ সীমাৰেখাৰ ওপৰত থকা লোকসকলক বছৰি সূতা যোগান ধৰা হয় আৰু ১৯৯০-৯১ চনত এই মঞ্জুৰী প্ৰায় ১৮ লাখ টকা আছিল। এই ১৮ লাখ টকাৰ মঞ্জুৰী দৰিদ্ৰ সীমা ৰেখাৰ তলৰ লোকসকলক নিদিয়ে। কিন্তু এই ধন তেওঁলোকৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণেহে দিয়া হৈছিল। ১৯৯০-৯১ চনৰ বছৰটোত যেনে ধৰণে সূতা দিব লাগিছিল তেনে ধৰণে দিয়া হোৱা নাই। দেখা গৈছে যে ১৯৯০-৯১ চনৰ এই টকাখিনি এগৰাকী প্ৰৱল প্ৰতাপী সঞ্চালকৰ হেঁচাত ৰাখিছে। পিচত ৰাষ্ট্ৰপতি শাসন অহাৰ সুবিধা লৈ এই সঞ্চালক গৰাকীয়ে কোনো ধৰণৰ নিবিদা আহ্বান নকৰি এজন ব্যৱসায়ীক এই ১৮ লাখ টকা পৰিমানৰ সূতা যোগান ধৰিবলৈ নিৰ্দেশ দিয়ে। আচলতে বিভাগীয় নিয়ম নীতি মতে নিৰ্দেশ দিব লাগে কিন্তু সেইটো নহল। সেই নিয়ম অনুসৰি 'এপ্ৰুভ' লিষ্টৰ সূতা আছে। ইয়াৰ ১ নং আৰু ২ নং সূতা বিতৰণ কৰিব লাগে। এই সূতা তেওঁলোকক 'স্পেচিফিক' হিচাবে যোগান ধৰিব লাগে কিন্তু যোগান ধৰা নহল। এই ১৮ লাখ টকা পৰিমানৰ সূতা এজন বিশেষ ব্যৱসায়ীক যোগান ধৰিবলৈ দিয়া হ'ল। কিন্তু এই সূতা গুডামত পৰি থকা হ'ল ব্যৱহাৰৰ উপযোগী নহল। এই সূতা বিতৰণ কৰাৰ পিচত হিতাধিকাৰী সকলে আবেদন জনালে যে এই সূতা গ্ৰহণযোগ্য নহয়। নতুনকৈ সূতা দিয়াৰ কাৰণে জনোৱাত সঞ্চালক গৰাকীয়ে ধমকি দিছে। ইয়াৰ পিচত লিখিত ভাবে জনোৱাত সঞ্চালক গৰাকীয়ে মন্ত্ৰীৰ স্বাক্ষৰৰ কাৰণে দাখিল কৰিছে। ইয়াৰ পিচত এই সঞ্চালক গৰাকীয়ে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। প্ৰকৃতাৰ্থত যদি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মঙ্গলৰ কাৰণে কাম কৰা হয় তেতিয়াহ'লে নিশ্চয় তেওঁলোকক সা-সুবিধা দিব লাগে। যিবিলাক দিব লাগে সেই বিলাক উন্নত মানৰ হোৱা উচিত। এনে ধৰণৰ ব্যৱস্থা চলালে যে নিবিদা আহ্বান নকৰাকৈ বস্তু লৈছে আৰু বিতৰণ কৰিছে। হিতাধিকাৰী সকলে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে যদিও চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। যিগৰাকী সঞ্চালকে ১৮ লাখ টকাৰ সূতা বিতৰণ কৰিছে তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে? চৰকাৰে আজিৰ সদনতে ইয়াৰ উত্তৰ দিব বুলি মই আশা কৰিছো।

* শ্ৰীগোপীনাথ দাস (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ২৮।৮।৯১ তাৰিখৰ 'অগ্ৰদূত'ত ওলোৱা "ওঠৰ লাখ টকাৰ নাইলন প্লাষ্টিক হ'ল" শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। মৎস্যজীৱি অনুসূচীত জাতিৰ সাহাৰ্য্যৰ বাবে ৪৭

* Speech not corrected.

লাখ টকা আৰু নদীকাষৰীয়া জনজাতি লোকৰ বাবে ১,০০ লাখ মুঠ ১৮,০০ লাখ টকা ১৯৮৯-৯০ চনত পোৱা হয়। ইয়াৰ ভিতৰত সূতাৰ বাবে ১৫.৩১ লাখ টকা আৰু নগদ সাহায্যৰ বাবে ২.৬৯ লাখ টকা। এতিয়ালৈ মুঠ ৮,৩৬ ৩১০ টকাৰ নাইলন সূতা জিলা আৰু মহকুমাত যোগান পোৱা হয় আৰু জিলা মীন উন্নয়ন বিষয়া/মহকুমা উন্নয়ন বিষয়া প্ৰমাণ-পত্ৰৰ ভিত্তিত যোগানকাৰীক টকা আদায় দিয়া হয়।

২৮ আগষ্টৰ 'অগ্ৰদূত'ৰ বাতৰিৰ ভিত্তিত যোগান ধৰা সূতাৰ বিতৰণ বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু অভিযোগ সম্পৰ্কে তদন্তৰ ব্যৱস্থা কৰা হৈছে।

(বিবৃতি অসংশোধিত)

## Matter Under Rule 301

Mr. Speaker: Now item No. 3, Matter Under Rule 301 Shri C. N. Mazumdar.

শ্রীচিত্তেন্দ্র নাথ মজুমদার:— মাননীয় অধ্যক্ষ মহোদয়, আসামে বন সম্পদ বিশেষ করে মূল্যবান যেসব কাঠ অবৈধভাবে বাইরে পাচার হচ্ছে সে সম্বন্ধে এর আগে এই সদনে অনেক আলোচনা হয়েসে। বিভিন্ন পত্র-পত্রিকাতেও এ নিয়ে নানা মতামত প্রকাশিত হয়েছে। আমি এ ব্যাপারে সরকারের দৃষ্টি আকর্ষণ করে বলতে চাই যে শুধু বরাক ভেলিতেই বিগত ৭/৮ বৎসর যাবৎ কোটি টাকা মূল্যের বন সম্পদ অবাধে কিছুলোক আসামের বাইরে ভারতীয় রেল যোগ পাচার করছে। বিভিন্ন মূল্যবান কাঠ বিশেষ করে সেগুণ কাঠ কিছু অসৎ ব্যবসায়ীর মাধ্যমে এখান থেকে পার্শ্ববর্তী রাজ্য মিজোরামে চলে যাচ্ছে এবং সেখান থেকে ট্রানজিট পারমিট নিয়ে এইসব কাঠ পুনরায় আসাম থেকে বিভিন্ন রাজ্যে পাচার হচ্ছে। আমি যতটুকু জানি এই সব কাঠ বরাক উপত্যকার বিভিন্ন রেল ষ্টেচন'র মাধ্যমে উড়িষ্যা, গুজরাট, প্রভৃতি রাজ্যে অবাধে পাচার করা হচ্ছে। এই কাজ্যের জন্য একটা বিরাট চক্র এই অঞ্চলে গড়ে উঠেছে। কিন্তু এই অবাধ পাচার বন্ধ করার জন্য আমাদের সরকার সচেতন বলে আমার মনে হয় না। যদি সরকার বা আমাদের বন বিভাগ এ ব্যাপারে একটু সচেতন হতেন তাহলে নিশ্চয় এইসব মূল্যবান কাঠ অনায়াসে অন্য রাজ্যে পাচার হতে পারতো না। মিজোরামের টেনজিট পারমিট নিয়ে আসামের কাঠ বাইরে চলে

যাওয়ায় এ বাবদ কোন রয়েলটিও আসাম চরকার পাচ্ছে না। বিভাগীয় কতৃপক্ষ একটু তৎপর হলেই এই রাজস্ব আমার লাভ করতে সক্ষম হবো। রেল বিভাগের সঙ্গে একটু যোগাযোগ করলেই জানা যাবে যে বরাক ভেলি থেকে কতটা কাঠ কোন কোন রাজ্যে চলে যাচ্ছে রাতের অন্ধকারে লালা, মনাছেড়া, শিলচর এবং বদরপুৰ রেল ষ্টেচন দিয়ে প্রতিদিন এইসব মূল্যবান কাঠ উরিষ্যা, গুজরাতে চলে যাচ্ছে। হাইলাকান্দির এস ডি পি ও এই অবৈধ কারবার বন্ধ করার জন্য একটু তৎপর হয়েছিলেন। কিন্তু অতি দুঃখের বিষয় সেজন্য তাকে হাইলাকান্দি থেকে বদলী হয়েছে। কিন্তু বন বিভাগের কর্মকর্তা যারা এই অবৈধ কাজে মত দিয়ে যাচ্ছে তাদের কোন শাস্তি বিভাগ থেকে দেওয়া হচ্ছে না। এ বিষয়ে একতা তদন্ত হওয়া দৰকার বলে আমি মনে করি। তাছাড়া বরাক ভেলির বিভিন্ন থানায় কয়েকশ সেগুন কাঠের লগ বহুদিন যাবৎ জব্দ করে রাখা হয়েছে।

( ইন্টারাপশন্- কোন কোন থানায় রয়েছে নাম উল্লেখ করুন )

চার, হাইলাকান্দিতে আছে ২২০ টি লগ যার মুল্য প্রায় ৬ লক্ষ টাকা হবে। করিমগঞ্জে রয়েছে ১১০ টি লগ, কাটলিছেরায় রয়েছে ১০০ টি লগ যার মূল্য হবে প্রায় ২ লক্ষ টাকা আৰু লালাতে রয়েছে ১০০ টি লগ যার মূল্য হবে প্রায় দেড় লক্ষ টাকা। এইসব লগ দীর্ঘদীন ধরে পরে থাকায় এবং ঠিক মত বণ্টন করতে নাপারায় লক্ষ লক্ষ টাকার সম্পদ নষ্ট হতে চলেছে এবং সরকার রাজস্ব থেকে বঞ্চিত হয়েছে। এই ব্যাপারে যে সব বিভাগীয় কর্মচারী জড়িত রয়েছে তাদের যথাবিহিত শাস্তি দেওয়ার জন্য আমি মন্ত্রী মহোদয়ের নিকট দাবী রাখছি। আশা করি মন্ত্রী মহোদয় এব্যাপারে একটা তদন্ত করে বিহিত ব্যৱস্থা গ্রহন করে আসামের মুল্যবান বন সম্পদ রক্ষা করার জন্য সচেষ্ট হবেন।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, বৰাক ভেলীৰ পৰা ৰেলেৰে অসমৰ বাহিৰলৈ গৈ কাঠ আৰু বনজ সম্পদ যোৱাতো বন বিভাগে জানে। এই বনজ সম্পদ বিলাক অসমৰ বন বিভাগৰ অনুজ্ঞা পত্ৰ ( Transit Pass ) ত নিয়া হয়। নিয়মিত অনুজ্ঞা পত্ৰ ( Transit Pass ) থকা কাঠ বিক্ৰী কৰোটাই বা কিনোটাই অসমৰ বাহিৰলৈ নিয়াত কোনো বাধা নাই। বনজ সম্পদ তথা বন ভালদৰে ৰক্ষা কৰিবৰ বাবে ১৮৯১ চনৰ Assam Forest Mannual খন পুনৰাই সংশোধন কৰি বৰ্ত্তমান সময়ৰ অসুবিধা বিলাক আতৰাবৰ প্ৰচেষ্টা চলোৱা হৈছে। বে আইনী ভাবে অনা কাঠ আৰু অন্যান্য বনজ সম্পদ বিভাগীয় আইনমতে ব্যৱস্থা লোৱা হয় আৰু জব্দ কৰা কাঠ আৰু বনজ

সম্পদ বিক্ৰী কৰি বন বিভাগে ৰাজহ আহৰণ কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ বনজ সম্পদ বৰাক ভেলীৰ মাজেদি অসমৰ বাহিৰলৈ ৰেল আৰু পৰিবহনৰ যোগে পঠিওৱা হয়। মাননীয় সদস্য গৰাকীৰ অভিযোগ তদন্ত কৰাৰ পিচত ব্যৱস্থা লোৱা হব।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ: অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয় যে উত্তর দিয়েছেন এতে তিনিও এই ব্যাপারটিকে অবৈধ বলে অভিহিত করেছেন। শাল, সেগুনের মতো মূল্যবান কাঠ অন্যান্য নামে আজ বাইরে পাচার করা হচ্ছে। এইসব কারবার গত ৭/৮ বছর যাবৎ চলে আসছে। যে গুলি কাঠ ধরা হয়েছে সেগুলিরটো হিচাব আমরা এখানে পেয়েচি। কিন্তু তার তুলনায় কতগুণ যে বাইরে পাচার হয়ে গিয়েছে তার হিসাব করা সম্ভব নয়। সুতরাং এদিকে মন্ত্ৰী মহোদয় বিশেষ নজর দিবেন কি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এনে অভিযোগ আছে, আমাৰ কাঠ বাহিৰলৈ 'শীল' মাৰি নিয়া হয়। বিষয়টো চোৱা হব।

শ্ৰীভৰত চন্দ্ৰ নৰহ: মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ বাহিৰত মূল্য বৃদ্ধিৰ বিৰুদ্ধে অসম মহিলা পৰিষদে ধৰ্মঘট কৰি আছে। এইটো ৰাজ্যখনৰ অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। সেই কাৰণে 'কল' ১৫ত মূল্যবৃদ্ধিৰ বিষয়ে উল্লেখ আছে। মুখ্যমন্ত্ৰী মহোদয়ে বাজেত উত্থাপন কৰাৰ যথেষ্ট সময় আছে গতিকে এই গুৰুত্বপূৰ্ণ বিষয় টো আলোচনা কৰিব লাগে।

মাননীয় অধ্যক্ষ: যিহেতু আজি বাজেট আছে সেয়ে এইটো আজি নহব। পিচত আলোচনা কৰা হব।

Now item No. 4, Shri Hiteswar Saikia, Chief Minister to present the Annual Financial Statement (Budget Estimates) of the Government of Assam for the year, 1991-92.

শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট উত্থাপন কৰাৰ আগতে মই যিখন নটিচ' দিছো তাৰ বিষয়ে আলোচনা হব লাগে। কাৰণ বাজেট আগতে 'লিক' হৈছে। বাজেটৰ বিষয়ে বাতৰি কাকতত দিয়াৰ পিচত সদনত উত্থাপন কৰাৰ কি কাৰণ আছে?

Speech not corrected

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট উত্থাপন কৰিব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই বাজেট উত্থাপন কৰোতে আমাক সদনে বিশ্বাসত লব লাগে। এই বাজেট বাতৰি কাকতত ওলাই গৈছে। এই বিষয়ে কোনো স্পষ্টীকৰণ দিয়া নাই। তাৰ প্ৰতিবাদত আমি সদন ত্যাগ কৰিলো। (দুপৰীয়া ১২.২৭ মিনিটত অসম গণপৰিষদ দলে সদন ত্যাগ কৰে।)

## Presentation of the Annual financial statement (Budget Estimats) of the Assam for the year 1991-92

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত ১৯৯১-৯২ চনৰ বাজেট প্ৰাক্কলন দাঙি ধৰিবলৈ পাই মই আনন্দ পাইছো।

### ৰাজ্যৰ অৰ্থনীতি

আগৰ কেইবছৰৰ তুলনাত ১৯৯০-৯১ চনৰ বছৰটোত ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থা সামান্য পৰিমাণে উন্নত আছিল। বৰষুণৰ পৰিমাণ ভালেখিনি অনুকুল হোৱাৰ বাবে আৰু বৰ ভয়াবহ ধৰণে বানপানীও নোহোৱাৰ সুবিধাত বছৰটোত শীতকালীন, গ্ৰীষ্মকালীন আৰু শৰৎকালীন ধানৰ উৎপাদন চাউলৰ হিচাপত আগৰ বছৰৰ ২৭.৯৬ লাখ টনৰ বিপৰীতে ৩২.৭৫ লাখ টন হয়গৈ। বছৰটোত মৰাপাট, সৰিয়হ আৰু আলুৰ উৎপাদনো সন্তোষজনক ভাবে বৃদ্ধি পায়। পিছে সামগ্ৰিকভাৱে গোটেইখন দেশৰ লগত তুলনা কৰি চালে ৰাজ্যখনৰ কৃষিখণ্ডৰ উন্নতিয়ে সন্তোষ নোপজায়। ১৯৮৭-৮৮ আৰু ১৯৮৯-৯০ চনৰ বছৰ দুটাত সামগ্ৰিক ভাবে দেশৰ ১৫১.৩ আৰু ১৮৬ৰ বিপৰীতে ৰাজ্যখনত কৃষি উৎপাদনৰ সূচী আছিল যথাক্ৰমে ১৫৪.৪৪ আৰু ১৫৬ (ভিত্তি ১৯৬৯-৭০ = ১০০)। ঔদ্যোগিক আৰু খনিজ উৎপাদনৰ দিশত খাৰুৱা তেল, পেট্ৰল-জাত সামগ্ৰী, কয়লা আৰু প্ৰাকৃতিক গেচৰ দৰে গুৰুত্বপুৰ্ণ সামগ্ৰীৰ উৎপাদন ১৯৯০ চনত ভালেখিনি কমি আহিছিল। অৱশ্যে চেনি, সৰিয়হ তেল, মৰাপাটৰ সামগ্ৰী আৰু কাগজৰ লেখীয়া কেইটামান সৰু সুৰা খণ্ডত উৎপাদনৰ পৰিমাণ বঢ়াৰ বাবে সেই বছৰত ঔদ্যোগিক উৎপাদনৰ সূচী ১৯৮৯ চনৰ ১৮৪ৰ পৰা ১৯৯০ চনত ১৮৯ লৈ (ভিত্তি ১৯৭০ = ১০০) সামান্য পৰিমাণে বাঢ়িছিল।

তথাপিও ই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃদ্ধিৰ তুলনাত তেনেই কম আছিল। সামগ্ৰিকভাবে দেশখনৰ ঔদ্যোগিক উৎপাদন সূচী ১৯৮৯-৯০ চনৰ ১৯৬'৪ৰ পৰা ১৯৯০-৯১ চনত ২১২'৯ লৈ ( ভিত্তি ১৯৮০-৮১ = ১০০ ) বৃদ্ধি পাইছিল।

## ৰাজ্যিক ঘৰুৱা উৎপাদন

দ্ৰুত হিচাপমতে চলিত মূল্যত ১৯৮৮-৮৯ চনৰ ৬৫৬৩'২৩ কোটি টকাৰ পৰা শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৭'৩ শতাংশ হাৰত বাঢ়ি ১৯৮৯-৯০ চনত ৭৬৯৮'৭৪ কোটি টকা হয়গৈ। স্থিৰ মূল্যত (১৯৮০ ৮১ চনৰ) হিচাপ কৰিলে এই পৰিমাণ ১৯৮৮-৮৯ চনৰ ৩৫৯০.২৫ কোটি টকাৰ পৰা ১১.৩ শতাংশ হাৰত বাঢ়ি ১৯৮৯-৯০ চনত ৩৯৯৬'৪৫ কোটি টকা হয়গৈ। একেছোৱা সময়ত চলিত মূল্যত জনমূৰি ৰাজ্যিক ঘৰুৱা উৎপাদনো ১৪.৬ শতাংশ হাৰত ১৯৮৮-৮৯ চনৰ ২৭৭২ টকাৰ পৰা ১৯৮৯ ৯০ চনত ৩১৭৮ টকালৈ বৃদ্ধি পায়। স্থিৰ মূল্যত (১৯৮০-৮১) ইয়াৰ পৰিমাণ ১৯৮৮-৮৯ চনৰ ১৫১৬ টকাৰ পৰা ৮.৮ শতাংশ হাৰত বাঢ়ি ১৯৮৯-৯০ চনত ১৬৫০ টকা হয়গৈ। চলিত মূল্যত সামগ্ৰিকভাবে দেশখনত জনমূৰি আয় ১৯৮৮-৮৯ চনৰ ৩৮৭৫ টকাৰ পৰা বাঢ়ি ১৯৮৯-৯০ চনত ৪২৫২ টকা হয়গৈ।

## মূল্য পৰিস্থিতি

ৰাজ্যখনত সাধাৰণভাৱে মূল্যমানৰ ওপৰত হেঁচা পৰিয়েই আছিল আৰু ১৯৮৯ ৰ তুলনাত ১৯৯০ চনলৈ পাইকাৰী মূল্যসূচী ১০'৯ শতাংশৰ বিপুল হাৰত বাঢ়ি গৈছিল। একেদৰেই গ্ৰাহক মূল্য সূচীও ১৯৮৯ৰ তুলনাত ১৯৯০ চনলৈ ৬.৮ শতাংশ হাৰত বাঢ়িছিল।

## ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনা

এই পবিত্ৰ সদনক জনাবলৈ পাই মই সুখী হৈছো যে ১৯৯১-৯২ চনত ৰাজ্যখনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবদ ৮০৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। ই ১৯৯০-৯১ চনৰ ৬৭৫ কোটি টকাৰ পৰিকল্পনাৰ তুলনাত শতকৰা ১৯.২৫ ভাগ বেছি। পাৰ্বত্য পৰিকল্পনা. জন-জাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ ক্ষেত্ৰতো নিৰ্দ্ধাৰণ কৰা টকাৰ পৰিমান ভালেখিনি বঢ়োৱা হৈছে। পাৰ্বত্য পৰিকল্পনাৰ বাবদ ১৯৯০-৯১ চনৰ ৪৭ ৯০ কোটি টকাৰ পৰা ১৯৯১৯২-

চনৰ বাবে ৫৬.৪৮ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে জনজাতীয় উপ-পৰিকল্পনাৰ ক্ষেত্ৰতো যোৱা বছৰৰ ৬৮.৫০ কোটি টকাৰ পৰা ৭৯.৭৯ কোটি টকালৈ আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বেলিকা ৪২.১২ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। চূড়ান্ত সিদ্ধান্ত শাপেক্ষে সংযোগী বিশেষ কেন্দ্ৰীয় সাহাৰ্য্যৰ জৰিয়তে পাৰ্বত্য পৰিকল্পনা, জনজাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ নিৰ্দ্ধাৰিত ব্যয়ৰ পৰিমান ক্ৰমে ४०.৬৬ কোটি, ১০.২৬ কোটি আৰু ২.৪১ কোটি টকাকৈ আৰু বাঢ়িব বুলি হিচাপত ধৰা হৈছে। এই গোটেই পৰিকল্পনাৰ ব্যয় সম্পূৰ্ণভাবে কেন্দ্ৰই বহন কৰিব। ৰাজ্যিক পৰি-কল্পনাৰ ব্যবে ধাৰ্য্য কৰা ৮০৫ কেটি কেন্দ্ৰীয় সাহাৰ্য্যৰ ৫০.২৩ কোটি টকা হ'ল নৱম বিত্ত আয়োগে অনুমোদন কৰা ৰাজ্য পৰিকল্পনা মঞ্জুৰী। বাকীখিনি ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে অনুমোদন কৰা মতে শতকৰা ৯০ ভাগ মঞ্জুৰী হিচাপে আৰু দহভাগ ঋণ হিচাপে কেন্দ্ৰই আগবঢ়াব।

## পৰিকল্পনা নীতি

ৰাজ্যিক পৰিকল্পনাৰ অধীনত শক্তি খণ্ডত সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। আৰু ইয়াৰ বাবে মুঠ পৰিকল্পনা ব্যয়ৰ শতকৰা ২৪.৭০ ভাগ অৰ্থাৎ ১৯০.৮০ কোটি টকা ধৰা হৈছে। ইয়াৰ পিচতেই অগ্ৰাধিকাৰ দিয়া হৈছে সামাজিক সেৱা খণ্ডত। মুঠ পৰিকল্পনা ব্যয়ৰ শতকৰা ২২.৯৬ ভাগ অৰ্থাৎ ১৮৪.৪৮ কোটি টকা এই খণ্ডৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে। কৃষি আৰু আনুষঙ্গিক খণ্ডৰ বাবে ১২০ কোটি (১৪.৯%) আৰু জলসিঞ্চন তথা বান নিয়ন্ত্ৰণৰ বাবে ১০৯.২৫ কোটি (১৩.০৭%) টকা নিৰূপণ কৰা হৈছে।

## গ্ৰামোন্নয়ন

দাৰিদ্ৰ্য সীমাৰেখাৰ তলত জীৱন নিৰ্বাহ কৰা দুখীয়া গাওঁবাসী ৰাইজৰ অৱস্থাৰ উন্নতি সাধনেই হ'ল গ্ৰামোন্নয়ন আঁচনি সমূহৰ মুখ্য উদ্দেশ্য। কৃষি, ক্ষুদ্ৰ উদ্যোগ, পৰিবহন আৰু যোগাযোগ তথা স্বাস্থ্য সেৱাৰ সামাগ্ৰিক উন্নয়নৰ জৰিয়তে গাওঁবাসী ৰাইজৰ জীৱন আৰু অৱস্থা উন্নত কৰাটোৱে হব আমাৰ লক্ষ্য। এই কাৰ্য্যই গাওঁবাসী ৰাইজৰ চহৰ অভিমুখে হোৱা ব্যাপক প্ৰব্ৰজন ফলপ্ৰসূ ভাৱে ৰোধ কৰাৰ লগতে প্ৰব্ৰজনৰ সোঁত বিপৰীতমুখী কৰি চহৰ অঞ্চলত জনসংখ্যাৰ হেচা কমাব। সম্প্ৰতি সংহত গ্ৰাম্য বিকাশ আঁচনি আৰু

জৱাহৰ ৰোজগাৰ যোজনা নামৰ দাৰিদ্ৰ্য দূৰীকৰণৰ ঘাই আঁচনি ছুখনেই গাওঁ উন্নয়ন কাৰ্য্যসূচীসমূহৰ মূল কাৰ্য্যসূচী।

সংহত গ্ৰাম্য বিকাশ আঁচনিৰ উদ্দেশ্য হ'ল চিনাক্ত কৰি লোৱা পৰিয়াল বৰ্গক সাহাৰ্য্যমূলক আনুষ্ঠানিক বিত্তীয় ঋণ সহায়েৰে কাৰ্যক্ষম আঁচনিৰ যোগেদি আত্মনিয়োগৰ ব্যৱস্থা কৰি দিয়া। যোৱা বছৰটোত ৫০,৩৪৫ টা পৰিয়ালক এনে সাহাৰ্য্য দিয়া হৈছে আৰু ১১.৭১ কোটি টকাৰ অৰ্থ সাহাৰ্য্য বিতৰণ কৰা হয়।

পূৰ্বৰ এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি, নামৰ আঁচনি ছুখন একেলগ কৰি জৱাহৰ ৰোজগাৰ যোজনাখন কৰা হৈছে। এই আঁচনিৰ মূল উদ্দেশ্য হ'ল, দিন মজুৰিৰ ভিত্তিত কৰ্ম সংস্থান সৃষ্টি কৰি স্থায়ী সমূহীয়া সম্পদ গঢ়ি তোলা। যোৱা বছৰত প্ৰায় ৫৬ কোটি টকা ব্যয় কৰি ১২৬ লাখ শ্ৰম দিনৰ নিয়োগ সৃষ্টি কৰা হৈছিল। এনেদৰে গঢ়ি তোলা সমূহীয়া সম্পদৰ ভিতৰত আছে ৯৩৫ টা স্কুলঘৰ, ২২০৮ কি: মি: দৈৰ্ঘ্যৰ গ্ৰাম্য সংযোগী পথ, ৫৭৫ টা স্বাস্থ্য সম্মত গ্ৰাম্য শৌচাগাৰ আৰু ২২৯৯ টা ইন্দিৰা আবাস যোজনাৰ পকা ঘৰ।

তদুপৰি ট্ৰাইচেম আঁচনিৰ অধীনত গ্ৰাম্য নিবনুৱা যুবকৰ কাৰণে আত্ম-নিযুক্তিৰ সা-সুবিধা আগবঢ়োৱা হৈছে। গ্ৰাম্যাঞ্চলৰ মহিলা আৰু শিশু বিকাশ আচনিৰ (DWCRA) অধীনত গাওঁ অঞ্চলৰ মহিলা আৰু শিশু সকলৰ বিকাশতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰতিখন জিলা/জিলা পৰিষদৰ এলেকাত ১০ লাখ টকাকৈ খৰচ কৰি একোখন আদৰ্শ গাওঁ গঢ়ি তোলাৰ আঁচনি চলিত বছৰৰ পৰিকল্পনাত সন্নিবিষ্ট কৰাটো হ'ল এই বাৰৰ গ্ৰামোন্নয়ন আঁচনিৰ এক উজ্বল দিশ।

## সমবায়

ৰাজ্যখনত সমবায় আন্দোলন ব্যাপক আৰু শক্তিশালী কৰি তোলাটো চৰকাৰৰ এক প্ৰধান প্ৰচেষ্টা হ'ব। ১৯৯১-৯২ চনৰ ৰাজ্যিক পৰিকল্পনাত সমবায় ক্ষেত্ৰত অনুমোদিত ধনৰ পৰিমাণ ১১০৩ কোটি টকা। তদুপৰি জন-জাতীয় উপ-পৰিকল্পনাৰ কাৰণে ৪০ লাখ টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যৰ লগতে সমবায় খণ্ডত নিয়োগ সৃষ্টিৰ আঁচনিৰ বাবে অতিৰিক্ত ২৯০ কোটি টকাৰ আবণ্টন দিয়া হৈছে। কৃষি কেন্দ্ৰিক আঁচনি আৰু সমবায় ঋণদান ব্যৱস্থাৰ উন্নতিৰ ওপৰত আৰোপ কৰা গুৰুত্বৰ প্ৰতি লক্ষ্য কৰি মজুতকৰণ ব্যৱস্থা আৰু

পণ্যাগাৰৰ কাৰণে তথা কৃষি বিত্তীয় প্ৰতিষ্ঠান সমূহত বিনিয়োগৰ কাৰণে ৬২ লাখ টকা আচুতীয়াকৈ ধাৰ্য্য কৰা হৈছে। চলিত বছৰত ১৩২৭ কোটি টকা ব্যয়েৰে ষ্টেটফেডে ইয়াৰ বনস্পতি প্ৰকল্পটোৰ ৬২৫ টি পি টিৰ পৰা ১২৫ টি পি টিলৈ প্ৰসাৰণৰ কাম সম্পূৰ্ণ কৰিব বুলি আশা কৰা হৈছে।

## বন

ৰাষ্ট্ৰীয় নীতি হিচাপে গৃহীত হোৱা বন সংৰক্ষণ আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ আন্তৰ্জাতিক চিন্তাৰ পৰিপ্ৰেক্ষিতত বনভূমিক ৰাজহ উপাৰ্জনৰ এক প্ৰধান সমল হিচাপে গণ্য কৰাটো অন্ততঃ সদ্যহতে বন্ধ হৈছে। এই সাধাৰণ উপলব্ধিৰ আধাৰতে চলিত বছৰটোত গভীৰ আৰু বিস্তৃত ভাবে বনাঞ্চল প্ৰসাৰণত গুৰুত্ব আৰোপ কৰা হ'ব। ছন পৰা মাটিত বৃক্ষৰোপণ কৰা, আৰ্থিক পৰিমাণে সমূহীয়া এলেকা আৰু চৰকাৰী পটিত মাটি বৃক্ষৰোপণেৰে সামৰি লোৱা, ব্যক্তিগত বৃক্ষৰোপণত উদগনি দিয়া, অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ বাবে ব্যৱস্থা গ্ৰহণ এই ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ কেতবোৰ অংগ হ'ব। বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বন্যপ্ৰাণীৰ সামগ্ৰিক উন্নতি সাধন আৰু ৰক্ষণাবেক্ষন নীতিৰ অংগ হিচাপে অতুলনীয় আৰু বিপন্ন প্ৰজাতি সমূহৰ সুৰক্ষাত গুৰুত্ব দিয়া হ'ব।

এই খণ্ডৰ বাবে চলিত বছৰৰ পৰিকল্পনাত ২২·৩৩ কোটি টকা ধৰা হৈছে। চলিত বছৰৰ আঁচনি সমূহৰ ভিতৰত আছে ৫·১৫ কোটি হেক্টৰ মাটিত বৃক্ষৰোপণ, এটা বন সুৰক্ষা বাহিনী গঠন, বনগাওঁ সমূহৰ গাঠনিগত তথা অন্যান্য সা-সুবিধাৰ উন্নতি সাধন আৰু টেলি-সংযোগৰ এটা ব্যৱস্থা গঢ়ি তোলা আদি।

## ভূমি ৰাজহ আৰু ভূমি নীতি

ভূমি ৰাজহ সংগ্ৰহ কম-বেছি পৰিমাণে স্থবিৰ আৰু সামগ্ৰিক প্ৰয়োজনৰ তুলনাত বহুখিনি কম হৈ আছে। উপৰ্য্যুপৰি অহা প্ৰবল বানপানীয়েই ৰাজহ সংগ্ৰহ কম হোৱাৰ কাৰণ বুলি ধৰা হয়। আনহাতে জনসংখ্যা বৃদ্ধি ঔদ্যোগীকৰণ আৰু প্ৰাকৃতিক দুৰ্যোগ আদিৰ ফল স্বৰূপে বৰ্তমানে ব্যৱহাৰ কৰিব পৰা ভূমিখণ্ডৰ ওপৰত হেঁচা অধিক বাঢ়ি গৈছে। ৰাজ্যখনৰ দ্ৰুত উন্নয়ন আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ বিবেচনাত সকলো শ্ৰেণীৰ ভূমিৰ সমবিতৰণ আৰু যথোচিত ব্যৱহাৰ সুনিশ্চিত কৰাটো চৰকাৰৰ প্ৰচেষ্টা হ'ব। এনেবোৰ উদ্দেশ্য আগত ৰাখি ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনাত ১১,৯২০ টা পৰিয়ালক নুন্যতম প্ৰয়োজন আঁচনিৰ অধীনত ঘৰ সজা মাটি দিব পৰাকৈ আৰ্থিক সাহায্য

দিবলৈ ২.৯৮ কোটি টকাৰ আবণ্টন ৰখা হৈছে। এইবাৰ বাৰ্ষিক পৰিকল্পনাত চৰ অঞ্চলৰ জৰীপৰ নতুন আঁচনি এখনো অন্তৰ্ভুক্ত কৰা হৈছে। ৰাজহ সংগ্ৰহ ব্যৱস্থা সুষম কৰিবলৈ আৰু ভূমি ৰাজহৰ নথি-পত্ৰৰ আধুনিকীকৰণৰ বাবে শোণিতপুৰ জিলাত কম্পিউটাৰৰ ব্যৱহাৰ আৰম্ভ কৰা হৈছে আৰু বৰ্তমানৰ পট্টা সমূহৰ ঠাইত পৰ্য্যায়ক্ৰমে পাছবুকত পট্টা দিয়া হ'ব।

## বান-নিয়ন্ত্ৰণ

বানপানীৰ ফলত হোৱা জীৱন আৰু সম্পত্তি নাশৰ বিৱৰণ আৰু বান নিয়ন্ত্ৰণৰ বাবে বিস্তৃত ব্যৱস্থাৰ প্ৰয়োজনৰ ওপৰত এই পবিত্ৰ সদনত বহুবাৰ আলোকপাত কৰা হৈছে। চলিত বছৰটো মে' মাহত বৰাক উপত্যকাত আৰু ৰাজ্যৰ বাকী অংশত জুলাই মাহত হোৱা বানপানীত ৪০ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হয়, ৮০ জন লোকে প্ৰাণ হেৰুৱায়, হেজাৰ হেজাৰ ঘৰ-বাৰী, ব্যাপক পৰিমাণৰ খেতি-পথাৰ আৰু ৰাজহুৱা সম্পত্তি বিনষ্ট হয়। ব্যাপক হাৰত নিয়মীয়াকৈ হোৱা এনে ক্ষতিৰ ভাৰ বহন কৰিবলৈ ৰাজ্যখনৰ বিত্তীয় অৱস্থা অপাৰগ। ৰাজ্যখনৰ সীমিত বিত্তীয় ক্ষমতাৰে দুৰ্দ্দশাগ্ৰস্ত লোক সকলক সাহাৰ্য্য দিয়া হৈছে যদিও কাৰ্য্যকৰীভাৱে বানপানী ৰোধ কৰিবৰ কাৰণে লগা ব্যৱস্থা লোৱাটো ৰাজ্য চৰকাৰৰ শক্তি আৰু সামৰ্থ্যৰ বাহিৰত। সেই কাৰণে ব্ৰহ্মপুত্ৰ আৰু বৰাক অৱবাহিকাৰ বাবে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে প্ৰস্তুত কৰি দাখিল কৰা মাষ্টাৰ প্ল্যান খৰতকীয়াভাবে ৰূপায়ণ কৰিবৰ কাৰণে পুঁজি দিবলৈ কেন্দ্ৰক সৈমান কৰাটোতেই ৰাজ্য চৰকাৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিব। চলিত বছৰটোত দুৰ্য্যোগ সাহায্য পুঁজিৰ পৰা বান সাহায্যৰ বাবে সৰ্বমুঠ ১৫.৮৫ কোটি টকা খৰচ কৰা হয়। ১৯৯১-৯২ বছৰৰ পৰিকল্পনাত বান নিয়ন্ত্ৰণৰ শিতানত সাধাৰণ অঞ্চলৰ বাবে থকা ১৩.৯২ কোটি টকা আৰু পাৰ্বত্য এলেকাৰ বাবে থকা ৭৫ লাখ টকা কিছুমান নতুন মথাউৰি নিৰ্মাণ, ভূমিস্খলন ৰোধ কৰা, নলা-নৰ্দমা খন্দা আৰু বৰ্তমানে থকা কেতবোৰ মথাউৰি মজবুত কৰিবৰ বাবে ব্যয় কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ ফলত ০.০৪ লাখ হেক্টৰ পৰিমানৰ অঞ্চল উপকৃত হ'ব। কেইটামান নতুন মথাউৰি নিৰ্মাণ, নতুন সুৰক্ষা ব্যৱস্থা আৰু শ্লুইচ নিৰ্মাণৰ বাবে ২৫ কোটি মান টকাৰ কেন্দ্ৰীয় ঋণ সাহাৰ্য্য আশা কৰা হৈছে। ইয়াৰ দ্বাৰা ০.০৯ লাখ হেক্টৰ অঞ্চল উপকৃত হ'ব।

## শিক্ষা

শিক্ষাৰ ক্ষেত্ৰত নিৰক্ষৰতা দূৰীকৰণৰ লক্ষ্য আগত ৰাখি হাতত লোৱা আ'নুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় বিধৰ শিক্ষা আঁচনিত ল'ৰা-ছোৱালী তথা বিভিন্ন বয়সৰ অন্যান্য শ্ৰেণীৰ লোকৰ বাবে শিক্ষাৰ সা-সুবিধা আগবঢ়োৱাই হ'ব আমাৰ প্ৰচেষ্ট। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লগত সামঞ্জস্য ৰাখি শিক্ষাৰ সামগ্ৰীক মানৰ উন্নয়ন আৰু ইয়াৰ আধুনিকীকৰণত অগ্ৰাধিকাৰ দিয়া হ'ব। সকলো প্ৰাথমিক বিদ্যালয়লৈ বিনামূলীয়া পাঠ্যপুথি আৰু সা-সঁজুলিৰ যোগান, জলপানী দান, অনুসূচীত জাতি আৰু জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ জলপানীৰ ব্যৱস্থাৰে উদগনি দিয়া তথা প্ৰাথমিক বিদ্যালয়ৰ মেধাবী শিক্ষকক পুৰস্কাৰ প্ৰদান আদিয়েও অগ্ৰাধিকাৰ পাই থাকিব। ১৯৯০-৯১ চনৰ ৭২.৯৫ কোটি টকাৰ পৰা ১৯৯১-৯২ চনত পৰিকল্পনাৰ ধন ৮৮.২৭ কোটি টকালৈ বৃদ্ধি কৰি মাধ্যমিক পৰ্য্যায়ৰ বৃত্তিগত আৰু বিজ্ঞান শিক্ষাৰ আঁচনি অধিক ব্যাপক কৰি তোলা হ'ব।

## কলা আৰু সংস্কৃতি

অসমৰ জনজাতীয় কৃষ্টি, লোক আৰু পৰম্পৰাগত নৃত্য-গীতৰ সংৰক্ষণ আৰু প্ৰচাৰত যথাযোগ্য গুৰুত্ব আৰোপ কৰি ৰাজ্যেখনৰ কলা-সংস্কৃতিৰ বিকাশৰ অৰ্থে বিভিন্ন আঁচনি ৰূপায়ণ কৰা হ'ব। আমাৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণৰ কাৰণে পুথি প্ৰকাশ, গীত-মাত বানীবদ্ধকৰণ, তথ্যচিত্ৰ নিৰ্মাণ আদিৰ কামো ইয়াৰ ভিতৰত সামৰি লোৱা হ'ব। পৰস্পৰৰ সংস্কৃতিৰ লগত ঘনিষ্ঠ পৰিচিতিৰ উদ্দেশ্যে ৰাজ্যখনৰ বাহিৰে ভিতৰে অধিক সঘনাই সাংস্কৃতিক দলৰ আদান-প্ৰদানত উৎসাহ দিয়া হ'ব।

## স্বাস্থ্য

প্ৰতিখন জিলা আৰু প্ৰতিখন মহকুমা সদৰত ক্ৰমে একোখনকৈ ২০০ খন আৰু ১০০ খন বিছনাযুক্ত চিকিৎসালয় স্থাপনৰ প্ৰয়োজন। চলিত বছৰত বিশ্বনাথ চাৰিআলিত ১০০ খন বিছনাযুক্ত এখন চিকিৎসালয় মুকলি কৰাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ উপৰিও আৰু ৪ খন ১০০ খন বিছনাযুক্ত আৰু ৭ খন ২০০ খন বিছনাযুক্ত চিকিৎসালয়ৰ বাবে ঘৰ নিৰ্মাণৰ কাম এই বছৰতে হাতত লোৱা হ'ব। লগতে ডিফু আৰু হাফলঙৰ ১০০ বিছনাযুক্ত চিকিৎসালয় দুখনক ২০০ বিছনাযুক্ত কৰা হ'ব। গ্ৰাম্য স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত থকা গুৰুত্ব অব্যাহত ৰখা

হ'ব। গাওঁ অঞ্চলত পাৰ্বত্য জিলা দুখনত ১০ টাকৈ ধৰি মুঠ ৫০ টা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু একেদৰে পাৰ্বত্য জিলাত এটাকৈ ধৰি দহোটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ পতাৰো প্ৰস্তাৱ কৰা হৈছে। মেলেৰীয়া, যক্ষ্মা, কুষ্ঠ আদি সেঁচৰা ব্যাধিৰ নিয়ন্ত্ৰণ আৰু দৃষ্টিহীনতা নিবাৰণ আদি ৰাষ্ট্ৰীয় কাৰ্য্যসূচী ৰূপায়ণত অধিক গুৰুত্ব আৰোপ কৰা হ'ব। স্বাস্থ্য শিতানত পৰিকল্পনা ব্যয় ১৯৯০-৯১ চনৰ ২৭·৯০ কোটি টকাৰ পৰা ১৯৯১-৯২ চনৰ বছৰটোত ৩০·১০ কোটি টকালৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

## উদ্যোগ

উদ্যোগ খণ্ডত স্ব-নিয়োজনৰ যোগেদি পৰ্য্যাপ্ত পৰিমাণে নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ উপৰিও ৰাজ্যখনৰ ক্ষিপ্ৰ ঔদ্যোগীকৰণৰ প্ৰতি দৃষ্টি ৰাখি চৰকাৰে নতুন উদ্যোগ নীতি, ১৯৯১ ৰচনা কৰিছে। স্থানীয় নাটনি, পাৰিপাৰ্শ্বিকতা আৰু স্থানীয় ভাৱে পাব পৰা কেচামালৰ ভেটীত উদ্যোগৰ বিকাশ আৰু বিস্তাৰেই নতুন উদ্যোগ নীতিৰ লক্ষ্য। বিগত বছৰটোত ২৭৪৬ টা ক্ষুদ্ৰ উদ্যোগ গোট স্থাপন কৰা হৈছিল আৰু ইয়াৰ জৰিয়তে ১১,৩১৫ জন লোকৰ কৰ্ম সংস্থান ওলাইছিল। ইয়াৰ বিপৰীতে চলিত বছৰত ১৬,৮০০ জনৰ নিয়োগ সম্ভাৱনাৰে ২৮০০ টা গোট স্থাপনৰ লক্ষ্য ৰখা হৈছে। হস্ত শিল্পৰ খণ্ডত ১৯৯০-৯১ বৰ্ষত ৬১৫৮ গৰাকী কাৰুশিল্পীৰ নিয়োগৰ ব্যৱস্থাৰে ২২০১ টা কাৰু শিল্প ভিত্তিক গোট স্থাপন কৰা হৈছিল। ১৯৯১-৯২ চনৰ লক্ষ্য হৈছে ২৩,৭০০ জনৰ নিয়োগ সম্ভাৱনাৰে ২৪০০ টা গোট স্থাপন কৰা। ঔদ্যোগীকৰণৰ ক্ষেত্ৰত মৌলিক গাথনিগত সা-সুবিধা সৃষ্টিৰ দিশত প্ৰধান গুৰুত্ব দিয়া হৈছে। আৰু এই উদ্দেশ্য পূৰণৰ হকে গাথনিগত উন্নয়ন নিগম স্থাপন কৰাৰ ব্যৱস্থাও হাতত লোৱা হৈছে। ডিগবৈত এখন নতুন ঔদ্যোগিক পাম স্থাপনৰ কথা বিবেচনা কৰি থকা হৈছে। এভাৰেষ্ট চাইকেল লিমিটেডক এখন পূৰ্ণাংগ প্লাষ্টিক ঔদ্যোগিক পামলৈ ৰূপান্তৰিত কৰাৰ বিষয়টোও বিবেচনাধীন হৈ আছে। ৩০ কোটি টকালৈ আনুমানিক ব্যয়ত দুটা গ্ৰুপ চেণ্টাৰ পতাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱা হৈছে। ঔদ্যোগীকৰণৰ ক্ৰমবৰ্দ্ধমান কাম সম্পন্ন কৰাৰ উদ্দেশ্যে ১৯৯০-৯১ চনৰ ৫৬·৩২ কোটি টকাৰ ঠাইত ১৯৯১-৯২ চনত ৬৩·৩৫ কোটি টকা ধৰা হৈছে।

## পিছপৰা সম্প্ৰদায়ৰ কল্যাণ

অসমৰ চাহ-জনজাতি আৰু প্ৰাক্তন চাহ জনজাতিকে ধৰি অন্যান্য পিছপৰা সম্প্ৰদায় অনুসূচীত জাতি আৰু ভৈয়ামৰ জনজাতীয় সম্প্ৰদায়ৰ লোক সকলৰ খৰতকীয়া আৰ্থ-সামাজি উন্নয়নৰ বাবে চৰকাৰে বিশেষ মনযোগ দি আহিছে। বৰ্তমান বিত্তীয় বছৰৰ বাজেটত ৰাজ্যিক পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ধনৰ ৭৯.৭৯ কোটি টকা আৰু বিশেষ কেন্দ্ৰীয় সাহাৰ্য্যৰ অন্য ১০.২৬ কোটি টকা জনজাতীয় উপ-পৰিকল্পনাত নিৰ্দ্ধাৰণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। চলিত বিত্তীয় বছৰটোত অনুসূচীত জাতিৰ বাবে বিশেষ সংযোগী পৰিকল্পনাৰ অধীনত প্ৰস্তাৱিত বাজেট ব্যৱস্থা হ'ল ৰাজ্যিক পৰিকল্পনাৰ ধনৰ পৰা ৪৮.২১ কোটি টকা আৰু বিশেষ কেন্দ্ৰীয় সাহায্যৰ পৰা ২.৪১ কোটি টকা। সামাজিক সেৱাৰ ক্ষেত্ৰত প্ৰাথমিক স্বাস্থ্য সেৱা, খোৱা পানী যোগান আৰু বিশেষকৈ অনুসূচীত জাতি আৰু জনজাতিৰ বাবে প্ৰাথমিক শিক্ষাকে ধৰি শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হৈছে। অনুসূচীত জাতি, জনজাতি আৰু চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়কে ধৰি অন্যান্য পিছপৰা সম্প্ৰদায়ৰ পৰিয়ালক আৰু বিশেষকৈ তেওঁলোকৰ ভিতৰত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা সকলক অত্ম-নিয়োজনৰ ক্ষেত্ৰত অধিকতৰ গুৰুত্ব দিয়া হ'ব।

## নিয়োগ

ৰাজ্যখনত ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাটো এতিয়াও অতিশয় উদ্বেগৰ কাৰণ হৈ আছে। আৰু সেয়ে, বৰ্তমান চৰকাৰে দায়িত্বভাৰ লোৱাৰে পৰা ই চৰকাৰৰ মনোযোগ অধিকাৰ কৰি আহিছে। নিয়োগ সম্ভাৱনা সৃষ্টিয়ে জনসংখ্যা বৃদ্ধি আৰু শিক্ষাৰ প্ৰসাৰৰ লগত ভাৰসাম্য কৰিব পৰা নাই। দৰাচলতে এফালে যেতিয়া সংস্থান প্ৰাৰ্থীৰ সংখ্যা বাঢ়ি গৈ আছে, আনহাতে তেনেকৈয়ে এতিয়ালৈকে হাতত পৰা শেহতীয়া তথ্যমতে ১৯৮৯-৯০ চনৰ ভিতৰত সংগঠিত খণ্ডত নিয়োজিত লোকৰ মুঠ সংখ্যা কমিহে গৈছিল। ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰৰ চলিত পঞ্জীত কৰ্ম প্ৰাৰ্থীৰ সংখ্যা ১৯৮৯ চনৰ ৯.৭৭ লাখৰ পৰা ১৯৯০ জুলাই মাহলৈকে ১০.২১ লাখলৈ বৃদ্ধি পায়। আনহাতে ৰাজ্যখনৰ ৰাজহুৱা আৰু ব্যক্তিগত দুয়োবিধৰ সংগঠিত খণ্ডত মুঠ নিয়োগৰ সংখ্যা ১৯৮৯ চনৰ মাৰ্চ মাহৰ ৯.৯৫ লাখৰ বিপৰীতে ১৯৯০ চনৰ মাৰ্চ মাহত আছিল মাত্ৰ ৯.৮৮

লাখহে। ইয়াৰে এটা অতিশয় উদ্বেগজনক দিশ হ'ল এয়ে যে কৰ্মপ্ৰাৰ্থী সকলৰ ৫৭ শতাংশই আছিল শিক্ষিত নিবনুৱা। এটা নিৰ্ধাৰিত সময়ৰ ভিতৰতে সকলো নিবনুৱা লোকৰ সংস্থান নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

## চুক্তি ৰূপায়ণ

১৯৮৫ চনৰ অসম চুক্তিখনৰ ৰূপায়ণে অগ্ৰাধিকাৰ পাই থাকিব। এফালে যেনেকৈ বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু বিতাৰণৰ ব্যৱস্থামতে জোৰেৰে প্ৰচেষ্টা চলোৱা হৈছে, তেনেকৈয়ে অসম আন্দোলন সংক্ৰান্তত বাকী থকা গোচৰ সমূহ উঠাই লোবাৰ কাম সম্পূৰ্ণ কৰিবলৈ আৰু কোনো বৈষম্য নৰখাকৈ ক্ষতিগ্ৰস্ত লোক আৰু তেওঁলোকৰ আত্মীয় স্বজনক সাহায্য দিবলৈ বিশেষ ভাবে যত্ন কৰা হৈছে। ৰাজ্যখনৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক স্বকীয়তাৰ ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে লোৱা কেইটামান ব্যৱস্থা হ'ল শ্ৰীমন্ত শংকৰ-দেৱ কলাক্ষেত্ৰৰ স্থাপন আৰু জ্যোতি চিত্ৰবনৰ সম্প্ৰসাৰণ। জ্যোতি চিত্ৰবনৰ সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিত্তীয় সাহায্য দিব বুলি প্ৰতিশ্ৰুতি দিছে। ৰাজ্য চৰকাৰে আশা কৰিছে যে কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি দিয়া আৰু ইতিমধ্যে আগবঢ়োৱা অৰ্থ সাহায্যেৰে নুমলিগড়ত চতুৰ্থ তেলশোধানাগাৰ আৰু ভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠানৰ এটা শাখাৰ স্থাপন দূৰৈৰ সপোন হৈ নাথাকিবগৈ। কেন্দ্ৰীয় চৰকাৰৰ বিত্তিয় সাহায্যেৰে শিলঘাট মৰাপাট কলৰ কাৰ্য্যকৰী পুনৰ সংস্থাপন আৰু যোগীঘোপাৰ অশোক কাগজ কলৰ পুনৰুজ্জীৱনৰ বাবেও ৰাজ্য চৰকাৰে ব্যৱস্থা লৈছে।

## ৰাজহুৱা প্ৰতিস্থান

ৰাজ্য চৰকাৰৰ ৰাজহুৱা প্ৰতিস্থান সমূহৰ নিৰাশাজনক অৱস্থা গভীৰ উদ্বে-গৰ বিষয় হৈ আহিছে। ৰাজ্য চৰকাৰে এই প্ৰতিষ্ঠান সমূহত বিশাল পৰিমাণৰ বিনিয়োগ কৰিছে যদিও তাৰ বিনিময়ত যথেষ্ট লাভ অৰ্জন কৰিব পৰা নাই।

## অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ

ৰাজ্যিক বিদ্যুৎ পৰিষদো ইয়াৰ ব্যতিক্ৰম নহয়। ঘাইকৈ কাম-কাজত দক্ষ-তাৰ অভাৱ, অলাভদায়ক মাচুল ব্যৱস্থা, বিজুলী সংপ্ৰবাহ আৰু বিতৰণনত অত্যাধিক লোকচান, নিৰ্মাণকাৰ্য্যত আৰু বিদ্যুৎ প্ৰকল্পৰ উৎপাদন আৰম্ভ হোৱাত বিলম্বৰ ফলত খৰচ বাঢ়ি যোৱা আৰু অন্যান্য তেনে কাৰণতে বিদ্যুৎ পৰিষদৰ

বিত্তীয় অৱস্থা নিৰাশাজনক হৈছেগৈ। এই অৱস্থাটো সোনকালে ওৰ পেলাই তাত পৰিবৰ্ত্তন অনা দৰকাৰ। আনকি চলিত বছৰতো ৰাজ্য চৰকাৰক দিব লগা ১৬২ কোটি টকাৰ সুদ আৰু ৩২ কোটি টকাৰ স্বাভাৱিক মূল্য হ্ৰাস বাদ দিও ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কৰ্ম আঁচনিত ১২৫·৪০ কোটি টকাৰ ঘাটি থাকি যোৱা পৰিলক্ষিত হৈছে। বিদ্যুৎ পৰিষদে কাম-কাজ চলাওতে যি অধিক পৰিমাণৰ খৰচ পৰে, সেই বিষয়টো পুংখানুপুংখভাৱে চালি-জাৰি চোৱাৰ দৰকাৰ হৈ পৰিছে। পৰিষদৰ বিজুলীৰ মাচুলৰ গাঁথনিটোৰ সংশোধন কৰাৰ কথা চৰকাৰে বিবেচনা কৰি আছে। ১৯৯০-৯১ চনৰ ১৫৫·৭৩ কোটি টকাৰ বিপৰীতে পৰিষদৰ ১৯৯১-৯২ চনৰ পৰিকল্পনাৰ বাবে ১৯৮·১৭ কোটি টকা ধৰা হৈছে।

## অসম পৰিবহন নিগম

পথ পৰিবহণ নিগমৰ কাম-কাজো এই দিশৰ পৰা মুঠেই সন্তোষজনক বুলিব নোৱাৰি। ১৯৯০-৯১ চনলৈকে ৰাজ্য চৰকাৰে তাত ৮২ কোটি টকা মূলধনী অৰিহণা হিচাবে বিনিয়োগ কৰিছে। নিগমৰ ১৯৯১-৯২ চনৰ কৰ্ম আচনিত সুদ হিচাবে দেনা পৰা ৪·০৬ কোটি টকা ঋণ দিয়া প্ৰতিষ্ঠানক দিব লগা ৩০ লাখ টকা আৰু ৩·১০ কোটি টকাৰ স্বাভাৱিক মূল্য হ্ৰাস নধৰাকৈও মুঠ ৮·৫৯ কোটি টকাৰ ঘাটি থাকি যোৱা দেখা গৈছে। ৮·৫৯ কোটি টকাৰ এই পৰিকল্পনা বহিৰ্ভূত ঘাটিখিনি ৰাজ্যিক বাজেটৰ পৰাই পুৰোৱা প্ৰস্তাৱ কৰা হৈছে। নিগমৰ কাম-কাজৰ জৰিয়তে অহা আনুমানিক ২১ কোটিমান টকাৰ ৰাজহৰ বিপৰীতে কাম-কাজ খিনি কৰিবলৈ খৰচ হয় প্ৰায় ২৮ কোটি টকা। অৰ্থাৎ নিগম চলোৱাৰ বাবদ ৭ কোটি টকাৰ লোকচান হয়। এই হতাশাজনক অৱস্থাটো উন্নত কৰিবৰ বাবে ভাড়া বঢ়োৱাৰ বিষয়ে চৰকাৰে চিন্তা কৰি আছে। ১৯৯০-৯১ চনৰ ৫·৫০ কোটি টকাৰ বিপৰীতে নিগমৰ ১৯৯১-৯২ চনৰ পৰিকল্পনা বাবদ ৫·৮৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। তদুপৰি বিশেষ পাৰ্বত্য পৰিকল্পনা আবণ্টনো ২৪ লাখ টকাত ৰখা হৈছে।

## বিত্ত আয়োগ

মাননীয় সদস্য সকলে স্মৰণ কৰিব পাৰে যে যোৱা বছৰৰ বাজেট উত্থাপন কৰাৰ সময়ত ১৯৯০ চনৰ মাৰ্চ মাহত কেন্দ্ৰীয় চৰকাৰে গ্ৰহন কৰা নৱম বিত্ত আয়োগৰ প্ৰতিবেদনৰ বিষয়ে উল্লেখ কৰা হৈছিল। অসমৰ দৃষ্টিকোণৰ পৰা চালে সেই প্ৰতিবেদন খনক মুঠৰ ওপৰত উদাৰ বুলি কব নোৱাৰি। আয়োগে আমাৰ

ৰাজহৰ পৰিমাণটো বঢ়াই দেখুৱাইছে আৰু খৰচৰ পৰিমাণটো কমাই ধৰিছে। অসমকে ধৰি বিশেষ শ্ৰেণীৰ ৰাজ্যকেইখনক আয়-ব্যয়ৰ বিধিগত নিৰূপনৰ পৰিধিৰ পৰা বেলেগকৈ ৰাখিছে যদিও শেষ ফলাফলটো খুব বেছি বেলেগ হোৱাগৈ নাই। ৰাজহ বৃদ্ধি আৰু ব্যয়ৰ বেলিকা বিশেষ শ্ৰেণীভুক্ত ৰাজ্যকেইখনক উন্নত ৰাজ্য সমূহৰ লগত একে মাপকাঠিৰেই চোৱা হৈছে। ১৯৯০-৯৫ চনৰ কালচোৱাত ৰাজহৰ পৰিমাণ বছৰি ১১.৫ শতাংশকৈ আৰু ব্যয় ৭ শতাংশকৈ বৃদ্ধি পাব বুলি তাত ধৰি লোৱা হৈছে।

## কেন্দ্ৰীয় কৰৰ ভাগ

আয়কৰ ৰাজহত অসমৰ ভাগ ৮ম বিত্ত আয়োগৰ ২.৭৮৯ শতাংশৰ পৰা ২.৬৩১ শতাংশলৈ কমি আহিছে। একেদৰেই আবকাৰী ৰাজহৰ বেলিকাও অসমৰ ভাগ ৮ম বিত্ত আয়োগৰ ৪.০৫৮ শতাংশৰ পৰা ৩.৮১০ শতাংশলৈ হ্ৰাস পাইছে। এই হ্ৰাসৰ কথাটো গুৰুত্বপূৰ্ণ, কিয়নো কেন্দ্ৰৰ পৰা হস্তান্তৰিত ৰাজহৰ বেছিখিনি আবকাৰী কৰৰ অংশৰ জৰিয়তেহে দিয়া হয়। বিক্ৰী কৰৰ পৰিবৰ্ত্তে পোৱা অতিৰিক্ত আবকাৰী শুল্কৰ বেলিকা অৱশ্যে অসমৰ অংশ ২.৫৬৬ শতাংশৰ পৰা ২.৭৪৩ শতাংশলৈ বাঢ়িছে। কিন্তু এই সামান্য পৰিমাণৰ বৃদ্ধিয়ে সামগ্ৰিক পৰিস্থিতিটো আমাৰ লাভ হোৱাকৈ সলাব নোৱাৰিলে আৰু তাৰ ফলত কেন্দ্ৰীয় কৰৰ ক্ষেত্ৰত অসমৰ অংশ মুঠ হিচাপত ৮ম বিত্ত আয়োগৰ ৩.৫০৮ শতাংশৰ পৰা ৩.৩৭৯ শতাংশলৈ হ্ৰাস পালে। ৮ম বিত্ত আয়োগে সামৰা ১৯৮৪-৮৯ চনৰ ১,২৫২ কোটি টকাৰ বিপৰীতে এতিয়া কেন্দ্ৰীয় কৰ আৰু শুল্কত আমাৰ ভাগত পৰা অংশটো হবগৈ ২,৯৭০ কোটি টকা।

## মুঠ হস্তান্তৰ

নৱম বিত্ত আয়োগৰ সিদ্ধান্তমৰ্মে কেন্দ্ৰীয় কৰ, পৰিকল্পনা বহিৰ্ভূত অনুদান, পৰিকল্পনা ঘাটি মঞ্জুৰী আৰু সাহাৰ্য্যদানত হোৱা খৰচৰ মঞ্জুৰীৰ হিচাপত কেন্দ্ৰৰ পৰা ৰাজ্যখনলৈ হস্তান্তৰিত হোৱা ধনৰ মুঠ পৰিমাণ হয়গৈ ৩৯৫৬.৩০ কোটি টকা। শতাংশৰ হিচাপত ই ভগাব পৰা মুঠ ধনৰ ৩.৭৩ শতাংশ হয়গৈ। ৮ম বিত্ত আয়োগৰ সিদ্ধান্তৰ জৰিয়তে একেবোৰ শিতানতে কেন্দ্ৰৰ পৰা পোৱা ৰাজ্যৰ অংশটো আছিল ৪.০৭ শতাংশ আৰু টকাৰ হিচাপত ১৬০৭.৪৮ কোটি টকা।

## লেখত লবলগীয়া পৰিবৰ্ত্তন

আগৰ কেবাখনো বিত্ত আয়োগৰ পৰামৰ্শৰ পৰা আঁতৰি গৈ নৱম বিত্ত আয়োগে প্ৰশাসনৰ মান উন্নত কৰাৰ আঁচনি খন বন্ধ কৰি দিছে। একেদৰে ই অসমৰ জিলা পৰিষদ স্থনৰ্লৈ দি অহা বিশেষ সমস্যা মঞ্জুৰীও বন্ধ কৰি দিলে। নিঃসন্দেহে ই বিভিন্ন ৰাজ্যৰ আৰু বিভিন্ন অঞ্চলৰ মাজত থকা বৈষম্য বঢ়োৱাতহে সহায় কৰিব। আন এটা অস্বস্তিকৰ কথা হৈছে সম্পূৰ্ণ কৰা পৰিকল্পনা আঁচনিৰ বেলিকা অপৰিহাৰ্য্য ব্যয়ৰ ধন যতনাই দিয়াৰ পূৰ্বৰ ব্যৱস্থাৰ পৰা আঁতৰি অহাটো। সম্পূৰ্ণ হোৱা পৰিকল্পনা আঁচনিৰ পৰিচালনাৰ ব্যয় পূৰণ কৰিবলৈ আগৰ বিত্ত আয়োগে মুঠ পৰিকল্পনা ব্যয়ৰ ৩০ শতাংশ ৰাজহ শিতানত ধৰি দিছিল। এনেকুৱা অপৰিহাৰ্য্য খৰচৰ বাবে বিত্ত আয়োগে বেলেগ কোনো ধন ধৰা নাই। তাৰ পৰিবৰ্ত্তে পৰিকল্পনাৰ অধীনতেই তেনেবোৰ কাম-কাজ চলাই যোৱাৰ কথাহে কৈছো। কিন্তু তাৰ পিছতো পৰিকল্পনাৰ ব্যয় যিখিনি বঢ়াইছে সেইখিনি এই ধৰণৰ দায়িত্ব বহণ কৰিবৰ জোখাৰে যথেষ্ট নহয়। চৰকাৰী খণ্ডত আৰু বিশেষকৈ ৰাজিক পৰ্য্যায়ত নিয়োগৰ ক্ষিপ্ৰ বৃদ্ধিকো আয়োগে বৰকৈ সমালোচনা কৰিছে আৰু কৈছে যে ৮ম পৰিকল্পনাৰ কালছোৱাত চৰকাৰী খণ্ডত নিয়োগৰ সংখ্যা অলপো বাঢ়িব নালাগে। ইয়াৰ ফলত বিশেষকৈ ৰাজ্যখনৰ ব্যাপক নিবনুৱা আৰু অৰ্দ্ধনিয়োজনৰ সমস্যাত সুদূৰ প্ৰসাৰী জটিলতা সৃষ্টি হবলৈ বাধ্য।

## পৰিকল্পনা বহিৰ্ভূত ৰাজহ ব্যয়

১৯৯০-৯৫ চনৰ কালছোৱাত পৰিকল্পনা-বহিৰ্ভূত ৰাজহ ব্যয় ৭২৯৪ কোটি টকা হবগৈ বুলি আয়োগে হিচাপত ধৰিছে। আৰক্ষী, প্ৰতিপালন, বেতন আদিৰ বেলিকা এবাৰ নোৱাৰাকৈ বাঢ়ি যোৱা খৰচৰ বাবে হোৱা প্ৰয়োজনৰ তুলনাত এই পৰিমাণ নিচেই কম।

## ঋণ ৰেহাই আৰু প্ৰাকৃতিক দুৰ্যোগ

আমাৰ ৰাজহুৱা ঋণৰ বোজা আৰু সম্পদৰ অৱস্থালৈ চাই পাঁচ বছৰৰ বাবে আয়োগে ঋণ পৰিশোধৰ কাৰণে ধাৰ্য্য কৰা ৪৯.৬৯ কোটি টকা তেনেই কম। তেনেকৈয়ে পাঁচ বছৰৰ সময়ছোৱাত সাহাৰ্য্যদানৰ বাবে আয়োগে ধাৰ্য্য কৰা ১৫০ কোটি টকাও আগৰ পাঁচ বছৰত প্ৰকৃততে খৰচ হোৱা ২৫০ কোটি টকাৰ তুলনাত অতিশয় কম।

## ৰাজহুৱা ঋণ

ৰাজ্যখনৰ ঋণগ্ৰস্ততাৰ সমস্যাটো সময় যোৱাৰ লগে লগে অতিশয় জটিল হৈ পৰিছেহি। ১৯৯০ চনৰ মাৰ্চ মাহৰ শেষত ৰাজ্যখনৰ পৰিশোধ নোহোৱাকৈ থকা ঋণৰ পৰিমাণ ৩৮৩৭ কোটি টকা হৈছিলহি। ঋণৰ সামগ্ৰিক বোজা আৰু বাঢ়ি ১৯৯১ চনৰ মাৰ্চৰ শেষত ৪৫০৫ কোটি আৰু ১৯৯২ চনৰ মাৰ্চৰ শেষত ৪৬০০ কোটি টকা হবগৈ বুলি অনুমান কৰা হৈছে। ১৯৮৯-৯০ চনৰ শেষত থকা ৩৮৩৭ কোটি টকাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ হৈছিলগৈ ৩০৯৬ কোটি টকা অৰ্থাৎ প্ৰায় ৮১ শতাংশ। কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা এই ঋণেৰে আকৌ প্ৰায় ৪৮ শতাংশ, অৰ্থাৎ ১৪৯৪ কোটি টকা আছিল পৰিকল্পনাৰ বাবে অনা ঋণ। ১৯৮৯-৯০ চনত ৰাজ্যখনৰ জনমূৰি ঋণৰ হিচাবটো আছিল ১৯১৮ টকা। ইয়াৰ পৰিমাণ ১৯৯০-৯১ চনত ২২৫২ টকা আৰু ১৯৯১-৯২ চনত ২৩০০ টকালৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে।

## ঋণ পৰিশোধ

১৯৮৯-৯০ চনত ঋণ পৰিশোধত হোৱা প্ৰকৃত খৰচৰ পৰিমাণ আছিল ৪৭৯ কোটি টকা। তাৰে ২১৪ কোটি টকা মূলধন পৰিশোধ কৰোতে আৰু ২৬৫ কোটি টকা সুদৰ হিচাবত খৰচ হৈছিল। কেৱল কেন্দ্ৰীয় চৰকাৰৰ ঋণ পৰিশোধ কৰোতেই ৩৯৯ কোটি টকা ব্যয় হৈছিল, তাৰে ১৮৮ কোটি টকা খৰচ হৈছিল মূলধন পৰিশোধত আৰু বাকী ২১১ কোটি টকা খৰচ হৈছিল সুদৰ হিচাপত। ঋণ পৰিশোধ হোৱা খৰচৰ পৰিমাণ ১৯৯০-৯১ চনত ৫৪৪ কোটি টকালৈ আৰু ১৯৯১-৯২ চনত ৬৫৪ কোটি টকালৈকে বাঢ়ি যাব বুলি আনুমানিক হিচাপত পোৱা হৈছে। ১৯৯১-৯২ চনৰ পৰা কাৰ্য্যকৰী হোৱাকৈ কেন্দ্ৰীয় সাহায্যৰ গাথনিটো ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণৰ হিচাপলৈ পৰিবৰ্তন কৰি আমাৰ প্ৰতি দেখুওৱা উদাৰতাৰ বাবে এই সুযোগতে মই কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জনাইছো। এই পৰিবৰ্তিত ব্যৱস্থাৰ সুফল অৱশ্যে অহা বছৰবোৰত লাহে লাহেহে অনুভব কৰিব পৰা যাব।

## দৰমহা আয়োগ

১৯৮৮ চনৰ অসম দৰমহা আয়োগে ১৯৯০ চনৰ ৮ মে তাৰিখে নিজৰ প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰে। য'ত প্ৰয়োজন বুলি ভবা হৈছে তাতে সামান্য সালসলনি কৰি বেতন আয়োগৰ অনুমোদনাৱলী চৰকাৰে গ্ৰহণ কৰিছে।

সংশোধিত বেতনক্ৰম, মৰগীয়া বানচ, চহৰ ক্ষতিপূৰণ বানচ আৰু পেঞ্চনাৰ সকলৈ চিকিৎসা বানচকে ধৰি পেঞ্চনৰ সা-সুবিধা সমূহ ১৯৮৯ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰা কাৰ্য্যকৰী কৰা হৈছে আৰু বাকী সকলো সা-সুবিধা ১৯৯০ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰা দিয়া হৈছে। চৰকাৰে মানি লোৱা ন্যূনতম মাহিলী মূল দৰমহা হৈছে ৯০০ টকা আৰু উচ্চতম ৬৩০০ টকা। ইয়াৰ অনুপাত হয়গৈ ১ : ৭। সংশোধনৰ আগৰ বেতনক্ৰমৰ মূল দৰমহাৰ ২০ শতাংশত দৰমহা নিৰ্দ্ধাৰণৰ আগবঢ়োৱা হৈছে। ১২ মাহৰ গড় মূল্য সূচী শতাংশ বৃদ্ধিৰ বিপৰীতে বছৰত দুবাৰকৈ ১ জানুৱাৰী আৰু ১ জুলাইত পৰ্য্যায়ক্ৰমে মৰগীয়া বানচ দিবলৈও দিয়া হৈছে। মাহিলী ২০ টকাৰ নিৰ্দ্ধাৰিত পৰিমানৰ চহৰ ক্ষতিপূৰন বানচ দিয়া হৈছে। ৭.৫ শতাংশৰ (উচ্চতম ৩০০ টকা) ৰ পৰা ১২ শতংাশ (উচ্চতম ৬০০ টকা) লৈকে ঘৰভাড়া বানচো দিয়া হৈছে। নুন্যতম ৪৫০ টকা আৰু উচ্চতম ৩১৫০ টকাৰ ভিতৰত শেষৰ দহ মাহৰ গড় মূল দৰমহাৰ ৫০ শতাংশত পেন্সনৰ নিৰিখ গ্ৰহণ কৰা হৈছে। বৰ্তমানৰ পেন্সনাৰ সকলক পেন্সনৰ ১৫ৰ পৰা ২০ শতাংশলৈকে নিৰিখত পেন্সন বৃদ্ধিৰ সুবিধা দিয়া হৈছে। পৰিয়াল পেন্সন পোৱা সকলকে ধৰি পেন্সনাৰ সকলৈ কাম কৰি থকা চৰকাৰী চাকৰিয়ালৰ ক্ষেত্ৰত প্ৰযোজ্য একেটা নীতিতেই মৰগীয়া সাহাৰ্য্য দিয়া হৈছে। পৰিয়াল পেন্সনৰ নূন্যতম আৰু উচ্চতম নিৰিখ ক্ৰমে ৪৫০ টকা আৰু ৯০০ টকাত ধাৰ্য্য কৰা হৈছে। মৃত্যু তথা অৱসৰকালীন গ্ৰেচুইটিৰ উচ্চতম নিৰিখ ৩৬ হেজাৰ টকাৰ পৰা ৭২ হেজাৰ টকালৈ বঢ়োৱা হৈছে।

১-১-৮৯ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱা সংশোধনৰ বাবে বকেয়া হোৱা দৰমহা আৰু বানচ পৰ্য্যাক্ৰমে মোকলাই দিয়া হৈছে। ১-১-৮৯ৰ পৰা ৩১-৭-৯০ তাৰিখৰ হিচাপত হোৱা বকেয়াৰ ৫০ শতাংশ আৰু ১-৮-৯০ তাৰিখৰ পিচৰ হিচাপত হোৱা বকেয়াৰ সমুদায় ধন নগদ আদায় দিয়া হৈছে। বেতন আয়োগৰ অনুমোদনাৱলীৰ ফলত আঁসোৱাহৰ যিবোৰ অভিযোগ উঠিছে তাৰ পৰীক্ষা কৰিবলৈ শ্ৰী এচ, ডি, ফেনৰ নেতৃত্বত এখন এজনীয়া কমিটি চৰকাৰে গঠন কৰিছে। কমিটিয়ে ইতিমধ্যে কাম আৰম্ভ কৰিছে।

## বিত্তীয় দৃশ্যপট

বছৰে বছৰে একেৰাহে বাঢ়ি যোৱা পৰিকল্পনা আবণ্টনৰ ফলত ঋণ পৰিশোধৰ ক্ষেত্ৰত হোৱা অভূতপূৰ্ব ব্যয় বৃদ্ধিৰ লগতে ৭০ শতাংশ ঋণৰ অসুবিধা-

জনক ব্যৱস্থা কেৱল কেন্দ্ৰীয় ঋণ সাহায্যৰে বান নিয়ন্ত্ৰন আঁচনিৰ ৰূপায়ণ, আইন শৃংখলা, শিক্ষা, স্বাস্থ্য আৰু অন্যান্য সামাজিক সেৱাৰ ক্ষেত্ৰত দ্ৰুতগতিৰে হোৱা ব্যয় বৃদ্ধিৰ উপৰিও নিতৌ বাঢ়ি যোৱা মূল্যমানৰ পিছে পিছে বিশাল আকাৰ ধাৰণ কৰা বেতন ব্যয় আদিৰ সামগ্ৰিক ফলশ্ৰুতি স্বৰূপে ৰাজ্যখন সদ্যহতে এক জটিল বিত্তীয় সংকটত পৰিছেহি। এই পৰিস্থিতিত কেৱল সম্পদ বৃদ্ধিৰ আন্তৰিক চেষ্টাই নহয়, তেনেকৈ সৃষ্টি কৰা সম্পদৰ দক্ষতাপূৰ্ণ ব্যৱহাৰৰো দৰকাৰ। ৰাজ্যৰ ৰাজহৰ এক ঘাই উৎস হৈছে বিক্ৰীকৰ। কিন্তু পেট্ৰলজাত সামগ্ৰী চাহ আৰু প্লাইউদ ৰাজ্যখনৰ এই তিনিবিধ প্ৰধান উৎপাদনৰ পৰা অতিৰিক্ত সম্পদ আহৰণৰ সুবিধা নাই। তদুপৰি চুবুৰীয়া অঞ্চলত কৰ মুক্ত আৰু নিম্ন নিৰিখৰ কৰৰ এলেকা থকাৰ বাবে সা-সামগ্ৰী বাহিৰলৈ ওলাই যোৱাৰ আশংকাই বিক্ৰীকৰৰ নিৰিখ বঢ়োৱাত আমাক বাধা দিয়ে। আবকাৰী শুল্কৰ ক্ষেত্ৰতো একেই অৱস্থা। তেলৰ ৰয়েলটি ৰাজ্যখনৰ কৰ-বহিৰ্ভুত ৰাজহৰ আন এটা ঘাই উৎস। কিন্তু তৈলক্ষেত্ৰ ( নিয়ন্ত্ৰণ আৰু বিকাশ ) আইন, ১৯৪৮ আৰু কেন্দ্ৰীয় বিক্ৰীকৰ আইন, ১৯৫৬ এই আইন দুখনে ৰাজ্যখনৰ ওপৰত আৰোপ কৰা বাধ্যবাধকতাৰ বাবে উৎসও কম বেছি পৰিমাণে স্থবিৰ ধৰণৰ হৈ পৰিছেহি।

এনেবোৰ অসুবিধা সত্বেও অপচয় ৰোধত আৰু বকেয়া কৰ তথা ৰাজহ সংগ্ৰহত জোৰ দি সম্পদ বঢ়াই তোলাৰ উদ্দেশ্যে সৰ্বাত্মক প্ৰচেষ্টা চলাই যাবলৈ চৰকাৰ বদ্ধপৰিকৰ। ১৯৮০-৮১ বছৰটোত বিক্ৰীকৰ সংগ্ৰহৰ পৰিমাণ আছিল প্ৰায় ৩১ কোটি টকা। ১৯৯০-৯১ বছৰটোত সংগ্ৰহৰ পৰিমাণ ২৫৩ কোটি টকালৈ বৃদ্ধি পায়। ১৯৯১-৯২ বছৰটোৰ বাবে সংগ্ৰহৰ লক্ষ্য হৈছে ২৯০ কোটি টকা। অৰ্থাৎ আগৰ বছৰটোতকৈ ১৪ শতাংশ বেছি কৰ সংগ্ৰহৰ লক্ষ্য লোৱা হৈছে। তেনে ধৰণে, ৰাজ্যিক কৰ সংগ্ৰহৰ পৰিমাণ ১৯৮০-৮১ বছৰত পোৱা ৬৬ কোটি টকাৰ বিপৰীতে ১৯৯০-৯১ বছৰত ৪১৭ কোটি টকালৈ বৃদ্ধি পাইছে। ১৯৯১-৯২ বছৰটোৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে ৫০৪ কোটি টকা। অৰ্থাৎ আগৰটো বছৰৰ তুলনাত ২১ শতাংশ বেছি।

খাৰুৱা তেলৰ ৰয়েলটি প্ৰতি টনত ১৯২ টকাৰ পৰা ৩১৪ টকালৈ বৃদ্ধি পাইছে। এই বৃদ্ধি ১৯৮৭ চনৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হৈছে। অসমত বছৰি ৫ নিযুত মেট্ৰিক টন খাৰুৱা তেল উৎপন্ন হয়। গতিকে ৰয়েলটিৰ হাৰ সংশোধনৰ পিছত বছৰি ৬০ কোটিমান টকা অতিৰিক্ত সম্পদ আমাৰ ৰাজ্যলৈ

আছে। ইয়াৰ ভিতৰতে, ১৯৯০ চনৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰয়েলটিৰ হাৰ আকৌ এবাৰ সংশোধন কৰিবলগীয়া হৈ আছে। এই উদ্দেশ্যে ভাৰত চৰকাৰে এখন কমিটি গঠন কৰি দিছে। সময়ে সময়ে হৈ থাকিবলগীয়া ৰয়েলটিৰ হাৰ সংশোধনৰ বাবে নিৰ্দিষ্ট সূত্ৰ এই কমিটিয়ে উদ্ভাৱন কৰিব যাতে সংশোধনীৰ ব্যৱস্থা তদৰ্থ ভিত্তিত হৈ থাকিবলগীয়া নহয়। কেনেকুৱা সময়ৰ মূৰে মূৰে সংশোধনী হব লাগে সেই বিষয়েও কমিটিয়ে পৰামৰ্শ দিব। কমিটিয়ে ১৯৯১ চনৰ ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ কথা। আনহাতে, ৰাজ্য চৰকাৰেও এই সংক্ৰান্তত নিজৰ মতামত আৰু স্মাৰকপত্ৰ আদি চূড়ান্ত কৰাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত এক উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰি দিছে।

এতিয়া আহো বন বিভাগৰ যোগেদি পোৱা ৰাজহৰ কথালৈ। ১৯৮০-৮১ বছৰটোত বন বিভাগৰ যোগেদি আহৰণ কৰা ৰাজহৰ পৰিমাণ আছিল ১২ কোটি টকা। তাৰে পৰা ক্ৰমান্বয়ে বাঢ়ি আহি ১৯৮৪-৮৫ বছৰটোত সৰ্বোচ্চ ২৫ কোটি টকালৈ বৃদ্ধি পায়। কিন্তু তাৰ পিছৰে পৰা বন ৰাজহৰ পৰিমাণ কমি আহিবলৈ ধৰে আৰু ১৯৯০-৯১ বছৰটোত ১২ কোটি টকালৈ নামি আহে। বন ৰাজহৰ এনে দ্ৰুত হ্ৰাস মানি লব নোৱাৰি। আনকি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বিবেচনাত হলেও এনেকুৱা হ্ৰাসৰ কাৰণ গ্ৰহণযোগ্য নহয়। আমি ভাবোঁ যে কাঠ, বালি, শিলৰ ওপৰত থকা ৰাজহৰ পৰিমাণ বৃদ্ধি কৰাৰ যোগেদিয়েই বন-ৰাজহৰ পৰিমাণ বঢ়াই তোলাৰ যথেষ্ট সম্ভাৱনা আছে। এনে সম্ভাৱনাক ভালদৰে কামত খটুৱালে ১৯৯১-৯২ বছৰটোত বন ৰাজহৰ পৰিমাণ ১৮ কোটি টকালৈ বৃদ্ধি পাব পাৰে।

## ব্যয় সংকোচন

সকলো পৰ্য্যায়তে যি কোনো মূল্যৰ বিনিময়ত বিত্তীয় অনুশাসন বলবৎ কৰাৰ আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয় একেবাৰে নিম্নতমকৈ ৰখাৰ দৰকাৰ যদিও সাম্প্ৰতিক অৰ্থনীতিত বিৰাজ কৰা মূদ্ৰাস্ফীতিজনিত পৰিস্থিতিয়ে দৰমহা আৰু মজুৰী দিয়াৰ ক্ষেত্ৰত, মূলধনী সম্পদবোৰৰ চোৱাচিতাত, ঋণ পৰিশোধত আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বোৰলৈ ধনৰ যোগান ধৰাত সামঞ্জস্যবিহীন ভাবে খৰচ কৰিবলৈ চৰকাৰক বাধ্য কৰাইছে। ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণৰ বাহিৰৰ কিছু কাৰণত আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰতো ব্যয়ৰ পৰিমাণ ক্ৰমান্বয়ে বৃদ্ধি পাইছে।

## দৰমহা

মূদ্ৰাস্ফীতিৰ ফলত অৰ্থনীতিৰ ওপৰত পৰা হেঁচাই ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলক বৰ্দ্ধিত হাৰত দা-দৰমহাৰ দাবী তুলিবলৈ বাধ্য কৰাইছে। কেন্দ্ৰীয় চৰ-

কাৰণ কৰ্মচাৰী সকলৰ দা-দৰমহা বঢ়োৱাৰ সিদ্ধান্তই ৰাজ্যিক চৰকাৰী কৰ্মচাৰী সকলৰ দাবীৰ প্ৰতি উদগনি যোগাইছে। অৱশেষত ৰাজ্য চৰকাৰেও কৰ্মচাৰীসকলৰ দা-দৰমহা বঢ়োৱাৰ দাবী মানি নলৈ নোৱাৰে।

### ৰক্ষণাবেক্ষণ

ৰাজ্য চৰকাৰৰ যিবোৰ মূলধনী সম্পদ আছে, সেইবোৰ বহু কালজোৰা বহু খৰচৰ দ্বাৰা গঢ়ি তোলা সম্পদ। সেয়েহে সেইবোৰৰ ৰক্ষণাবেক্ষণৰ বিষয়টো অৱহেলা কৰা বিধৰ নহয়, কাৰণ সেইবোৰ ভাঙি পেলাই নতুনকৈ সাজিবলৈ সম্পদ পোৱাটো টান। কিন্তু সেই বিলাকৰ ৰক্ষণাবেক্ষণৰ বিত্ত আয়োগে দিয়া ধনৰ পৰিমাণ প্ৰয়োজনতকৈ কম হৈ আছে। বিশেষকৈ প্ৰতি বছৰে বান পানীয়ে বিপুল পৰিমাণে ক্ষতি সাধন কৰাৰ বাবে উক্ত ধনেৰে আমাক নাটে। বিত্ত আয়োগে অনুমোদন কৰাতকৈ বেছি ধন ৰাজ্য চৰকাৰে সেই সম্পদবোৰৰ সঠিক ৰক্ষণাবেক্ষণৰ উদ্দেশ্যে ব্যয় কৰিব লগীয়া হয়, যাৰ দ্বাৰা সম্পদৰ নিশকতীয়া ভঁৰালৰ অৱস্থা অধিক নিশকতীয়াহে হয়গৈ।

ৰাজ্য চৰকাৰে ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠানবোৰত বহু ধন বিনিয়োগ কৰে। কিন্তু তাৰে বেছিভাগেই আশা কৰা মতে লাভৰ মুখ দেখুৱাব নোৱাৰে। সেই উদ্যোগ সমূহৰ অৱস্থা এৰাতিৰ ভিতৰতে ভাল কৰি দিব পৰা নাযায়। আনহাতে, সেইবোৰৰ প্ৰয়োজনীয়তা আমি অস্বীকাৰ কৰিব নোৱাৰো। যিয়ে নহওক, ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকৰ এনে দুখ লগা অৱস্থাক লৈ চৰকাৰ বাৰুকৈয়ে উদ্বিগ্ন। চৰকাৰে ভাবে যে চৰকাৰী ধনৰ মঞ্জুৰীৰ ওপৰত ক্ৰমবৰ্দ্ধিত নিভৰশীলতা গুচাবলৈ এই ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠান সমূহ নতুন ৰূপত সজাই-পৰাই তোলাৰ বাবে এক বিস্তৃত কাৰ্য্যসূচী গ্ৰহণ কৰাৰ দৰকাৰ হৈছে।

বাঢ়ি অহা ব্যয়ৰ দায়িত্ব আৰু উন্নয়নৰ দায়বদ্ধতাই এৰাব নোৱাৰা ব্যয় আৰু উন্নয়নমূলক কাম-কাজৰ বাবে ধনৰ যোগান অব্যাহত ৰখাবলৈ চৰকাৰক ৰাজহুৱা ঋণ গ্ৰহণৰ পথ লবলৈ বাধ্য কৰাইছে। তাৰ ফলস্বৰূপে ৰাজ্যখন গধুৰ ঋণৰ বোজাত চেপা খাই থাকিবলগীয়া হৈছে। অতদিনে যিটো ধৰণে ৰাজ্যখনক পৰিকল্পনা বিত্তীয় সাহায্য দি থকা হৈছিল, কবলৈ গলে ঘাইকৈ সেই ৰিৰূপ ব্যৱস্থাৰ ফলতেই বাস্তবিকতে ৰাজ্যখন এক 'ঋণৰ ফান্দ'ত পৰি আছে। ১৯৯১-৯২ বছৰৰ পৰা অসমক ৯০:১০ অনুপাতত মঞ্জুৰী আৰু ঋণ ধৰি পৰিকল্পনা সাহায্য দিয়াৰ ধৰণ সলনি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে যি সিদ্ধান্ত লৈছে, সেইটো অতি আদৰণীয় ব্যৱস্থা হৈছে। তথাপিও, আগৰবোৰ পৰিকল্পনাৰ সময়ৰে পৰা আদায়

দিব নোৱাৰাকৈ থকা সমূদায় ঋণৰ ক্ষেত্ৰতো যদি একেধৰণৰ ব্যৱস্থা প্ৰযোজ্য নহয়, তেনেহলে পৰিবৰ্ত্তিত এই ব্যৱস্থাটিয়েও ৰাজ্যখনৰ ৰাজকোষক ততালিকে আৱশ্যকীয় ধৰণে উপকৃত কৰিব নোৱাৰিব।

ৰাজ্যখনৰ বিত্তীয় অৱস্থাৰ যিখন ছবি ইয়াত দাঙি ধৰা হ'ল সেই ছবিখন নিঃসন্দেহে এক ভয়াবহ পৰিস্থিতিৰ ছবি। অৱশ্যে এই পৰিস্থিতি আয়ত্বৰ বাহিৰত নহয়। মাননীয় সদস্য সকলক মই আশ্বাস দিব পাৰো যে ইয়াৰ এক সমাধান উলিয়াবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে আমি সততে যোগাযোগ অব্যাহত ৰাখিম। বহলাই নকলেও হ'ব যে কেবল কেন্দ্ৰীয় চৰকাৰৰ ওপৰতে নিৰ্ভৰ কৰি আমি বহি থাকিলেই নহব। আমি চৰকাৰী ব্যয়ৰ ক্ষেত্ৰত অত্যন্ত সাৱধানতা অৱলম্বন কৰিব লাগিব, অপব্যয় ৰোধ কৰিব লাগিব আৰু লগে লগে ৰাজহ সংগ্ৰহ বঢ়াই তুলিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিব লাগিব। ৰাজনৈতিক দল-মত নিৰ্বিশেষে, এই ক্ষেত্ৰত মই মাননীয় সদস্যসকলৰ আটাইৰে পৰা সহযোগিতা বিচাৰিছো আৰু মই নিশ্চত যে ঐক্যবদ্ধভাবে কাম কৰি এই প্ৰত্যাহ্বান আমি গ্ৰহণ কৰিবলৈ সক্ষম হমহ'ক।

## অ'ভাৰড্ৰাফট

বছৰৰ পিছত বছৰ ধৰি, কৰ্তৃত্ববিহীন অভাৰড্ৰাফটৰ সমস্যাটো ৰাজ্য চৰকাৰৰ বাবে বিশেষ উদ্বেগৰ কাৰণ হৈ আহিছে। বাঢ়ি অহা উন্নয়নমূলক দায়-দায়িত্বৰ বিপৰীতে ৰাজ্যখনৰ ৰাজহৰ পৰিমাণ সংগতিপূৰ্ণ কৰিব নোৱাৰাটোৱেই এই অৱস্থাৰ আচল কাৰণ। ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়াৰ পৰিসংখ্যা মতে ১৯৮৬ চনৰ ৩১ মাৰ্চত বিত্তীয় ঘাটি আছিল ১১ কোটি টকা। এই ঘাটি ১৯৯০ চনৰ ৩১ মাৰ্চত ১৯৭ কোটি টকালৈ বাঢ়ি উঠে আৰু ১৯৯১ চনৰ মাৰ্চৰ শেষলৈ ১৩৬ কোটি টকা হয়গৈ। সেয়ে চলিত বছৰটো বুজন পৰিমাণৰ ঘাটিৰে আৰম্ভ হোৱাত ৰাজ্যৰ বিত্তীয় অৱস্থাত অসহনীয় হেঁচা পৰিছে।

আগতে অভাৰড্ৰাফটৰ জোৰা মাৰিবলৈ কেন্দ্ৰীয় চৰকাৰে মধ্যকালীন ঋণ দিছিল, কিন্তু ১৯৮৬ চনৰ পৰা এই ব্যৱস্থা উঠাই দিয়া হৈছে। অৱশ্যে ১৯৯০-৯১ বছৰটোত ৰাজ্য চৰকাৰে ১৪৮ কোটি টকাৰ মধ্যকালীন ঋণ এটা পাইছিল তথাপিও বুজন পৰিমাণৰ ঘাটিৰেহে যোৱা বছৰটোৰ সামৰণি পৰে। চলিত বছৰত আৰম্ভণিৰে পৰাই এই সমস্যাটোৱে দেখা দিছে। ইয়াৰ ঘাই কাৰণ হৈছে আগৰ বছৰটোৰ বৃহৎ পৰিমাণৰ ঘাটি এই বছৰলৈ বাগৰি অহা। এপ্ৰিলৰ পৰা

জুলাইলৈকে মাজে মাজে অভাৰড্ৰাফট সমস্যাই দেখা দিছে যদিও ইয়াৰ মাজতে কেন্দ্ৰৰ পৰা আমি পাবলগীয়া কিছু ধন আগতীয়াকৈ মোকোলাই দিয়াত, জুলাই মাহত কেন্দ্ৰক পৰিশোধ কৰিবলগীয়া মুঠ ১০১ কোটি টকাৰ ঋণৰ কিস্তিৰ সময় ছেপ্তেম্বৰলৈকে পিছুৱাই দিয়াত আৰু বিত্ত মন্ত্ৰালয়ৰ পৰা কিছু অৰ্থোপায়মূলক আগধন লাভ কৰাত এই সমস্যাৰ পৰা হাত সাৰি থাকিব পৰা গৈছে। আমাৰ প্ৰতি এনে সুবিবেচনা দেখুওৱাৰ বাবে বিত্ত মন্ত্ৰালয়ৰ ওচৰত আমি কৃতজ্ঞ। পিছে, ইয়াৰ লগতে মই এইটোও কৈ থব বিচাৰো যে সমস্যাটো প্ৰকৃতাৰ্থত সমাধান হোৱাগৈ নাই; গাপ দি থোৱাহে হৈছে আৰু সেয়েহে মাত্ৰাধিক খৰচ এৰাই চলিবলৈ অহা মাহবোৰত অত্যন্ত সাৱধানতা অৱলম্বন কৰাৰ প্ৰয়োজন হ'ব।

## অতিৰিক্ত সম্পদ আহৰণ
## নিৰ্দিষ্ট ভূমিৰ ওপৰত কৰ।

অতিৰিক্ত সম্পদ আহৰণ কৰাটো অৰ্থনৈতিক বিকাশৰ প্ৰয়োজনীয় কথা। ৰাজ্যখনৰ সংকটজনক বিত্তীয় পৰিস্থিতিলৈ চাই, মই আগতে উন্মুকিয়াই অহা অসুবিধাবোৰ থকা সত্বেও অতিৰিক্ত সম্পদ আহৰণৰ বাবে ব্যৱস্থা হাতত লবই লাগিব। স্মৰণযোগ্য যে চাহ-খেতি কৰাৰ কাৰণে আৰু কয়লা নিষ্কাষণৰ বাবে ব্যৱহৃত হোৱা মাটিৰ ওপৰত এক বছৰেকীয়া কৰ লগোৱাৰ উদ্দেশ্যে যোৱা বছৰ এই পবিত্ৰ সদনত অসম কৰ (নিৰ্দিষ্ট ভূমিৰ ওপৰত) আইন ১৯৯০ নামেৰে এখন আইন গৃহীত হৈছিল। এই ব্যৱস্থাৰ দ্বাৰা বছৰি ৬৮ কোটি টকাৰ অতিৰিক্ত ৰাজহ পাব পৰা হ'ব বুলি আশা কৰা হৈছিল। কিন্তু ইয়াৰ বৈধতাৰ প্ৰতি উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱাত ই কামত অহা নাছিল। মই সদনক জনাবলৈ পাই সুখী হৈছো যে ন্যায়ালয়ে এতিয়া পূৰ্বৰ স্থগিতাদেশত কিছু সালসলনি ঘটাইছে। ফলস্বৰূপে চলিত বছৰত আমি আচলতে পাবলগীয়া ৰাজহৰ এটা অংশ হলেও মুঠতে ৩০ কোটিমান টকা পাম বুলি আশা কৰিছো। আনহাতে মোকৰ্দমাৰ ফলত আমি পাবলগীয়া ৰাজহখিনি যাতে বন্ধ হৈ নাথাকে তাৰ বাবে বিষয়টো সোনকালে ন্যায়ালয়ৰ দ্বাৰা নিষ্পত্তি কৰোৱাৰ অৰ্থে আমি ইতিমধ্যে ব্যৱস্থা হাতত লৈছো।

## গ্ৰাম্য উন্নয়ন উপকৰ

## তেলৰ ৰয়েল্‌টি

মাননীয় সদস্যসকলে ছাগৈ মনত পেলাব পাৰিব যে ১৯৮৮ চনত এই পবিত্ৰ সদনে খনিজ তেল উদঘাটন কৰা মাটিৰ ওপৰত বছৰেকীয়া উপকৰ বহুৱাবলৈ অসম গ্ৰাম্য উন্নয়ন উপকৰ আইন, ১৯৮৮ বুলি এটি ব্যৱস্থা গ্ৰহণ কৰিছিল। ১৯৮৯ চনৰ পহিলা জানুৱাৰীৰ পৰা বলবৎ হোৱাকৈ প্ৰণয়ন কৰা এই ব্যৱস্থাৰ যোগেদি ৰাজ্যখনে ধহৰি ১৯৬ কোটি টকাৰ অতিৰিক্ত ৰাজহ পাব বুলি আশা কৰা হৈছিল। পিছে উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱাত এই ব্যৱস্থাও কাৰ্য্যত পৰিণত নহল। সদ্যহতে বিষয়টো ন্যায়ালয়ৰ শুনানীৰ অপেক্ষাত আছে। অৱশ্যে সদনক জনাবলৈ পাই মই সুখী হৈছো যে ইতিমধ্যে ভাৰত চৰকাৰে খনিজ তেলৰ ৰয়েলটি প্ৰতি মেট্ৰিক টনত ১৯২ টকাৰ পৰা ৩১৪ টকালৈ বৃদ্ধি কৰিছে যিটো কথা মই আগতেও উল্লেখ কৰিছো। ১৯৮৭ চনৰ পহিলা এপ্ৰিলৰ পৰা বলবৎ হোৱা এই সংশোধনীৰ ফলত ৰাজ্যখনে বছৰি ৬০ কোটি টকাৰ অতিৰিক্ত ৰাজহ পোৱাৰ বাট মুকলি হৈছে। আমি বিচৰাতকৈ এয়া কিছু কম যদিও ভাৰত চৰকাৰে এতিয়া ১৯৯০ চনৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ তেলৰ ৰয়েলটি সংশোধনৰ ব্যৱস্থা হাতত লোৱাত আমি সুখী হৈছো। ৰাজ্যখনৰ ন্যায়সংগত দাবী আৰু প্ৰাপ্যৰ স্বাৰ্থক সুৰক্ষা দিবলৈ আমাৰ ফালৰ পৰাও ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

## কয়লাৰ ৰয়েলটি

সন্মানিত সদনে নিশ্চয় জানিব পাৰিছেই যে অলপতে ভাৰত চৰকাৰে কয়লাৰ ৰয়েল্‌টি বঢ়াই দিছে। কিন্তু অসম আৰু পশ্চিম বংগৰ ক্ষেত্ৰত বঢ়াই দিয়া হোৱা নাই। মই আগতেই উল্লেখ কৰিছো যে আমাৰ ৰাজ্যখনত কয়লা উৎপাদন হোৱা মাটিৰ ওপৰত আমি এটা কৰ বহুৱাবলৈ আগ বাঢ়িছো। এইটো কাৰণতে অসমৰ ক্ষেত্ৰত কয়লাৰ ৰয়েল্‌টি বঢ়োৱা নাই। যিবিলাক ৰাজ্যত কয়লাৰ ওপৰত বহুওৱা কৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নাকচ কৰা হৈছে, সেইবিলাক ৰাজ্যৰ ৰাজহৰ সুৰক্ষা দিবলৈহে উক্ত ৰয়েল্‌টিৰ হাৰ বঢ়োৱা হৈছে। সেই কাৰণেই আমি বিষয়টো চালি-জাৰি চাই আছো। আমি কয়লা উৎপাদন হোৱা মাটিৰ ওপৰত যি কৰ বহুৱাবলৈ আগ বাঢ়িছো তাৰ সলনি যদি কয়লাৰ বৰ্দ্ধিত

ৰয়েল্‌টিৰ হাৰ গ্ৰহণ কৰো, তেনেহলে ভাল হব নে বেয়া হব? আমাৰ বাবে কোনটো সুবিধাজনক হব? অৱশ্যে আমাৰ কৰ বহুওৱাৰ যি অধিকাৰ আছে, সেই ক্ষেত্ৰত কোনো আপোচ কৰিবলৈ যোৱাটো আমাৰ উদ্দেশ্য নহয় আৰু যি কাৰণতেই নহওঁক কিয় ইয়াৰ বৈধতাৰ বিষয়টো সম্প্ৰতি আদালতত বিচাৰাধীন হৈ আছে।

## কৃষি আয়কৰ

ৰাজ্যখনৰ এটা অন্যতম গুৰুত্বপূৰ্ণ ৰাজহৰ উৎস হৈছে চাহৰ পৰা পোৱা কৃষি আয় কৰ। যোৱা কিছু কালৰ ভিতৰত চাহৰ অত্যাধিক মূল্যবৃদ্ধি ঘটাত এই উদ্যোগত যথেষ্ট লাভ হৈছিল আৰু সেই লাভৰে এটা অংশ আদায় কৰাৰ উদ্দেশ্যৰে এই সদনৰ অনুমোদন ক্ৰমে চাহৰ ওপৰত কৃষি আয়কৰৰ পৰিমাণ সাময়িকভাৱে বঢ়াই দিয়া হৈছিল। যিবোৰ কাৰণত আয়কৰৰ হাৰ বঢ়াবলগীয়া হৈছিল, সেই পৰিস্থিতিৰ বিশেষ কোনো পৰিবৰ্তন এতিয়ালৈকে হোৱা নাই। সেয়েহে, অতিৰিক্ত সম্পদ আহৰণৰ ব্যৱস্থা হিচাপে বৰ্দ্ধিত কৃষি আয়কৰৰ হাৰ চলিত বছৰতো আমি অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছো। ইয়াৰ বাবে যাবতীয় বিধানৰ ব্যৱস্থা সদনৰ চলিত অধিবেশনতে উত্থাপন কৰা হ'ব। প্ৰস্তাবিত ব্যৱস্থাৰ জৰিয়তে অতিৰিক্ত ৭ কোটি টকাৰ ৰাজহ আহিব বুলি আশা কৰা হৈছে।

## মটৰ গাড়ী কৰ আৰু যাত্ৰী আৰু সামগ্ৰী কৰৰ পুনৰবিন্যাস

ৰাজহৰ অপচয় ৰোধ কৰাৰ উদ্দেশ্যে যাত্ৰী আৰু সামগ্ৰী কৰৰ নিৰ্দ্ধাৰণ আৰু সংগ্ৰহৰ পদ্ধতি নিয়মিত কৰাৰ বাবে আৰু একে উদ্দেশ্যেৰে মটৰ গাড়ী কৰৰ পুনৰ-বিন্যাস ঘটোৱাৰ বাবে আমি কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছো। ইয়াৰ বাবে সদনৰ অনুমোদন দৰকাৰ হব। যাবতীয় বিধান ব্যৱস্থা সদনৰ এই অধিবেশনতে উত্থাপন কৰা হব। এই ব্যৱস্থাৰ দ্বাৰা ৪ কোটিৰো বেচি টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব বুলি আশা কৰা হৈছে।

## পঞ্জীয়ন মাচুল

১৯৯০ চনৰ পহিলা জানুৱাৰীৰ পৰা প্ৰযোজ্য হোৱাকৈ ৰাজ্যখনৰ পঞ্জীয়ন মাচুলৰ নিৰিখ সুদীৰ্ঘ বিৰতিৰ পিছত বঢ়াই দিয়া হৈছে। চলিত বছৰৰে পৰা প্ৰতি বছৰে আমি এই ব্যৱস্থাৰ দ্বাৰা এক কোটিৰো অধিক টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰিব পাৰিম বুলি ভাবিছো।

## ভূমি ৰাজহ

স্মৰনযোগ্য যে এই পবিত্ৰ সদনে যোৱা বছৰত আন এখন আইন গ্ৰহণ কৰিছিল। সেইখন হ'ল—অসম ভূমি ৰাজহ পুনৰ নিৰ্দ্ধাৰণ ( সংশোধন ) আইন, ১৯৯০। ইয়াৰ উদ্দেশ্য আছিল ভূমি ৰাজহৰ হাৰ সংশোধন কৰাৰ ক্ষেত্ৰত থকা কেতবোৰ বাধা-নিষেধ শিথিল কৰা। সেই আইন কাৰ্য্যত পৰিণত কৰিবলৈ ইতিমধ্যেই ব্যৱস্থা হাতত লোৱা হৈছে আৰু সোনকালেই ব্যৱস্থাৱলী চুড়ান্ত কৰা হ'ব। ইয়াৰ যোগেদিও প্ৰায় বছৰি এক কোটিমান টকাৰ অতিৰিক্ত ৰাজহ চৰকাৰৰ হাতলৈ আহিব বুলি ভবা হৈছে।

## ক্ষুদ্ৰ সঞ্চয়

সদ্যহতে ক্ষুদ্ৰ সঞ্চয় আঁচনিবোৰ অতি জনপ্ৰিয় হৈ উঠিছে আৰু ভিতৰুৱা গাৱঁৰ ৰাইজকো আকৰ্ষিত কৰিছে। যোৱা কিছু বছৰ ধৰি ক্ষুদ্ৰ সঞ্চয়ৰ যোগেদি সংগ্ৰহৰ পৰিমাণ বিশেষভাৱে বাঢ়ি উঠা দেখা গৈছে। যোৱা বছৰটোত ক্ষুদ্ৰ সঞ্চয়ৰ যোগেদি মুঠ সংগ্ৰহৰ পৰিমান ১৬২ কোটি টকা হৈছিলগৈ। চলিত বছৰৰ বাবে লক্ষ্য ১৭০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। বৰ্ত্তমানে দেখা পোৱা সংগ্ৰহৰ ধাৰাৰ পৰা আশা কৰা হৈছে যে উক্ত লক্ষ্য অতিক্ৰম কৰিব পৰা যাব। ১৯৯১ চনৰ এপ্ৰিলৰ পৰা জুলাইলৈকে ৬৪ কোটি টকা সংগ্ৰহ কৰা হৈছে। ইয়াৰ বিপৰীতে যোৱা বছৰত এইখিনি সময়ৰ ভিতৰত ৩৭ কোটি টকাহে সংগৃহীত হৈছিল।

## আনুষ্ঠানিক বিত্ত

উন্নয়নৰ গতি খৰতকীয়া কৰিবৰ বাবে সম্পদ আহৰণৰ ক্ষেত্ৰত বেংকসমূহকে ধৰি বিত্তীয় প্ৰতিষ্ঠান বিলাকৰ এক বিশেষ ভূমিকা আছে যদিও আমাৰ ৰাজ্য-খনত তুলনামুলক ভাৱে বেংকৰ শাখাৰ সংখ্যা কম। ৩১-১২-৯০ তাৰিখত অসমত অনুসূচীত বেংকৰ শাখা আছিল মুঠতে ১২৭৯ টা। গড় হিচাপত সেই তাৰিখত ৰাজ্যখনত একোটা বেংক-শাখাই সামৰি লোৱা জনসংখ্যা আছিল ১৭·৪৩১ জন। তাৰ বিপৰীতে সমগ্ৰ দেশৰ বাবে গড় জনসংখ্যা আছিল ১২,০০০ জন। উক্ত তাৰিখত বিভিন্ন বেংকত নতুন শাখা খুলিবৰ কাৰণে দিয়া প্ৰায় ৫৯ খন অনুজ্ঞা পত্ৰ পৰি আছিল। উক্ত পৰি থকা অনুজ্ঞাপত্ৰবোৰ সোনকালেই কামত খুটুৱাবলৈ প্ৰচেষ্টা চলাই থকা হৈছে। বেংকৰ ঋণদানৰ পৰিমাণো সন্তোষজনক হৈ

উঠিব পৰা নাই। ১৯৯০ চনৰ ডিচেম্বৰত জমা আৰু ঋণৰ অনুপাত আমাৰ ৰাজ্যত আছিল ৫৩.৬৬ শতাংশ যি সময়ত ৰাষ্ট্ৰীয় অনুপাত আছিল ৬০ শতাংশ। এতিয়া তৃণমূল পৰ্য্যায়লৈকে অৰ্থনৈতিক উন্নয়নৰ বাবে ঋণৰ যোগান বঢ়াই তোলাৰ অৰ্থে বিত্তীয় প্ৰতিষ্ঠান সমূহৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা কৰি থকা হৈছে।

## প্ৰকৃত হিচাপ, ১৯৮৯-৯০

অধ্যক্ষ মহোদয়, মই এতিয়া হিচাপ আৰু বাজেট প্ৰাক্কলনলৈ আহিব খুজিছো। লেন-দেনৰ সংক্ষিপ্ত বিৱৰণটো পৰিশিষ্ট দেখুওৱা হৈছে। ১৯৯০ চনৰ মাৰ্চ মাহত এই সদনত ১৯৯০-৯১ চনৰ বাজেট উত্থাপন কৰোতে ১৯৮৯-৯০ চনৰ বাবে কৰা সংশোধিত প্ৰাক্কলনত ৪৯ কোটি টকাৰ আৰম্ভণী ৰাহি দেখুওৱা হৈছিল। কিন্তু পিছলৈ মহাগাননিকে কেতবোৰ হিচাপ-পত্ৰ মিলাই সোৱাৰ পিছত ১৯৮৯-৯০ চনৰ প্ৰকৃত আৰম্ভণী হিচাপটো হয়গৈ ৮২.৪১ কোটি টকা ঘাটিৰহে।

১৯৮৯-৯০ চনৰ সংশোধিত প্ৰাক্কলনত ৰাজহ শিতানত ১৩২ কোটি টকাৰ ঘাটি ওলাইছিল। কিন্তু এতিয়া ৰাজহ শিতানত প্ৰকৃত ঘাটিৰ পৰিমাণ হৈছেগৈ ১৩৬.৭০ কোটি টকা, অৰ্থাত ১৯৮৯-৯০ চনত এই শিতানত ঘাটিৰ পৰিমাণ বাঢ়িল। অৱশ্যে মূলধনী শিতানৰ লেন-দেনৰ ক্ষেত্ৰত এই বছৰত সংশোধিত প্ৰাক্কলনত আশা কৰা ১৫২ কোটি টকাৰ বিপৰীতে ২১৮.২২ কোটি টকাৰ ৰাহি ওলাইগৈ। ৰাজ্যখনৰ জটিল বিত্তীয় পৰিস্থিতিলৈ চাই খৰচ পাতিৰ ওপৰত চৰকাৰে আৰোপ কৰা নিয়ন্ত্ৰণৰ ফলতেই ঘাইকৈ আশা কৰা ৰাহিৰ পৰিমাণত এই বৃদ্ধি হয়।

১৯৮৯-৯০ চনৰ বছৰটোৰ সামগ্ৰিক লেন দেনৰ প্ৰকৃত ফলাফল হয়গৈ ১০৪.৮২ কোটি টকাৰ শুদ্ধ উদ্বৃত্ত। অৱশ্যে ৮২.৪১ কোটি টকাৰ আৰম্ভণী ঘাটিখিনি হিচাপত ধৰি ললে বছৰটোৰ প্ৰকৃত সামৰণী ৰাহিৰ পৰিমাণ হয়গৈ ২২.৪১ কোটি টকাহে।

## সংশোধিত, ১৯৯০-৯১

পোনতে কৰা বাজেট প্ৰাক্কলন মতে ১৯৯০-৯১ চনত বছৰটোৰ ভিতৰত সামগ্ৰিকভাবে ২৮৮.৮৭ কোটি টকাৰ ঘাটি হ'ব বুলি ভবা হৈছিল আৰু আশা কৰা ৯৩.৬৪ কোটি টকাৰ আৰম্ভণী উদ্বৃত্ত হিচাপত ধৰি ১৯৫.২৩ কোটি টকাৰ

ঘাটিৰে বছৰটো ওৰ পৰিবগৈ বুলি প্ৰথমতে ভবা হৈছিল। সংশোধিত প্ৰাক্কলন-মতে সেই বছৰত সামগ্ৰিক ঘাটিৰ পৰিমাণ ৯৪·০৯ কোটি টকা হয়গৈ আৰু ২২·৪১ কোটি টকাৰ আৰম্ভণী উদ্বৃত্তখিনি হিচাপত ধৰি লোৱাৰ পিছত ৭১·৬৭ কোটি টকাৰ ঘাটিৰে বছৰটোৰ ওৰ পৰে।

ঘাইকৈ বাকী পৰি থকা তেলৰ ৰয়েলটি পোৱাৰ বাবে আৰু ৰাজ্যিক কৰৰ সংগ্ৰহ উন্নত হোৱাৰ ফলত ১৯৯০-৯১ চনত ৰাজহ শিতানত সংশোধিত প্ৰাক্কলন মতে মূল বাজেট প্ৰাক্কলনতকৈ ২৫৩ কোটি টকাৰ বৃদ্ধি পৰিলক্ষিত হয়। আনহাতে ঘাইকৈ বেতন সংশোধন, বিশ্ববিদ্যালয় অনুদান আয়োগৰ বেতন ক্ৰম কাৰ্য্যকৰী কৰা আদিৰ বাবে হোৱা অতিৰিক্ত আয়ৰ ফলত ১৯৯০-৯১ চনৰ ৰাজহ শিতানত ব্যয়ৰ পৰিমাণো ১৭৯·১৪ কোটি টকা বৃদ্ধি পোৱা দেখা যায়। সেয়ে সংশোধিত প্ৰক্কলনত ৰাজহ শিতানত অৱশেষত ১৮৮ কোটি টকাৰ ঘাটিহে ওলায়গৈ।

যোৱা বছৰত অৰ্থাৎ ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনত একত্ৰিত নিধিৰ ভিতৰত মূলধনী শিতানতো আয় আৰু ব্যয় উভয় ক্ষেত্ৰতে যথাক্ৰমে ২৬৯·৬৪ আৰু ১৭২·২১ কোটি টকাৰ বৃদ্ধি দেখা যায়। মূলধনী শিতানত মুঠ লেন-দেনৰ হিচাপত বাজেট প্ৰাক্কলনত ওলোৱা ৫৬ কোটি টকা ঘাটিৰ বিপৰীতে ৪১·৮১ কোটি টকাৰ ৰাহি পৰিলক্ষিত হয়গৈ। বছৰটোৰ ভিতৰত লেন-দেনৰ সামগ্ৰিক শুদ্ধ ফলাফলো বাজেট প্ৰাক্কলনত ধৰা ২৮৮·৮৭ কোটি টকাৰ ঘাটিৰ বিপৰীতে সংশোধিত প্ৰাক্কলনত ৯৪·০৯ কোটি টকাৰ ঘাটি হয়হি। অৰ্থাৎ বাজেট প্ৰাক্কলনতকৈ ১৯৯০-৯১ চনৰ বছৰটোত প্ৰকৃততে ২৯৪·৭৮ কোটি টকাৰ উন্নতি হোৱা দেখা যায়। ২২·৪১ কোটি টকাৰ আৰম্ভণী ৰাহি হিচাপত ধৰিলে ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনত ৭১·৬৭ কোটি টকাৰ সামৰণী ঘাটি ওলায়গৈ।

## বাজেট, ১৯৯১-৯২

১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনৰ ১৮২৩·৭১ কোটি টকাৰ বিপৰীতে ১৯৯১-৯২ চনৰ বাজেটত ২৪৯৯·০৬ টকাৰ ৰাজহ প্ৰাপ্তি আশা কৰা হৈছে। যোৱা বছৰৰ অৰ্থাৎ ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনৰ তুলনাত হোৱা ৬৭৫·৩৫ কোটি টকাৰ এই বৃদ্ধি ঘাইকৈ হৈছে কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা সাহায্য অনুদান, ৰাজিক কৰ আৰু কেন্দ্ৰীয় কৰৰ ভাগ বঢ়াৰ ফলতে।

১৯৯১-৯২ চনৰ বাজেট প্ৰাক্কলনৰ ৰাজহ শিতানত খৰচ ধৰা হৈছে ২২৬৫.৬৫ কোটি টকা। ই যোৱা বছৰৰ অৰ্থাৎ ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনত ওলোৱা খৰচতকৈ ২৫৩.২২ কোটি টকা অধিক। এই হিচাপত ৰাজহ শিতানত ২৩৩.২১ কোটি টকাৰ সম্ভাব্য বাহি ওলায়গৈ। মূলধনী শিতানত প্ৰাপ্তিৰ আনুমানিক পৰিমানটো হৈছেগৈ ৯৬৪.৫৩ কোটি টকা। ই যোৱা বছৰৰ শংশোধিত প্ৰাক্কলনৰ ১৪৪৩.৭৫ কোটি টকাতকৈ কম আৰু পৰিমানটো কমি গৈছে। পৰিকল্পনা পুঁজিৰ ক্ষেত্ৰত অনুদান আৰু ঋণৰ অনুপাত ৩০ : ৭০ ৰ পৰা ৯০ : ১০ লৈ সলনি কৰাৰ বাবে। মূলধনী শিতানত ১৪৭৫.৩০ কোটি টকাৰ ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। অৰ্থাৎ মূলধনী শিতানত ৫১০.৭৭ কোটি টকাৰ ঘাটি পৰিবগৈ। এই হিচাপত বচৰটোৰ সমুদায় লেন-দেনৰ পিছত ২৪১.৪৫ কোটি টকাৰ ঘাটি ৰবগৈ লাগে। ৭১.৬৭ কোটি টকাৰ আৰম্ভণী ঘাটিখিনিও হিচাপ সামৰি লগে ১৯৯১-৯২ চনৰ বছৰটোত ৩১৩.১২ কোটি টকাৰ ঘাটিৰে ওৰ পৰিবগৈ বুলি ভবা হৈছে।

এইখিনিতে মনত পেলাব পাৰি যে ১৯৯১-৯২ চনৰ বছৰৰ বাবে সংসদত ৬ মাহৰ লেখানুদান উত্থাপন কৰোতে সামগ্ৰিক ঘাটিৰ পৰিমাণ ৩৫৩.৭৯ কোটি টকা পৰ্য্যন্ত হবগৈ বুলি অনুমান কৰা হৈছিল। এই পবিত্ৰ সদনত সদ্যহতে দাঙি ধৰা গোটেই বছৰৰ বাজেটত পৰিস্থিতিটো অলপ উন্নত হৈ সামগ্ৰিক ঘাটিৰ আনুমানিক পৰিমানটো ৩১৩.১২ কোটি টকা হৈছেহি।

অধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই ১৯৯১-৯২ চনৰ বাজেটখন এই পবিত্ৰ সদনৰ বিবেচনাৰ বাবে আগবঢ়াই দিছো।

# পৰিশিষ্ট

## লেন-দেনৰ সংক্ষিপ্ত বিৱৰণ

( হেজাৰ টকাৰ হিচাপত )

| | প্ৰকৃত ১৯৮৯-৯০ | বাজেট প্ৰাক্কলন ১৯৯০-৯১ | সংশোধিত প্ৰাক্কলন ১৯৯০-৯১ | বাজেট প্ৰাক্কলন ১৯৯১-৯২ |
|---|---|---|---|---|
| ক ॥ প্ৰাপ্তি | | | | |
| ১। একত্ৰিত্ত পুঁজি | | | | |
| ৰাজহ হিচাপ | ১৫৩২,০৭,৪৭ | ১৫৬৯.৯৪.০১ | ১৮২৩,৭১,৪৪ | ২৪৯৯,০৬,৩০ |
| মূলধন হিচাপ | ১১০২,৯০ ৪০ | ১১৭৪,১১,১৩ | ১৪৪৩,৭৫,৩০ | ৯৬৫,৫২,৬১ |
| মুঠ | ২৬৩৪,৯৭,৮৭ | ২৭৪৪,০৫,১৪ | ৩২৬৭,৪৬,৭৪ | ৩৪৬৩,৫৮,৯১ |
| ২। আকস্মিক নিধি হিচাপ | ...... | ...... | ৫৫,৮১,০০ | ৪,৪১,০০ |
| ৩। ৰাজহুৱা হিচাপ | ১৫৭৬,৫৩,৯৫ | ১৩৬৭,৪৩,০০ | ১৩৯৭.৪৩,০০ | ১৩৭৬,৫৬,০০ |
| সৰ্বমুঠ (১+২+৩) | ৪২১১,৫১,৮২ | ৪১১১,৪৮,১৪ | ৪৭২০,৭০,৭৪ | ৪৮৪৪,৫৫,৯১ |
| খ ॥ ব্যয় | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ১৬৬৮,৭৭.৮৩ | ১৮৩৩,১৮,৭৯ | ২০১২,৪২,৭৬ | ২২৬৫,৬৪ ৯২ |
| মূলধন হিচাপ | ৮৮৪,৬৮,০০ | ১২২৯,৭৩,৪৬ | ১৪০১,৯৩,৭৪ | ১৪৭৫.২৯ ৫৫ |
| মুঠ | ২৫৫৩,৪৫,৮৩ | ৩০৬২,৯২,২৫ | ৩৪১৪,৩৬,৫০ | ৩৭৪০,৯৪,৪৭ |
| ২। আকস্মিক নিধি হিচাপ | ৫,৮১.০০ | ...... | ৫০,০০,০০ | ...... |
| ৩। ৰাজহুৱা হিচাপ | ১৫৪৭,৪৩.০২ | ১৩৩৭,৪৩,০০ | ১৩৫০,৪৩,০০ | ১৩৪৫.০৬,০০ |
| সৰ্বমুঠ (১+২+৩ | ৪১০৬,৬৯ ৮৫ | ৪৪০০,৩৫,২৫ | ৪৮১৪,৭৯,৫০ | ৫০৮৬,০০,৪৭ |
| গ ॥ বছৰটোৰ ভিতৰত লেন-দেন | | | | |
| ৰাহি(+)/ঘাটি(-) | (+)১০৪,৮১,৯৭ | (-)২৮৮,৮৭,১১ | (-) ৯৪.০৮,৭৬ | (-) ২৪১,৪৪,৫৬ |
| ঘ ॥ আৰম্ভণিৰ হিচাপ | | | | |
| ৰাহি(+)/ঘাটি(-) | (-) ৮২,৪০,৬৬ | (+) ৯৩,৬৪,৪৭ | (+) ২২,৪১,৩১ | (-) ৭১,৬৭,৪৫ |
| ঙ ॥ সামৰণিৰ হিচাপ | | | | |
| ৰাহি(+)/ঘাটি(-) | (+) ২২,৪১,৩১ | (-)১৯৫,২২,৬৪ | (-) ৭১,৬৭,৪৫ | (-) ১১৩,১২,০১ |

*Shri Haliram Terang : Mr. Speaker Sir, there is a Point of Order. Along with the budget papers as usual separate budgets for Karbi Anglong and N. C. Hills have been placed.

This is obligatory on the part of the Government to place the Budget and I believe the Annual Financial Statement have been placed according Rule 202 of the Constitution. In the Constitution, there is a Sixth Schedule part. In this part, it is stated, the receipts and expenditure pertaining to Autonomous districts has to be shown Separately in the Annual Financial Statement. The estimated receipts and expenditure pertaining to the Automomous districts shall first be placed before the District Council for discussion. After such discussion, the Annual Financial Statement shall be placed in the Legislature. I have checked the provision of the Constitution, which clearly states that the receipts and expenditure for Autonomous districts has to be first placed before the District Council and then only it can be incorporated in the Annual Financial Statement of the state. This practice is prevalent in regard to Karbi Anglong and N. C. Hills. Now, we have seen there is no synopsis of discussion made in the District Councils of Karbi Anglong and N. C. Hills. I know, this Budget paper has not been delivered to the District Councils. In this respect, the Government has violated the Constitution. This is very much irregular and unconstitutional. Sir, I would like you to give a ruling on this. I would also like the Minister-in-charge of Finance

*Speech not corrected.

who happens to be the Chief Minister to give reply to this.

Though it is not obligatory to pass the Budget paper in the District Councils, it is obligatory to send the Budget papers for discussion in the District Councils. So, this Government has violated the provision of the Constitution.

Shri Chandra Mohan Patowary : Mr. Speaker Sir, I support the contention of Shri Holiram Terang.

Mr. Speaker : In this matter, no discussion should be raised.

Shri Chandra Mohan Patowary : Mr. Speaker Sir, this is only for clarification. It is appearent, the Government has violated the Constitutianal provision. In regard to Budget, there is a news item appeared in 'Dainik Asom' under the caption.

এইখিনিতে মই আজিৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত এটা বাতৰিৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। ইয়াত এনে ধৰণে লিখিছে—"আজি বাজেট"। ৰাজ্যখনৰ চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয়াৰ্দ্ধৰ বাবে আজি বিধান সভাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই বাজেট উৎথাপন কৰিব। এইবাৰ প্ৰায় ২৪১ কোটি টকাৰ ঘাটি বাজেট দাঙি ধৰা হব পাৰে বুলি ধাৰণা কৰা হৈছে।

মাননীয় অধ্যক্ষ : টেৰাঙে যিটো কথা ক'লে মুখ্যমন্ত্ৰীয়ে কিবা ক'ব নেকি ?

Shri Chandra Mohan Patowary : Mr. Speaker Sir, My point is that the budget matter before coming to the Assembly, how can the matter be appeared in a News paper. It is a clear violation of the Constitution.

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, the estimated receipts and expenditure pertaining to Karbi Anglong & N. C. Hills were placed in the original budget.

Shri Holiram Terang : Mr. Speaker Sir, was the budget for 12 months or for 6 months ?

Shri Hiteswar Saikia ( Chief Minister ) : It is for 12 months.

Shri Holiram Terang : Mr. Speaker, Sir that was passed in the Parliament, but why this was not placed in the District Councils which are elected bodies of the two districts.

Shri Hiteswar Saikia ( Chief Minister ) : Mr. Speaker Sir, it is only for vote on account.

Mr. Speaker : You will get sufficient time for getting clarification of your point. Would you like to extend the time of the House.

Shri Hiteswar Saikia ( Chief Minister ) : Only for 10 minutes.

## STATEMENT BY CHIEF MINISTER

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়. আলফা সমস্যা আৰু সদ্যহতে ঘাইকৈ পণবন্দী সমস্যাটোৰ ক্ষেত্ৰত মাননীয় সদস্য সকলে গভীৰ উদ্বেগ সততে প্ৰকাশ কৰি আহিছে। তেখেতসকলৰ এই উদ্বেগ অনুভব কৰিয়েই এই সমস্যাৰ ক্ষেত্ৰত চৰকাৰৰ নীতি. মনোভাৱ আৰু কাৰ্য্যব্যৱস্থাৰ থুল-মূল আভাস এটা মই এতিয়া সদনত দাঙি ধৰিব খুজিছো। মাননীয় সদস্য সকলে ভালদৰে জানে যে বৰ্তমান চৰকাৰ গঠনৰ বহু আগৰে পৰাই আলফা সমস্যাটোৱে ৰাজ্য-খনৰ জীৱন বিষময় কৰি আহিছে। এই বিবৃতিত মই পিছে সিমান পিছলৈ উভটি যাব খোজা নাই। কেৱল নতুন চৰকাৰখন গঠনৰ পিছত এই সমস্যাৰ আলমত গঢ় লৈ উঠা পৰিস্থিতি আৰু সেই সন্দৰ্ভত চৰকাৰৰ নীতি আৰু কাৰ্য্যব্যৱস্থাৰ বিষয়েহে সদনক অৱগত কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, আপুনি জানে যে নতুন মন্ত্ৰী সভাই শপত গ্ৰহণ কৰাৰ ২৪ ঘণ্টা পাৰ নহওতেই ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ ১৪ জন বিষয়া-কৰ্মচাৰীক আলফা'ই অপহৰণ কৰিলে। তাৰে এজনক অপহৰণৰ দিনাই মুকলি কৰি দিয়া হ'ল যদিও বাকী ১৩ জনক সংগঠনটোৱে পণবন্দী হিচাপে আটক কৰি ৰাখিলে।

এইদৰেই আৰম্ভ হোৱা পণবন্দীৰ এই সমস্যাটো এতিয়াও কিদৰে অমীমাংসিত হৈ আছে সেই বিষয়ে মাননীয় সদস্যসকল অৱগত হৈয়েই আছে। যাইকৈ কি কি কাৰণত সমস্যাটোৰ এতিয়াও ওৰ পৰাগৈ নাই তাৰ এটা বিশ্লেষণো মই এই চেগতে দাঙি ধৰিব খুজিছো।

অধ্যক্ষ মহোদয়, অপহৰণৰ ঘটনাৰ পিছৰে পৰাই পণবন্দীৰ মুক্তিৰ বাবে কাতৰি কাকুতৰ জৰিয়তে সংগঠনটোৱে কেতবোৰ চৰ্ত উত্থাপন কৰি আহিছে। কিন্তু সেই ক্ষেত্ৰত সংগঠনটোৰ স্থিতি সঘনে সলনি হৈ আছিল আৰু আচৰণো স্থিৰ বা নিশ্চিত নাছিল। উদাহৰণ স্বৰূপে, পোনতে আলফাই চৰ্ত দিছিল যে চৰকাৰে ছজন টাডা বন্দীক জেলৰ পৰা মুকলি কৰি দিলে তেওঁলোকে পণবন্দী কৰি ৰখা এজন ছোভিয়েট খনি বিশেষজ্ঞকে ধৰি দুজন পণবন্দীক এৰি দিব। সংগঠনটোৱে নিজে দিয়া চৰ্ত অনুসৰিয়েই চৰকাৰে ছজন টাডা বন্দীক মুকলি কৰি দিলে। কিন্তু তাৰ বিনিময়ত আলফাই জনালে যে তেওঁলোকে এৰি দিব বুলি কোৱা ছোভিয়েট বিশেষজ্ঞজন তেওঁলোকৰ শিবিৰতে নিহত হৈছে। দ্বিতীয়জন পণবন্দী অৱশ্যে মুকলি হৈ আহিল। ইয়াৰ পিছতো আলফাৰ চৰ্ত অনুসৰিয়েই ২৪ জন টাডা বন্দীৰ বিনিময়ত আৰু ৩ জন পণবন্দী মুকলি হ'ল। কিন্তু ইয়াৰ পিছতো মুঠ ৮ জন বিষয়া-কৰ্মচাৰী সংগঠনটোৰ পণবন্দী হৈ থাকিয়েই গ'ল।

পণবন্দীৰ তাৎক্ষণিক সমস্যাটোৰ উপৰিও সামগ্ৰিক ভাৱে আলফা সমস্যাটোৰ ক্ষেত্ৰত সমাধানৰ এটা প্ৰচেষ্টা চলাবলৈ বৰ্তমান চৰকাৰে আন্তৰিকভাৱে যত্ন কৰি আহিছে। এনে এটা সমস্যাৰ সমাধান কেৱল আলাপ-আলোচনাৰ জৰিয়তেহে সম্ভৱ বুলি চৰকাৰে বিশ্বাস কৰে আৰু আলোচনাৰ পৰিবেশ এটা সৃষ্টি হওঁক বুলিয়েই চৰকাৰে প্ৰথমৰে পৰাই আলফাৰ ক্ষেত্ৰত যথেষ্ট ধৈৰ্য্য, ক্ষমা আৰু উদাৰতাৰ নীতি লৈ আহিছে। এই সন্দৰ্ভতে ৮ জুলাই তাৰিখে চৰকাৰে সাধাৰণ ক্ষমতা দানৰ প্ৰস্তাৱ এটাও আগবঢ়াইছিল আৰু দুটা পৰ্য্যায়ত সেই প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ কথা ঘোষণা কৰিছিল। প্ৰথম পৰ্য্যায়ত গুৰুতৰ ধৰণৰ অভিযোগ নথকা আলফা কৰ্মী আৰু সমৰ্থকক কাৰাগাৰৰ পৰা মুকলি কৰি দিয়াৰ নিৰ্দেশ লগে লগেই দিয়া হৈছিল। হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ বাবে আগ্ৰহ দেখুৱালে দ্বিতীয় পৰ্য্যায়ত সংগঠনটোৰ বাকীসকল টাডা বন্দীকো মোকোলাই দিয়া হ'ব বুলি ঘোষণা কৰা হৈছিল।

অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনৰ যোৱা অধিবেশনত ৰাজ্যপালে দিয়া

ভাষণতো, চৰকাৰৰ এই সিদ্ধান্তৰ কথা দোহৰা হৈছিল। দুটা পৰ্য্যায়ত সাধাৰণ
ক্ষমাদানৰ উপৰিও আলফাৰ সৈতে ফলপ্ৰসূ আলোচনাৰ স্বাৰ্থত প্ৰয়োজন হ'লে
সংগঠনটোৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনু-
ৰোধ কৰা হ'ব বুলিও ৰাজ্যপালৰ ভাষণত কোৱা হৈছিল। কিন্তু পৰিতাপৰ
কথা যে আলফা সংগঠনৰ পৰা এই ক্ষেত্ৰত কোনো সঁহাৰি পোৱা নগ'ল।
বৰঞ্চ পিছলৈ সংগঠনটোৱে বাতৰি কাকতৰ জৰিয়তে অদ্ভুত আৰু অসম্ভৱ ধৰণৰ
কেতবোৰ চৰ্ত আগবঢ়ালে আৰু ২৭ আগষ্টৰ ভিতৰত সেই চৰ্তবোৰ পূৰণ
নকৰিলে পণবন্দী কেইজনক এজন এজনকৈ হত্যা কৰাৰ ভাবুকি দিলে। অন্যান্য
চৰ্তৰ লগতে আলফাই চৰ্ত দিছিল যে ৰাজ্যখনত চলি থকা যিকোনো ধৰণৰ
গ্ৰেপ্তাৰ কাৰ্য্য বন্ধ কৰি দিব লাগিব আৰু শেহতীয়াকৈ গ্ৰেপ্তাৰ হোৱা সকলক
মুক্তিও দিব লাগিব। এনে চৰ্ত মানি লোৱাটো স্বাভাৱিকতেই কোনো চৰকাৰৰ
বাবে সম্ভৱ নহয়। নিৰ্দিষ্ট অপৰাধৰ ক্ষেত্ৰত আৰু বিশেষকৈ হাতে-লোতে ধৰা
অপৰাধীক গ্ৰেপ্তাৰ নকৰা বা গ্ৰেপ্তাৰ কৰিলেও এৰি দিয়াৰ চৰ্ত মানিবলৈ গ'লে
আইন-শৃংখলা জলাঞ্জলি দিয়াৰ দৰে হ'বগৈ। সদনৰ অৱগতিৰ বাবে মই জনাব
খোজো যে বৰ্তমান মন্ত্ৰীসভা গঠন হোৱাৰ পৰা যোৱা ৬ ছেপ্তেম্বৰ তাৰিখলৈ
হত্যা, অপহৰণৰ যিবোৰ ঘটনা ঘটিছে, তাৰে ৯০ টা ঘটনাত জড়িত লোক-
সকলক আলফাৰ সদস্য বুলি জানিব পৰা গৈছে। এনে পৰিপ্ৰেক্ষিততে
চৰকাৰৰ স্থিতিৰ বিষয়ে দূৰদৰ্শন আৰু আকাশবাণীৰ জৰিয়তে ৰাইজক বিতংকৈ
জনোৱা হৈছিল। চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল যে সদিচ্ছা কেতিয়াও
একপক্ষীয় হ'ব নোৱাৰে আৰু সেয়ে চৰকাৰে উদাৰতা আৰু ক্ষমাৰ নীতি পৰ্য্যা-
লোচনা কৰি চোৱাৰ সময় আহি পৰিছেহি। এনে অৱস্থাত ৰাজ্যখনত আইন-
শৃংখলা ঘূৰাই অনাৰ বাবে প্ৰয়োজন হ'লে চৰকাৰে কঠোৰ ব্যৱস্থা নোলোৱাকৈ
থাকিব নোৱাৰে।

অধ্যক্ষ মহোদয়, এমনেষ্টি ইণ্টাৰনেচনেলৰ অসম শাখা বুলি অভিহিত সংগঠন
এটাৰ বিষয়ে যোৱা সপ্তাহত এই সদনত কেইবা গৰাকীও মাননীয় সদস্যই
উল্লেখ কৰিছিল। এই সংগঠনৰ তৰফৰ পৰা দিয়া বুলি কোৱা চিঠি ২৭ আগষ্ট
তাৰিখৰ আগভাগতে আমাৰ হাতত পৰিছিলহি। কিন্তু ব্যক্তিগতভাৱে তেনেই
অপৰিচিত আৰু আনুষ্ঠানিক ভাবেও সংগঠনটোৰ বিষয়ে নিশ্চিত নোহোৱাৰ
কাৰণে এই চিঠিক আমি আওকান কৰিছিলো আৰু ২৭ আগষ্টৰ সন্ধিয়ালৈ
প্ৰচাৰিত চৰকাৰী ঘোষণাত এই বিষয়ে কোনো ধৰণৰ উল্লেখৰ প্ৰয়োজন আমি

বোধ কৰা নাছিলো। কিন্তু তাৰে পিছতেই সেই সংগঠণৰ আহ্বানতেই সহাৰি জনাই আলফাই নিজৰ চৰম সীমা ৪৮ ঘণ্টা পিছুৱাই দিয়াত সংগঠনটোৰ প্ৰস্তাৱসমূহ চালি-জাৰি চাবলৈ আমিও একপ্ৰকাৰ বাধ্য হৈ পৰিলো। আলোচনা কালত আৰু লিখিতভাৱেও সংগঠনটোৱে আগবঢ়োৱা সমাধান সূত্ৰটো আছিল এনেধৰণৰ :—

চৰকাৰে কেইজনমান টাডা বন্দীক মুকলি কৰি দি সদিচ্ছা দেখুৱাব আৰু আলফাইও এজন বা ততোধিক পনবন্দীক এৰি দি তাত সহাঁৰি জনাব। উভয় পক্ষই পৰবৰ্তী সময়ত আনুপাতিকভাৱে টাডা বন্দী আৰু পনবন্দীক মুকলি কৰি দি থাকিব, দুয়ো পক্ষই নিজ নিজ অভিযান বন্ধ ৰাখিব ইত্যাদি। এই সমাধান সূত্ৰত সহাঁৰি জনাই চৰকাৰে লগে লগে দহজন টাডাবন্দীক বেলেগ বেলেগ জেলৰপৰা মোকোলাই দিয়াৰ নিৰ্দেশ দিলে আৰু সেইমতে তেওঁলোক মুকলিও হ'ল। কিন্তু আলফাই তাৰ বিনিময়ত পনবন্দী মোকোলাই দিয়াৰ পৰিবৰ্তে নতুনকৈ দহজন টাডাবন্দীৰ নাম দাখিল কৰি তেওঁলোকৰো মুক্তিৰ দাবী কৰিলে। আৰু নতুন সময় সীমাৰ চৰ্তও আৰোপ কৰিলে। সেই সময় সীমা পাবলৈ সময় থাকোতেই সেই তালিকাত নতুন নতুন নামো পুনৰ সংযোজিত হ'ল। নতুনকৈ মুক্তি বিচৰা এই লোকসকল আছিল যাইকৈ যোৱা কিছুদিনত নিৰ্দিষ্ট অপৰাধত গ্ৰেপ্তাৰ হোৱা লোক আৰু তেওঁলোকৰ ভিতৰত মেঘালয় আৰু নগালেণ্ড পুলিচে আটক কৰা বন্দীও আছিল। আলফাৰ এই আকোৰগোজ মনোভাৱৰ পৰা চৰকাৰে অনুভৱ কৰিলে যে চৰকাৰে আগবঢ়োৱা ক্ষমা আৰু উদাৰতাৰ তথা আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ বাবে সংগঠনটোৰ কোনো আগ্ৰহ নাই আৰু সেয়ে অনিশ্চয়তাৰ অৱস্থাটোৰ ওৰ পেলাবলৈ প্ৰয়োজনীয় ব্যৱস্থা নিজৰ কালৰ পৰাই লব লাগিব। এই পৰিপ্ৰেক্ষিততে ৪ ছেপ্তেম্বৰ তাৰিখৰ এটা প্ৰেছ টোকাৰ জৰিয়তে নিজৰ ক্ষমা আৰু উদাৰতাৰ নীতি পৰ্য্যালোচনা কৰি শান্তি শৃংখলা ৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লবলৈ আগবঢ়াৰ কথা ঘোষণা কৰিলে। এইখিনিতে উল্লেখ কৰিব পাৰি যে কালি ৰাতিপুৱা এমনেষ্টি ইন্টাৰনেচনেলৰ নামত আলফা আৰু চৰকাৰৰ লগত মধ্যস্থতা কৰা শ্ৰীবিপুল মহন্ত নামৰ প্ৰাক্তন যুৱ-ছাত্ৰ নেতাজনকো হত্যা কৰা হৈছে। শেহতীয়াভাৱে সংগঠনটোৰ হাতত পনবন্দী হৈ থকা শ্ৰী টি. এছ. ৰাজু নামৰ অ'-এন-জি-চিৰ বিষয়াজনৰ মৃত দেহটো শনিবাৰে নিশা শিমলুগুৰিৰ ওচৰত ৰেল আলিৰ দাঁতিত পোৱা হয়। পনবন্দী হৈ থকা আন কেইজনৰ কোনো বাতৰি এতিয়ালৈ পোৱা হোৱা নাই।

অধ্যক্ষ মহোদয়, নতুন চৰকাৰখন ক্ষমতালৈ অহাৰ পিছত আলফা সমস্যা সমাধানৰ অৰ্থে আমি বিভিন্ন ৰাজনৈতিক দলৰ উপৰিও ৰাজ্যখনৰ বিভিন্ন শ্ৰেণীৰ লোকৰ লৈতে আলোচনা হওঁতে সকলোৱেই আলাপ-আলোচনাৰ মাধ্যমেৰে সমস্যাটোৰ সমাধান হোৱাটো বিচাৰিছিল আৰু তাৰ বাবে সততে সাজু থকাৰ কথা আমি বাৰে বাৰে বিভিন্ন প্ৰচাৰ মাধ্যমযোগে প্ৰচাৰ কৰি আহিছিলো। আনকি কেন্দ্ৰৰ লৈতে আলফাই আলোচনা কৰিব বিচাৰিলেও আমাৰ সেই বিষয়ত কোনো আপত্তি নাই বুলি জনাইছিলো। আলফা সমস্যা সমাধানৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ মান মৰ্য্যাদাৰ প্ৰশ্ন উত্থাপন কৰিবলৈ বিচৰা নাই বাবেই আমি এইদৰে আগবাঢ়িছো। কিন্তু এই ক্ষেত্ৰত আলফাৰ ফালৰ পৰা কোনো ধৰণৰ সহঁাৰি পোৱা নগ'ল। এতিয়াও যদি সংগঠনটোৱে আলোচনাৰ বাবে আগ বাঢ়ি আহে, তাৰ বাবে প্ৰয়োজনীয় পৰিবেশ সৃষ্টিৰ বাবে পৰাখিনি কৰিবলৈ আমি আন্তৰিকতাৰে চেষ্টা নকৰাকৈ নাথাকো।

অধ্যক্ষ মহোদয়, আলফাৰ অবিৰত কাৰ্য্যকলাপৰ সমস্যাটো দৰাচলতে পণবন্দীৰ সমস্যাটোৰ মাজতে সীমাবদ্ধ হৈ থকা নাই। পণবন্দীসকলৰ নিৰাপদ মুক্তিৰ বাবে চৰকাৰৰ সীমাহীন উদ্বেগৰ কথা আমি বাৰম্বাৰ দোহাৰি আহিছো আৰু তেওঁলোকৰ মুক্তিৰ বাবে যথাসাধ্য প্ৰচেষ্টা আমি চলাইছো আৰু চলাই থাকিম। কিন্তু একে সময়তে ৰাজ্যখনত এতিয়াৰ হিংসাত্মক ঘটনাসমূহো আমি চলি থাকিবলৈ দিব নোৱাৰো। গভীৰ বেদনাৰে মই সদনক জনাবলগীয়া হৈছে যে যোৱা এক জুলাইৰ পৰা ৬ ছেপ্তেম্বৰ তাৰিখলৈ আলফা উগ্ৰপন্থীৰ হাতত ২৪ জন লোকৰ মৃত্যু ঘটিছে। ৭৪ জন লোক অপহৃত হৈছে। জোৰ জুলুম কৰি ধন সংগ্ৰহ কৰাৰ দৰে ঘটনাবোৰতো আছেই। আমাৰ হাতত থকা তথ্য মতে আলফাৰ হাতত নিহত হোৱা সকলৰ ভিতৰত আছে বাৰজন সাধাৰণ নাগৰিক, আঠজন কংগ্ৰেছ কৰ্মীকে ধৰি মুঠ দহজন ৰাজনৈতিক কৰ্মী, এজন ছোভিয়েট বিশেষজ্ঞ আৰু এজন আৰক্ষী লোক। তেনেকৈয়ে অপহৃত ৭৪ জন ব্যক্তিৰ ভিতৰত ৪৫ জনেই সাধাৰণ নাগৰিক, পাঁচজন ৰাজনৈতিক কৰ্মী আৰু বাকীসকল বিভিন্ন খণ্ডৰ বিষয়া কৰ্মচাৰী। চৰকাৰে এনে এটা অৱস্থা চলি থাকিবলৈ দিব নোৱাৰে আৰু সেইবাবেই এই ক্ষেত্ৰত কাৰ্য্যকৰীভাৱে ব্যৱস্থা লোৱাৰ প্ৰয়োজন হৈ পৰিছেহি।

অধ্যক্ষ মহোদয়, আলফাৰ সমস্যাটো পিছে ইয়াৰ পিছতো আমি এই

হিংসাত্মক ঘটনাসমূহৰ মাজতে সীমিত কৰি ৰাখিব নোৱাৰো, কিয়নো, এই সমস্যাটোৱে লাহে লাহে এক অতিশয় জটিল আৰু ভয়াবহ ৰূপ লবলৈ ধৰাৰ বিষয়ে আমি নিশ্চিত হ'ব পাৰিছোঁহি। সংগঠনৰ নেতৃত্বই একাধিক বিদেশী ৰাষ্ট্ৰৰ লগত স্থাপন কৰা ভয়াবহ সম্পৰ্কৰ কেতবোৰ ইংগিত পোহৰলৈ আহিছে। উদাহৰণস্বৰূপে, মেঘালয়ৰ বাঘমাৰাত তিনিজন এন-এছ-চি-এন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ হাতৰ পৰা উদ্ধাৰ কৰা নথি-পত্ৰই সন্দেহাতীতভাৱে প্ৰমান কৰি দিছে যে আলফা সংগঠনলৈ বাংলাদেশে অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰিছে আৰু প্ৰশিক্ষনৰ সা-সুবিধাও কৰি দিছে। প্ৰসংগক্ৰমে মই সদনক জনাব খোজো যে আলফা সংগঠনৰ স্বয়ম্ভু সৰ্বোচ্চ নেতাগৰাকীৰ ব্যক্তিগত ডায়েৰী এখন চৰকাৰৰ হাতত পৰিছেহি আৰু বাংলাদেশ, চীন আৰু পাকিস্তানৰ লগত সংগঠনটোৰ সম্পৰ্কৰ বিষয়ে তাৰ পৰাই যথেষ্ট বিশদভাৱে জানিব পৰা গৈছে। যোৱা এপ্ৰিল মাহতে বাংলাদেশত প্ৰশিক্ষন কেন্দ্ৰ পতাৰ বাবে স্বয়ম্ভু নেতাগৰাকী বাংলাদেশলৈ যোৱাৰ বিষয়ে আমি নিশ্চিত হব পাৰিছো। বাংলাদেশৰ পৰা উলটি অহাৰ পথত মেঘালয় আৰক্ষীয়ে দুজন আলফা কৰ্মীক গ্ৰেপ্তাৰ কৰাৰ পৰাও বাংলাদেশৰ সৈতে সংগঠনটোৰ সম্পৰ্কৰ কথাই প্ৰতিপন্ন হৈছে। এই গ্ৰেপ্তাৰ হোৱা কৰ্মী দুজনৰ এজন গুৱাহাটীত মানবেন্দ্ৰ শৰ্মাৰ হত্যাকে ধৰি ভালেমান জঘন্য অপৰাধৰ লগত জড়িত। তেওঁলোকক জেৰা কৰি নথি-পত্ৰৰ পৰাও জানিব পৰা হৈছে। যে বাংলাদেশৰ আদমপুৰতো আলফাৰ প্ৰশিক্ষণ শিবিৰ এটা চলি আছে আৰু তাৰ দায়িত্বত আছে গুৱাহাটীত জি, এল, হৰলালকাৰ হত্যাকাৰী বুলি অভিযুক্ত আলফা নেতাজন। তেওঁলোকক জেৰা কৰি চৰকাৰে পোৱা তথ্যমতে আলফাৰ নেতাসকলে বাংলাদেশলৈ সঘনাই গৈ আছে আৰু ঢাকাত অনেক বিশিষ্ট লোকৰ সৈতে সংযোগ স্থাপন কৰাৰ উপৰিও সেই দেশৰ পৰা অস্ত্ৰ-সস্ত্ৰও সংগ্ৰহ কৰিছে।

অধ্যক্ষ মহোদয়, যোৱা ১ জুলাইৰ পৰা এতিয়ালৈ বিভিন্ন অপৰাধ সংক্ৰান্তত গ্ৰেপ্তাৰ হোৱা সকলৰ ভিতৰত ১৮ জন আলফাৰ উচ্চ পৰ্য্যায়ৰ কৰ্মী আৰু নেতা আছে। তেওঁলোকক জেৰা কৰি থকা হৈছে আৰু ভালেমান তথ্যও সংগৃহীত হৈছে। তেওঁলোকৰ পৰাই জানিব পৰা গৈছে যে আলফাৰ স্বয়ম্ভু মুখ্য সেনাধিনায়কজনে চীন দেশৰ লগতো ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিছে আৰু সেই দেশৰ ইউনান প্ৰদেশত প্ৰশিক্ষণৰ ব্যৱস্থাও কৰি লৈছে।

মাননীয় সদস্যসকল নিশ্চয় আমাৰ সৈতে একমত হ'ব যে বিদেশী ৰাষ্ট্ৰৰ সৈতে আলফা সংগঠনৰ এনে ধৰণৰ সম্পৰ্ক আৰু ভয়াবহ মিত্ৰতাই আলফা সমস্যাটোক আৰু অধিক জটিল কৰি পেলাইছে। তৎস্বত্বেও, সংগঠনটোৰ সদস্য-সকলৰ মনৰ পৰিবৰ্ত'ন হ'ব বুলি আশা কৰি তেওঁলোকৰ ক্ষেত্ৰত অতদিনে আমি ধৈৰ্য্য, ক্ষমা আৰু উদাৰতা নীতি এটাই গ্ৰহণ কৰি আহিছো। অসমৰ বৃজন সংখ্যক লোকে আইন-শৃংখলা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ হ'বলৈ আমাক জনাই অহা স্বত্বেও সাধাৰণ নাগৰিক সকল কেনেবাকৈ হাৰা-শাস্তি হ'ব পাৰে বুলিয়েই আমি যোৱা তুমাহে বাট চালো আৰু আলোচনাৰ মেজত আলাপ-আলোচনাৰ জৰিয়তে সমস্যাটোৰ সমাধান কৰিবলৈ পৰম আন্তৰিকতাৰে চেষ্টাও চলালো। কিন্তু আলফাৰ জৰিয়তে বিদেশী শক্তিয়ে আমাৰ দেশ আৰু ৰাজ্য-বিৰুদ্ধে ষড়-যন্ত্ৰ চলাবলৈ লোৱা দেখি আৰু ক্ৰমাগতভাৱে বাঢ়ি অহা হিংসা আৰু সন্ত্ৰাসৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে অধিক সময়লৈ আশাৰে বাট চাই থাকিব নোৱাৰে। এই পৰিপ্ৰেক্ষিততে শান্তি-শৃংখলা ঘূৰাই অনাৰ বাবে আৰক্ষী বাহিনীক সহায় কৰিবলৈ সামৰিক বাহিনী অনাৰ কথাও সক্ৰিয় ভাৱে চিন্তা কৰিবলগীয়া হৈছেহি। কিয়নো ৰাজ্যখনৰ শান্তি-শৃংখলা আৰু ৰাইজৰ নিৰাপত্তা আমি কোনোপধ্যেই বিঘ্নিত হ'বলৈ দিব নোৱাৰো আৰু তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰে গ্ৰহণ নকৰাকৈ থাকিব নোৱাৰে। মই আশা কৰিছো সদনৰ মাননীয় সদস্য সকলে এই দৃষ্টিকোণৰ পৰা চৰকাৰৰ মনোভাৱ আৰু কাৰ্য্যব্যৱস্থাৰ বিচাৰ-বিশ্লেষণ কৰিব আৰু শান্তি-শৃংখলা ৰক্ষাৰ বাবে চৰকাৰে হাতত লোৱা ব্যৱস্থাত অনুমোদন জনাই যাব।

Shri Promode Gogoi : Mr. Speaker Sir, copies of the statement may be circulated to all Members of the House.

Mr. Speaker : Now, the House stands adjourned till 9·00 A.M. on Wednesday the 11th September, 1991.

## ADJOURNMENT

The House, rose at 1·45 P.M. and stood adjourned till 9 A.M. on Wednesday, the 11th September, 1991.

S. N. Deka,
Secretary,
Assam Legislative Ass·mbly.

Dispur
The 9th Sept , 1991

## ANNEXURE I

১-৭-৯১ ইং তাৰিখৰ পৰা ৩১-৮-৯১ ইং তাৰিখলৈকে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা আগবঢ়োৱা আৰ্থিক সাহায্যৰ পৰিমান আৰু ব্যক্তিৰ তালিকা।

| ক্ৰমিক নং | (ব্যক্তি) নাম ও ঠিকনা | পৰিমান | মন্তামত |
|---|---|---|---|
| ১ | শ্ৰীশিখা দাস গুপ্তা. উত্তৰ কাছাৰ | ১০,০০০ টকা | |
| ২ | ,, ভবেন নাৰ্জি, প্ৰাক্তন এম,এল,এ কামৰূপ | ২০,০০০ ,, | |
| ৩ | ,, টুলেন হাজৰিকা, শিৱসাগৰ | ১,০০০ ,, | |
| ৪ | ,, ৰবীন্দ্ৰ নাথ দাস, কামৰূপ | ২,০০০ ,, | |
| ৫ | ,, প্ৰতীমা নাথ, বৰপেটা | ১০,০০০ ,, | |
| ৬ | ,, মীনাক্ষী বাগৰ্ছি, গুৱাহাটী | ৫,০০০ ,, | |
| ৭ | ,, ভৰত চন্দ্ৰ দাস, কামৰূপ | ১০,০০০ ,, | |
| ৮ | ,, বীৰেন দাস, বৰপেটা | ১০,০০০ ,, | |
| ৯ | ,, ভবানন্দ দাস. বৰপেটা | ২,০০০ ,, | |
| ১০ | ,, প্ৰভাত চন্দ্ৰ দত্ত, নলবাৰী | ৫,০০০ ,, | |
| ১১ | ,, গৌতম তালুকদাৰ, নলবাৰী | ১,০০০ ,, | |
| ১২ | ,, ধনৰাম ডেকা, উত্তৰ গুৱাহাটী | ৫,০০০ ,, | |
| ১৩ | ,, সন্ধ্যাৰাণী বুঢ়াগোহাঁই, গুৱাহাটী | ১০,০০০ ,, | |
| ১৪ | ,, সুৰেন চন্দ্ৰ দাস, নগাওঁ | ১,০০০ ,, | |
| ১৫ | মঃ মহিবুদ্দিন আহমেদ, শিৱসাগৰ | ১,০০০ ,, | |
| ১৬ | শ্ৰীকানাই ৰাম, মুদ্ৰাযন্ত্ৰকাৰী অসম সচিবালয় | ৫,০০০ ,, | |
| ১৭ | ,, কুলজিৎ সিং, গুৱাহাটী-২১ | ১,০০০ ,, | |
| ১৮ | ,, খিৰেশ্বৰ মুদৈ, গুৱাহাটি | ১০,০০০ ,, | |
| ১৯ | ,, অজিত কুমাৰ শৰ্মা, গুৱাহাটী | ১০,০০০ ,, | |
| ২০ | শ্ৰীমতী মাকন শইকীয়া, গোলাঘাট | ২০,০০০ ,, | |
| ২১ | মঃ কাছাম আলি, নগাওঁ | ৫,০০০ ,, | |
| ২২ | শ্ৰীভোগেশ্বৰ নাথ, দৰং | ১,০০০ ,, | |
| ২৩ | ,, জীৱন বৰা, তেজপুৰ | ২,০০০ ,, | |

| ক্ৰমিক নং | ( ব্যক্তি ) নাম ও ঠিকনা | পৰিমান | মতামত |
|---|---|---|---|
| ২৪ | শ্ৰীজগৎ চন্দ্ৰ বৰা, শোণিতপুৰ | ৫,০০০ | টকা |
| ২৫ | ,, চানিৰাম বৰা, গোলাঘাট | ১,০০০ | ,, |
| ২৬ | ,, গোলাপ সন্দিকৈ, গোলাঘাট | ২,০০০ | ,, |
| ২৭ | ,, গোলক চন্দ্ৰ শৰ্মা নলবাৰী | ২,০০০ | ,, |
| ২৮ | শ্ৰীমতী ৰাজকুমাৰী ৰয়, যোৰহাট | ২,০০০ | ,, |
| ২৯ | শ্ৰীহাবিবৰ নাবি, কাছাৰ | ১,০০০ | ,, |
| ৩০ | ,, হৰি চন্দ্ৰ নাথ, নগাওঁ | ১,০০০ | ,, |
| ৩১ | ,, পুনাৰাম নাথ, যোৰহাট | ১০,০০০ | ,, |
| ৩২ | শ্ৰীমতী মিনু বৰা, যোৰহাট | ২,০০০ | ,, |
| ৩৩ | শ্ৰীগুনাদা ৰাভা, হাতীগাওঁ, গুৱাহাটী | ৫০০ | ,, |
| ৩৪ | ,, জয়কান্ত নাথ, কামৰূপ | ১ ০০০ | ,, |
| ৩৫ | ,, মিনতি বসুমতাৰী, শোণিতপুৰ | ১০,০০০ | ,, |
| ৩৬ | ,, গৌতম ঠাকুৰীয়া, বোম্বাই | ৫,০০০ | ,, |
| ৩৭ | ,, প্ৰদীপ কুমাৰ গগৈ, গুৱাহাটী | ৫,০০০ | ,, |
| ৩৮ | ,, হিৰা দাস, দিশপুৰ | ৫,০০০ | ,, |
| ৩৯ | ,, উমা বেনাৰ্জী | ৫,০০০ | ,, |
| ৪০ | ,, কিৰণ বৰঠাকুৰ, তিনিচুকীয়া | ১০,০০০ | ,, |
| ৪১ | ,, দেবেন ডেকা, নগাওঁ | ১০,০০০ | ,, |
| ৪২ | ,, ভুলাছ চন্দ্ৰ সৰকাৰ, নি: ব: সহায়ক | ১০,০০০ | ,, |
| ৪৩ | শ্ৰীমতী কানন বালা ৰাজখোৱা, গোলাঘাট | ৫,০০০ | ,, |
| ৪৪ | ম: ফজৰ আলি, নগাওঁ | ১০,০০০ | ,, |
| ৪৫ | শ্ৰীময়চু ইলান বৰা, শিলচৰ | ১,০০০ | ,, |
| ৪৬ | ,, কুসুম ডুৱৰী, নলবাৰী | ১০,০০০ | ,, |
| ৪৭ | ,, ভবানী লহকৰ, গুৱাহাটী | ১০,০০০ | ,, |
| ৪৮ | চৈয়দা মুনিমা বেগম, শিৱসাগৰ | ১,০০০ | ,, |
| ৪৯ | শ্ৰীৰত্নেশ্বৰ দাস, বিধায়ক, গোৱালপাৰা | ১০,০০০ | ,, |
| ৫০ | ,, মানিক পাটৰ, কামৰূপ | ১০,০০০ | ,, |
| ৫১ | ,, পবিত্ৰ গগৈ, ডিব্ৰুগড় | ১০,০০০ | ,, |

| ক্রমিক নং | ( ব্যক্তি ) নাম ও ঠিকনা | পৰিমান | মতামত |
|---|---|---|---|
| ৫২ | শ্ৰীমুফাক খাৰুল ইছলাম, ধুবুৰী | ১০,০০০ টকা | |
| ৫৩ | " নিহাৰ বেওৱা, গোৱালপাৰা | ৫০০ " | |
| ৫৪ | " জাভেদ আলী, ধুবুৰী | ১০,০০০ " | |
| ৫৫ | " কান্তিৰাম মেধি, কামৰূপ | ১,০০০ " | |
| ৫৬ | " পুৰাৰাম ভঁৰালী, দৰং | ৫,০০০ " | |
| ৫৭ | " কৃষ্ণ শীল, তিনিচুকীয়া | ১০,০০০ " | |
| ৫৮ | " বিপিন চন্দ্ৰ দাস, কামৰূপ | ১০,০০০ " | |
| ৫৯ | " গৌৰী দত্ত, বৰপেটা | ৫.০০০ " | |
| ৬০ | " আবুল মাজুম, নলবাৰী | ৫,০০০ " | |
| ৬১ | " লাইবাৰ আলী, নলবাৰী | ১,০০০ " | |
| ৬২ | " মকবিল আলী, কামৰূপ | ১,০০০ " | |
| ৬৩ | " আৰ, কে, শৰ্মা, গুৱাহাটী | ১০,০০০ " | |
| ৬৪ | " ৰোহিত পলহাতি, যোৰহাট | ৫,০০০ " | |
| ৬৫ | " আব্দুৰ ৰহমান, এ. এচ. আই, এচ, বি | ১০,০০০ " | |
